www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আপুনি যি কৰে সেয়া ইমান জোৰেৰে বাজে যে মই শুনিব নোৱাৰো। —বাল্ফ ৱাল্ডো এমাৰচন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বার্তা' গোষ্ঠী -

অসম বার্তা

দ্বিতীয় বছৰ ● সংখ্যা- ৫৪ ● বুধবাৰ ● ৪ নৱেম্বৰ, ২০২৬ চন ● Volume/Year- II ● Issue- 54 ● Wednesday ● 4th November, 2026 ● Asom Barta, Majuli ● PRGI Reg. No.- ASASS/25/A2361 ● Price- Rs. 10 ● Total Page-8

বিশেষজ্ঞ কাউঞ্চেলিঙৰ বাবে ১৫-২০ দিন সময়ৰ প্ৰয়োজন - ডাঃ হিতেশ বৰুৱা

উন্নত চিকিৎসাৰ বাবে মুম্বাইলৈ প্ৰেৰণ কৰা হ'ব গৰিমা শইকীয়া গার্গক



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩ নৱেম্বৰ ঃ প্ৰাণৰ শিল্পী জুবিন গার্গৰ বিয়োগৰ পিছত মানসিকভাৱে ভাগি পৰা গৰিমা শইকীয়া গার্গক উন্নত চিকিৎসা আৰু বিশেষজ্ঞ কাউঞ্চেলিঙৰ বাবে মুম্বাইলৈ লৈ যোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে চিকিৎসকৰ দলে। মঙলবাৰে গুৱাহাটীৰ নেমকেয়াৰ হাস্পিতালত আয়োজিত এক জৰুৰী সংবাদমেলত এই সিদ্ধান্তৰ কথা সদৰি কৰে বিশিষ্ট চিকিৎসক ডাঃ হিতেশ বৰুৱাই। উল্লেখ্য যে, যোৱা শনিবাৰে অসম জাতীয় বিদ্যালয়ত অনুষ্ঠিত এক বিশেষ ❑ ৬ পৃষ্ঠাত

■ ৰাজ্যিক কেবিনেটত সিদ্ধান্ত; চৰাইদেউ-শিৱসাগৰৰ বান তদন্ত CBIক অর্পণ ■

বহুবিবাহ কৰিলে চাকৰিৰ পৰা হ'ব বর্খাস্ত

৫টা ৰ'পৰে' প্ৰকল্প, ডিফেন্স পার্ক আৰু ছেটেলাইট চিটী ৰুলক কেবিনেটৰ অনুমোদন



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩ নৱেম্বৰ ঃ দিহিঙৰ লোকসেৱা ভৱনত মঙলবাৰে সন্ধিয়া অনুষ্ঠিত অসম চৰকাৰৰ ৰাজ্যিক কেবিনেট বৈঠকত ৰাজ্যৰ প্ৰশাসনিক, আন্তঃগাঁথনি আৰু কৃষি খণ্ডৰ লগতে একাধিক গুৰুত্বপূৰ্ণ বিষয়ত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেবিনেট বৈঠকৰ অন্তত সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শর্মাই এই সিদ্ধান্তসমূহৰ বিষয়ে সদৰি কৰে। কেবিনেটৰ অন্যতম গুৰুত্বপূৰ্ণ সিদ্ধান্ত অনুসৰি, এতিয়াৰে পৰা অসম চৰকাৰৰ কোনো কর্মচাৰীয়ে বহুবিবাহ কৰিলে তেওঁক চাকৰিৰ পৰা নিলম্বন কৰা নহ'ব, বৰং চাকৰিৰ পৰা বর্খাস্ত কৰা হ'ব। এনে কর্মচাৰীয়ে ভবিষ্যতে চৰকাৰী চাকৰিৰ বাবে আবেদন কৰাবো কোনো অধিকাৰ নাথাকিব। মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে যে অসমত উমৈহতীয়া দেৱানী বিধি (UCC) কার্যকৰী হ'লে এই আইন বাজাৰ সকলো ❑ ৬ পৃষ্ঠাত

শদিয়াত ধুমুহাত প্ৰাণ গ'ল এজনৰ

২০ৰো অধিক গাঁৱত ব্যাপক ক্ষতিসাধন



অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৩ নৱেম্বৰ ঃ প্ৰকৃতিৰ ৰুদ্ৰকপাত নিশাটোৱে ভিতৰতে বিধ্বস্ত হৈ পৰিল শদিয়াৰ বিস্তীর্ণ অঞ্চল। যোৱা ১নৱেম্বৰৰ নিশা প্ৰায় ১ বজাত অহা এজাক প্ৰচণ্ড ধুমুহা আৰু শিলাবৃষ্টিয়ে শদিয়া সমঃ-জিলাত ব্যাপক ধ্বংসলীলা চলায়। ধুমুহাত প্ৰকাণ্ড গছ বাগৰি পৰি এজন লোকৰ মৃত্যু হোৱাৰ লগতে সদৰ চপাখোৱা চৰবকে ধৰি ২০ৰো অধিক গাঁৱত ঘৰ-দুৱাৰ, চৰকাৰী কার্যালয়, বিদ্যুৎ ব্যৱস্থা আৰু যাতায়াতৰ আন্তঃগাঁথনিৰ বিস্তৰ ❑ ৬ পৃষ্ঠাত

ইণ্ডিয়া ব্লকৰ প্ৰতীকী সদনক লৈ মুখ্যমন্ত্ৰীৰ প্ৰতিক্ৰিয়া

প্ৰতীকী সদনতহে ৰাহুল প্ৰধানমন্ত্ৰী, প্ৰকৃত সদনত মোদী ঃ হিমন্ত বিশ্ব শর্মা



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৩ নৱেম্বৰ ঃ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শর্মাই কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ সদ্দর্ভত পুনৰ তীব্ৰ সমালোচনা কৰিছে।

শেহতীয়াকৈ ইণ্ডিয়াব্লকে আয়োজন কৰা প্ৰতীকী সদনৰ প্ৰসংগত মঙলবাৰে তেওঁ মন্তব্য কৰে যে ৰাহুল গান্ধীয়ে কেবল বিৰোধীয়ে আয়োজন কৰা প্ৰতীকী সদনতহে প্ৰধানমন্ত্ৰী হিচাপে পৰিগণিত হ'ব পাৰে; প্ৰকৃত সংসদৰ প্ৰধানমন্ত্ৰী হৈ আছে নৰেন্দ্ৰ মোদী। উল্লেখ্য যে, ৩১ অক্টোৰৰত দেশৰ মুখ্য নির্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে ইণ্ডিয়া ব্লকে প্ৰতীকী সদন আয়োজন কৰি প্ৰতীকী বাজহুৱা অভিযোগনামা কার্যসূচী ৰূপায়ণ কৰিছিল। এই ঘটনাক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শর্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। সাংবাদিকৰ আগত তেওঁ কয়, "ৰাহুল গান্ধীক প্ৰধানমন্ত্ৰী পাতিবলৈ ছোনিয়া গান্ধীৰ মন আছে। সেয়ে ৰাহুলক প্ৰধানমন্ত্ৰী কৰাবলৈ বহু ধন খৰচ কৰা হৈছে আৰু বহু কষ্ট কৰা হৈছে। কিন্তু ৰাহুল ❑ ৬ পৃষ্ঠাত

ছিয়াং প্ৰকল্পৰ উত্তেজনাক লৈ ৰাষ্ট্ৰপতি দ্ৰোপদী মুর্মুৰ হস্তক্ষেপ বিচাৰি পত্ৰ লিখিলে সোণম ৰাংচুকে



অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ৩ নৱেম্বৰ ঃ লাডাখৰ বিখ্যাত উদ্ভাৱক তথা জলবায়ু কর্মী সোণম ৰাংচুকে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুর্মুলৈ পত্ৰ লিখি প্ৰস্তাবিত ১১, ২০০ মেগাৱাট শক্তিৰ ছিয়াং উচ্চ বহুমুখী প্ৰকল্প (SUMP)ক লৈ অৰুণাচল প্ৰদেশৰ ছিয়াং উপত্যকাত ক্ৰমবর্ধমান উত্তেজনা দূৰ কৰিবলৈ তেওঁৰ জৰুৰী হস্তক্ষেপ বিচাৰিছে। ৰাংচুকে তেওঁৰ পত্ৰখনত চলি থকা প্ৰকল্প বিৰোধী প্ৰতিবাদৰ ❑ ৬ পৃষ্ঠাত

মঙলবাৰে আদালতত হাজিৰ; তদন্তত ডিমাপুৰৰ পৰা অস্ত্ৰ-গুলী ক্ৰয়ৰ তথ্য উন্মোচন

ঘনকান্ত গগৈক ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩ নৱেম্বৰ ঃ গুৱাহাটী মহানগৰীৰ বহা ছাৰ্ভিচ অঞ্চলত অবস্থিত হোটেল বিলাস ইনত সংঘটিত হত্যাকাণ্ডৰ অভিযুক্ত ঘনকান্ত গগৈক মঙলবাৰে আদালতে ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। আৰক্ষীৰ জিম্মাৰ মাদ সমাপ্ত হোৱাত তেওঁক গুৱাহাটীৰ চিফ জুডিছিয়েল মেজিষ্ট্ৰেট আদালতত হাজিৰ কৰোৱা হৈছিল। শুনানিৰ অন্তত আদালতে অভিযুক্তক ন্যায়িক জিম্মাত ৰখাৰ নির্দেশ দিয়ে। উল্লেখ্য, ২৬ অক্টোবৰৰ নিশা হোটেল বিলাস ইনত গুলীচালনাৰ ঘটনা সংঘটিত হৈছিল। ❑ ৬ পৃষ্ঠাত

■ ৩২টা সমষ্টিত ভোটগ্ৰহণ; ৩ নৱেম্বৰত অধিসূচনা জাৰি ■

৩০ নৱেম্বৰত সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নির্বাচন



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩ নৱেম্বৰ ঃ অসম ৰাজ্যিক নির্বাচন আয়োগে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ ২০২৬ বর্ষৰ সাধাৰণ নির্বাচনৰ দিন ঘোষণা কৰিছে। আয়োগৰ সময়সূচী অনুসৰি পৰিষদখনৰ ৩২টা সমষ্টিত অহা ৩০ নৱেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। নির্বাচনী সময়সূচী অনুসৰি ৩ নৱেম্বৰত নির্বাচনৰ অধিসূচনা জাৰি কৰা হৈছে। মনোনয়ন-পত্ৰ দাখিলৰ অন্তিম দিন ১০ নৱেম্বৰ ধার্য কৰা হৈছে। ১২ নৱেম্বৰত মনোনয়ন-পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু বৈধভাবে মনোনীত প্ৰার্থীসকলৰ তালিকা প্ৰকাশ কৰা হ'ব। প্ৰার্থিত্ব প্ৰত্যাহাৰৰ অন্তিম দিন ১৬ নৱেম্বৰ আৰু সেইদিনাই প্ৰতিদ্বন্দ্বিতা কৰা প্ৰার্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ৩০ নৱেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব; প্ৰয়োজন সাপেক্ষে ৰ দ্বিচেম্বৰত পুনৰ ভোটগ্ৰহণ কৰা হ'ব। ❑ ৬ পৃষ্ঠাত

দীপাৱলীত আটচবাজী বিক্ৰীক লৈ উচ্চতম ন্যায়ালয়ৰ কঠোৰ নির্দেশ

দিল্লীত কেৱল পৰিৱেশ অনুকূল আটচবাজী বিক্ৰীৰ নির্দেশ



নেশ্যনেল ডেস্ক, অসম বার্তা, ৩ নৱেম্বৰ ঃ আগন্তুক দীপাৱলীৰ প্ৰতি লক্ষ্য ৰাখি ৰাজধানী চৰৰ দিল্লীত আটচবাজীৰ বিক্ৰী আৰু ব্যৱহাৰক লৈ দেশৰ উচ্চতম ন্যায়ালয়ে গুৰুতৰ উদ্বেগ প্ৰকাশ কৰিছে। বায়ু প্ৰদূষণৰ ভয়াবহ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি দিল্লী চৰকাৰক আটচবাজীৰ বিক্ৰীৰ ওপৰত কঠোৰ নিৰীক্ষণ ৰখাৰ লগতে কেৱল পৰিৱেশ অনুকূল (Green) আটচবাজী বিক্ৰী কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ নির্দেশ দিছে শীর্ষ আদালতে। জানিব পৰা মতে, দিল্লীৰ বায়ু প্ৰদূষণৰ সদ্দর্ভত দাখিল কৰা এখন ৰাজহুৱা স্বার্থজনিত আবেদনৰ (PIL) শুনানি গ্ৰহণ কৰি ন্যায়াধীশ এম এম সুন্দৰেশৰ নেতৃত্বাধীন পীঠে এই গুৰুত্বপূৰ্ণ নির্দেশনা জাৰি কৰে। ন্যায়ালয়ে স্পষ্ট নির্দেশ দি কয় যে, চৰকাৰে জাৰি কৰা নীতি-নির্দেশনা অমান্য কৰি যিসকলে ❑ ৬ পৃষ্ঠাত

ৰাজ্যত ভেজাল খাদ্যৰ মহাসংকট! পনীৰৰ নামত ৰৰবিহ

গুৱাহাটি, যোৰহাট, তিনিচুকীয়াত ভেজাল সামগ্ৰীৰ বিৰুদ্ধে খাদ্য সুৰক্ষা বিভাগৰ অভিযান



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৩ নৱেম্বৰ ঃ ৰাজ্যত ভেজাল খাদ্যসামগ্ৰীৰ মাত্ৰা উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। ইতিমধ্যে গুৱাহাটী, যোৰহাট আৰু তিনিচুকীয়াকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভেজাল খাদ্য সামগ্ৰীৰ বিৰুদ্ধে খাদ্য সুৰক্ষা বিভাগে কঠোৰ অভিযান আৰম্ভ কৰিছে। এই অভিযানৰ সময়ত পোহৰলৈ অহা তথ্যই ৰাজ্যবাসীক স্তম্ভিত কৰি তুলিছে। জনসাধাৰণে পনীৰৰ নামত প্ৰকৃততে ৰৰবিহ (wood powder) খাই থকাৰ দৰে ❑ ৬ পৃষ্ঠাত

১৫খন জিলাত সতর্কতা, প্ৰায় ৩০ হাজাৰ হেক্টৰ শস্য নষ্ট

অন্ধ্ৰপ্ৰদেশত ঘূৰ্ণী বতাহ 'মুৰাছু'ৰ তাণ্ডৰ



নেশ্যনেল ডেস্ক, ৩ নৱেম্বৰ ঃ সাগৰীয় ঘূৰ্ণী বতাহ 'মুৰাছু'ই অন্ধ্ৰপ্ৰদেশৰ উপকূলীয় অঞ্চলত ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। এই ঘূৰ্ণী বতাহৰ প্ৰভাবত বাজাখনৰ ১৫খন জিলাত প্ৰচণ্ড বৰষুণ হৈছে আৰু ঠাইে ঠাইে বান পৰিস্থিতিৰ সৃষ্টি হৈছে। চৰকাৰী সূত্ৰৰ তথ্য অনুসৰি, ইতিমধ্যে প্ৰায় ৩০, ০০০ হেক্টৰ কৃষিভূমিৰ শস্য নষ্ট হৈছে। জানিব পৰা মতে, কৃষক, বাগাতলী আৰু নন্দালায়ত বিশেষভাবে বিস্তৰ ক্ষতি হৈছে। ধান, কপাহ আৰু মাকৈ খেতি ব্যাপক হাৰত নষ্ট হোৱা বুলি চৰকাৰী বিবৃতি এজনে পিটিআইক জনাইছে। ক্ষতিগ্ৰস্ত ১৫খন জিলাৰ ১৩২টা মণ্ডলত প্ৰায় ১০, ৮০৫ জন লোকক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰি আশ্ৰয় শিবিৰত ৰখা হৈছে। চৰকাৰে এতিয়ালৈকে প্ৰায় ১৭১টা আশ্ৰয় শিবিৰ স্থাপন কৰিছে। উদ্ধাৰ আৰু সাহায্যৰ বাবে এনডিআৰএফ আৰু এছডিআৰএফৰ ১৩টাকৈ দল মোতায়েন কৰা হৈছে। ১৩খন জিলাত ৩৬২খন এম্বুলেঞ্চ সাজু কৰাৰ লগতে ৭২৫টা চিকিৎসকৰ দল প্ৰস্তুত ৰখা হৈছে। ভাৰতীয় বতৰ বিজ্ঞান কেন্দ্ৰই জনোৱা অনুসৰি, ঘূৰ্ণী বতাহ 'মুৰাছু' বর্তমান অন্ধ্ৰপ্ৰদেশৰ দক্ষিণ উপকূলীয় অঞ্চলৰ ওংগোলৰ পৰা প্ৰায় ৫০ কিলোমিটাৰ উত্তৰত অবস্থান কৰিছে। বতাহৰ গতি ঘণ্টাত ৮৫ৰ পৰা ৯৫ কিলোমিটাৰ, আৰু কিছুমান সময়ত ই ১০৫ কিলোমিটাৰ পর্যন্ত হ'ব পাৰে। অহা ১২ ঘণ্টাত দক্ষিণ উপকূলীয় অঞ্চলপ্ৰদেশত ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। 'মুৰাছু' উত্তৰ-পশ্চিম দিশলৈ ক্ৰমান্বয়ে আগবাঢ়ি গৈছে; সেয়ে মঙলবাৰে অন্ধ্ৰপ্ৰদেশ, য়ানাম আৰু তেলেংগানাত ❑ ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰীৰ নির্দেশত ১০ কোটিৰ অধিক ব্যয়ৰ লোকনির্মাণ প্ৰকল্পসমূহৰ বিস্তৃত পর্যালোচনা

জ্যোতি-বিষ্ণু আন্তর্জাতিক কলা মন্দিৰত অনুষ্ঠিত দুখন সুকীয়া বৈঠক

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩ নৱেম্বৰ ঃ ৰাজ্যৰ আন্তঃগাঁথনি বিকাশক গতিশীল কৰাৰ লক্ষ্যৰে আজি গুৱাহাটীৰ খানাপাৰাস্থিত জ্যোতি-বিষ্ণু আন্তর্জাতিক কলা মন্দিৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত দুখন সুকীয়া বৈঠকত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শর্মাই লোকনির্মাণ (স্বাস্থ্য আৰু শিক্ষা) আৰু লোকনির্মাণ (গৃহ) বিভাগৰ অধীনত ১০ কোটি টকাতকৈ অধিক ব্যয়সাপেক্ষ প্ৰকল্পসমূহৰ বিস্তৃত পর্যালোচনা কৰে। লোকনির্মাণ ❑ ৬ পৃষ্ঠাত

ডিচেম্বৰত বিজেপিৰ নবনির্বাচিত বিধায়কৰ বিশেষ প্ৰশিক্ষণ

ক'ৰ কমিটী বৈঠকত পৰিষদীয় আৰু পৌৰ নির্বাচনৰ প্ৰস্তুতি আলোচনা

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩ নৱেম্বৰ ঃ বিজেপিৰ নবনির্বাচিত বিধায়কসকলৰ বাবে ডিচেম্বৰ মাহত বিশেষ প্ৰশিক্ষণ কার্যসূচী অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় সভাপতি নীতিন নবীনৰ উপস্থিতিত এই প্ৰশিক্ষণ কার্যসূচী অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শর্মাই জানিবলৈ দিয়ে। বাজপেয়ী ভবনত অনুষ্ঠিত বিজেপিৰ ক'ৰ কমিটিৰ বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে এই তথ্য সদৰি কৰে। জানিব পৰা মতে, ক'ৰ কমিটীৰ এই বৈঠকত মূলত ৰাজ্যৰ পৰিষদীয় নির্বাচনৰ লগতে নিগম-নিকায় আৰু গুৱাহাটী পৌৰ নিগমৰ নির্বাচনৰ প্ৰস্তুতি সদ্দর্ভত আলোচনা হয়। মুখ্যমন্ত্ৰী ডঃ শর্মাই মন্তব্য কৰে যে ২০২৭ চনৰ মার্চ মাহত নিগম-নিকায়ৰ নির্বাচন ❑ ৬ পৃষ্ঠাত

■ স্বাস্থ্যবান সমাজ গঢ়ি তোলাত চিকিৎসকসকলৰ অগ্ৰণী ভূমিকা থাকিব লাগিব ঃ অশোক সিংহল ■

৮০ বছৰ অতিক্ৰম কৰিলে অসম চিকিৎসা মহাবিদ্যালয়ে



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৩ নৱেম্বৰ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ চিকিৎসা ক্ষেত্ৰৰ প্ৰাণকেন্দ্ৰস্বৰূপ অসম চিকিৎসা মহাবিদ্যালয়ে গৌৰৱোজ্জ্বল ৮০টা বর্ষ অতিক্ৰম কৰিছে। ১৯৪৬ চনৰ ৩ নৱেম্বৰত প্ৰতিষ্ঠা হোৱা অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত মঙলবাৰে দিনজোৰা কার্যসূচীৰে প্ৰতিষ্ঠা দিবস উদযাপন কৰা হয়। এই উপলক্ষে মহাবিদ্যালয়ৰঙন বেৰী হোৱাইট প্ৰেক্ষাগৃহত অনুষ্ঠিত মুকলি সভাত অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিষাল কল্যাণ মন্ত্ৰী অশোক সিংহলে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। প্ৰতিষ্ঠা দিবসত অনুষ্ঠান ❑ ৬ পৃষ্ঠাত

বিজেপি অসম প্ৰদেশৰ প্ৰশিক্ষণ বিভাগৰ ৰাজ্যিক সমিতি পুনর্গঠন

২৫ জনীয়া নতুন সমিতি ঘোষণা; সংযোগকর্তা হিচাপে ব্ৰজ কুমাৰ দাস নিযুক্ত

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩ নৱেম্বৰ ঃ বিজেপি অসম প্ৰদেশৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই দলটোৰ 'প্ৰশিক্ষণ বিভাগ'ৰ ৰাজ্যিক সমিতি পুনর্গঠন কৰিছে। এই সদ্দর্ভত ৩ নৱেম্বৰ, ২০২৬ তাৰিখে এখন আনুষ্ঠানিক আদেশ জাৰি কৰা হৈছে। নতুনকৈ গঠন কৰা এই ৰাজ্যিক সমিতিখনত মুঠ ২৫জন সদস্যক অন্তর্ভুক্ত কৰা হৈছে। বিজেপি অসম প্ৰদেশৰ ৰাজ্যিক সাধাৰণ সম্পাদক অৰ্পণ বৰ্মনে জাৰি কৰা এই আদেশ অনুসৰি, নতুন সমিতিৰ সংযোগকর্তা (Convenor) ❑ ৬ পৃষ্ঠাত



ৰাস উদ্‌যাপন সমিতিৰে মাজুলী জিলা প্ৰশাসনৰ গুৰুত্বপূৰ্ণ সভা

ৰাসোৎসৰ উপলক্ষে ২৫ নৱেম্বৰত মাজুলীত স্থানীয় বন্ধ ঘোষণা

ৰাস উদ্‌যাপনৰ অনুমতিৰ বাবে নালাগে মাচুল

অসম বার্তা, উজনী মাজুলী, ৩ নৱেম্বৰ ঃ আগন্তুক ২৩ নৱেম্বৰৰ পৰা অনুষ্ঠিত হ'বলগীয়া ৰাসোৎসৰক লৈ সত্ৰনগৰী মাজুলীত ব্যাপক প্ৰস্তুতি অব্যাহত থকাৰ মাজতে আজি মাজুলী জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে ৰাস উদযাপন সমিতিসমূহৰ সৈতে এখন গুৰুত্বপূৰ্ণ সভাত মিলিত হয়। মাজুলীৰ প্ৰায় ৬৫খন ৰাস মঞ্চৰ উদযাপন সমিতিৰ প্ৰতিনিধিৰ উপস্থিতিত জিলা আয়ুক্তৰ সভাকক্ষত আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত আগন্তুক ৰাসোৎসৰ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বিভিন্ন দিশ ❑ ৬ পৃষ্ঠাত



গোলাঘাট জিলা সাহিত্য সভাৰ নৱনির্মিত ভৱন উদ্বোধন

আকাশ উপসমিতিৰ উদ্যোগত মহিলাৰ কবিতা পাঠ, এক মিনিটৰ গল্প পাঠ আৰু স্মৃতিগ্ৰন্থ 'তলসৰা শেৱালিৰ সুবাস' উন্মোচন

অসম বাৰ্তা, নুমলীগড়, ৩ নৱেম্বৰ ঃ গোলাঘাট জিলা সাহিত্য সভাৰ দীৰ্ঘদিনীয়া প্ৰচেষ্টা আৰু একাগ্ৰতাৰ ফলস্বৰূপে জিলাখনৰ সাহিত্য-সংস্কৃতিৰ চৰ্চা আৰু বিকাশৰ ক্ষেত্ৰত জিলা সাহিত্য সভাৰ, সাহিত্যাচাৰ্য চয়াল আব্দুল মালিক ভৱনত এক নতুন সংযোজনেৰে নতুন আধুনিক সুযোগ সুবিধা সম্বলিত এটি নৱনির্মিত ভৱন, আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। জিলা সাহিত্য সভাৰ উদ্যোগত আকাশ উপসমিতিৰ সহযোগত ১ নৱেম্বৰ তাৰিখে সাহিত্যাচাৰ্য চয়াল আব্দুল মালিক ভৱনৰ নৱনির্মিত কক্ষত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হয় এক বিশেষ সাহিত্য-সাংস্কৃতিক অনুষ্ঠান। অনুষ্ঠানত নাম-প্ৰসংগ, মহিলাৰ স্বৰচিত কবিতা পাঠ, এক মিনিটৰ গল্প পাঠ, আমন্ত্ৰিত কবি সম্মিলন আৰু সমাজকৰ্মী তথা জিলা সাহিত্য সভাৰ আজীবন সভ্য প্ৰয়াত লক্ষিপ্ৰভা ৰৱৰৱুৱাৰ সোঁৱৰণত প্ৰকাশিত স্মৃতিগ্ৰন্থ 'তলসৰা শেৱালিৰ সুবাস' উন্মোচন কৰা হয়। আকাশ উপসমিতিৰ উদ্যোগত আয়োজিত আমন্ত্ৰিত কবি সম্মিলনলৈ জিলাখনৰ বিভিন্ন শাখাৰ কবিসকলে অংশগ্ৰহণ কৰে। কবিতাৰ জৰিয়তে সমাজ, জীবন, প্ৰকৃতি, মানৱীয় অনুভূতি আৰু সমকালীন চিন্তা-চেতনাৰ বিভিন্ন দিশ প্ৰতিফলিত হয়। মহিলাসকলৰ সাহিত্য চৰ্চাক উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকাশৰ ক্ষেত্ৰত এই অনুষ্ঠানটোৰে এক ইতিবাচক পৰিৱেশ সৃষ্টি কৰে। আকাশ উপসমিতিৰ সভানেত্ৰী ৰীণা কটকী আৰু আহ্বায়িকা দৰবী ৰ্ৱকাৰীয়ে জানিবলৈ দিয়া মতে, পুৰাৰ ভাগত নাম-প্ৰসংগৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পিছতে কাজিঘাঙ লোকসভা সমষ্টিৰ সাংসদ কাম্যাখ্যা প্ৰসাদ তাঁহতীৰ গোলাঘাট জিলা সাহিত্য সভাৰ নৱনির্মিত কাৰ্যালয় ভৱনটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। নুমলীগড় শোধনাগাৰ লিমিটেডৰ সামাজিক উন্নয়ন আঁচনিৰ অধীনত নিৰ্মাণ কৰা এই কাৰ্যালয় ভৱনৰ লগতে গণবন্ধু হেমেন চন্দ্ৰ হাজৰিকাৰ স্মৃতিত উৎসৰ্গিত পুথিভঁৰাল আৰু সভাগৃহ ই জিলাখনৰ সাহিত্যপ্ৰেমীসকলৰ বাবে এক নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব বুলি আশা প্ৰকাশ কৰা হয়। উল্লেখযোগ্য যে গোলাঘাট জিলা সাহিত্য সভাৰ সাংগঠনিক ভেটি আৰু শক্তিশালী কৰাৰ লগতে ভবিষ্যতৰ সাহিত্যিক আৰু সৃষ্টিশীল প্ৰতিভা গঢ়ি তোলাত সহায় কৰিব। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল সুদৰ মঞ্চ হিচাপে পৰিগণিত হয়। অনুষ্ঠানত নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ বনিতা নেওগ আৰু তহমিদা আহমেদ, নুমলীগড় ভাষতী শাখা সাহিত্য সভাৰ দীপ্তি গগৈ ৰৱা আৰু পাণ্ডৰি দত্ত, কালিয়নী শাখাৰ কৰবী গগৈ, কমাৰগাঁও আঞ্চলিক সাহিত্য সভাৰ ৰূপা ৰৱা, দৈয়োং শাখাৰ কবিতা দুৱৰা, ৰৱণথাং শাখাৰ অকলীমা দেবী, গোলাঘাট জিলা শাখাৰ কল্পনা হাতীৰৱৰা, ভাৰতী ৰৱকাৰ, সন্ধ্যা খাউনিয়াৰ, সাবিত্ৰী তামোলী ৰৱকাৰ আৰু আঞ্জলি বাইলুং, ৰজাবাৰী আকৃৰৱ শাখাৰ ৰঙিলী লহিং আৰু জয়া বড়ি, পুৰ ঘিলাধাৰী শাখাৰ দেৰজ্যোতি হাজৰিকা তথা ৰৱপথাৰ দৈয়াংপৰীয়া শাখাৰ দীপালী শৰ্মহি অংশগ্ৰহণ কৰে। নুমলীগড় ভাষতী শাখা সাহিত্য সভাৰ সম্পাদিকা পাণ্ডৰি দত্তই এটি ভূপেন্দ্ৰ সংগীত পৰিবেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। তেওঁৰ ৰৱিতা, নুমলীগড় অনুষ্ঠানটিত এক বিশেষ মাত্ৰা প্ৰদান কৰাৰ লগতে প্ৰশংসা বুটলিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে গোলাঘাট জিলা সাহিত্য সভাৰ নৱনির্মিত কাৰ্যালয় ভৱনটোৱাস্তৱ ৰূপ দিয়াৰ আঁৰত আছে দীৰ্ঘদিনীয়া নীৰৱচ্ছিন্ন প্ৰচেষ্টা, একাগ্ৰতা আৰু সংশ্লিষ্ট ব্যক্তিসকলৰ সহযোগিতা। নতুন কাৰ্যালয় ভৱনটোৰে আগন্তুক দিনত জিলাখনৰ সাহিত্য চৰ্চা, প্ৰসাৰ আৰু বিকাশৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি সাহিত্যপ্ৰেমীসকলে আশা পোষণ কৰিছে।

প্ৰতীক বন্মেত সভাপতি, গীতাঞ্জলি থাপা সাধাৰণ সম্পাদিকা হিচাপে নিৰ্বাচিত; ২১ জনীয়া সমিতি গঠন

তামোলপুৰ ডিগ্ৰী কলেজত প্ৰথমবাৰৰ বাবে গোৰ্খা ছাত্ৰ সন্থাৰ কলেজ গোট গঠন



অসম বাৰ্তা, গোৱেশ্বৰ, ৩ নৱেম্বৰ ঃ অসমৰ গোৰ্খা জনগোষ্ঠীৰ ছাত্ৰ সমাজৰ একমাত্ৰ উমৈহতীয়া মঞ্চ সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা চমুকৈ আগছুৱনিক ভেটি অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে আজি তামোলপুৰ জিলাৰ ৰৱখোপাতিত তামোলপুৰ ডিগ্ৰী কলেজত প্ৰথমবাৰৰ বাবে সংগঠনটোৰ কলেজ গোট গঠন কৰা হয়। জানিব পৰা মতে, সংগঠনটোৰ দীৰ্ঘদিনীয়া প্ৰচেষ্টা আৰু কলেজখনত অধ্যয়নৰত গোৰ্খা ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ তথা সহযোগিতাৰ ফলস্বৰূপে আজি কলেজৰ সভাকক্ষত তামোলপুৰ জিলা সমিতিৰ অধীনস্থ তামোলপুৰ সদৰ আঞ্চলিক সমিতিৰ সভাপতি নাৰায়ণ ছেত্ৰীৰ সভাপতিত্বত অনুষ্ঠিত এখন সাধাৰণ সভাত প্ৰতীক ৰংমেতক সভাপতি আৰু গীতাঞ্জলি থাপাক সাধাৰণ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি মুঠ ২১ জনীয়া কলেজ গোটটো গঠন কৰা হয়। উক্ত সভাত সংগঠনটোৰ তামোলপুৰ জিলা সমিতি সভাপতি টিকে ভট্টবাই আৰু সাধাৰণ সম্পাদক বিপ্লৱ চিমৰীয়া, তামোলপুৰ সদৰ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদিকা ৰোমা দেবী আৰু সম্পাদক দ্বন্দন বন্মেতৰ লগতে জিলা আৰু আঞ্চলিক পৰ্যায়ৰ কেইবাগৰাকীও বিষয়বস্তীয়া তথা সংগঠনৰ কমী উপস্থিত থাকে। সভাত উপস্থিত সংগঠনৰ নেতৃবৃন্দই কলেজখনত প্ৰথমবাৰৰ বাবে গঠিত গোৰ্খা ছাত্ৰ সন্থাৰ কলেজ গোটটোক অভিনন্দন জ্ঞাপন কৰিবলগতিত সমিতিখনৰ সফল কাৰ্যকলাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। তেওঁলোকে নবগঠিত কলেজ গোটটোৰে তামোলপুৰ ডিগ্ৰী কলেজতু অধ্যয়নৰত গোৰ্খা জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলক একত্ৰিত কৰি তেওঁলোকৰ মাজত ভাতৃত্ববোধ, ঐক্য আৰু সাংগঠনিক শৃংখলা গঢ়ি তোলাৰ লগতে তেওঁৰ গুণ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে। একেদৰে জনগোষ্ঠীটোৰ ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সংৰক্ষণ তথা চৰ্চাৰ প্ৰসাৰ, ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক আৰু সামাজিক সমস্যাসমূহ উত্থাপন, ন্যায্য অধিকাৰ আৰু জাতীয় স্বাৰ্থৰ হকে গণতান্ত্ৰিকভাৱে মাত মাতিবলৈ কলেজ গোটটোৰে এক উমৈহতীয়া মঞ্চ হিচাপে কাম কৰিব বুলিও আশা ব্যক্ত কৰে। উল্লেখ্য যে, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ তামোলপুৰ জিলা সমিতি আৰু তামোলপুৰ সদৰ আঞ্চলিক সমিতিৰ নিৰন্তৰ প্ৰচেষ্টাৰ ফলত তামোলপুৰ ডিগ্ৰী কলেজত প্ৰথমবাৰৰবাবে কলেজ গোটগঠন হোৱাটো জিলাখনত সংগঠনটোৰ সাংগঠনিক সম্প্ৰসাৰণৰ ক্ষেত্ৰত এক উল্লেখযোগ্য পদক্ষেপ হিচাপে বিবেচিত হৈছে।

পিতৃ-মাতৃৰ স্মৃতিত মাজুলী মহাবিদ্যালয়লৈ দান দিলে ত্ৰিশ হাজাৰ টকা

আউনীআটী সত্ৰৰ মজিন্দাৰ খগেন্দ্ৰ নাথ লেখাৰুৰ বদান্যতা

অসম বাৰ্তা, মাজুলী, উজনি মাজুলী, ৩ নৱেম্বৰ ঃ ঐতিহ্যমণ্ডিত আউনীআটী সত্ৰৰ মজিন্দাৰ, বিশিষ্ট শিল্পী পেঙ্গনাৰ খগেন্দ্ৰ নাথ লেখাৰুৰে নিজৰ শৈক্ষিক পেঙ্গনৰ টকাৰ পৰা নগাদ ত্ৰিশ হাজাৰ টকা মাজুলী মহাবিদ্যালয়লৈ পিতৃ-মাতৃ ক্ৰমে মহেন্দ্ৰ নাথ লেখাৰু গাঁওবুঢ়া আৰু ফুলেশ্বৰী লেখাৰুৰ পৰিত্ৰ স্মৃতিত গ্ৰন্থ তথা বুকলেট্ৰ ক্ৰয় কৰিবলৈ দান কৰি মহানুভৱতাৰ পৰিচয় দাঙি ধৰিছে। মাজুলীৰ প্ৰাচীনতম উচ্চ শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ে যোৱা দহটা বছৰে শিক্ষাৰ্থীৰ মনত পুথি অধ্যয়নৰ অভ্যাস গঢ় দিয়াৰ উদ্দেশ্যে সম্পন্ন কৰি অহা 'গ্ৰন্থদান মহান দান' শীৰ্ষক ব্যক্তিক্ৰমী কাৰ্যসূচীত অংশ গ্ৰহণ কৰি আজি বিশিষ্ট সত্ৰীয়া নৃত্য আৰু বাদ্য শিল্পী খগেন্দ্ৰ নাথ লেখাৰুৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড'দেৱজিৎ শইকীয়ালৰ হাতত উক্ত ধনৰাশি অৰ্পণ কৰে। উল্লেখ্য যে ২০১৬ চনৰ ৯ নৱেম্বৰত আৰম্ভ কৰা এই কাৰ্যসূচীত ভাগ লৈ বিভিন্ন প্ৰান্তৰ শুভাকাঙ্ক্ষীসকলে আগবঢ়োৱা গ্ৰন্থৰ সংখ্যাইতিমধ্যে পইঁত্ৰিশ হাজাৰৰ সীমা অতিক্ৰম কৰাৰ সমান্তৰালতে বিভিন্নজনে নিজৰ আত্মীয়-কুটুম্বৰ স্মৃতিত দান দিয়া আলমিৰা, বুকচেলফ, মেজ আদিৰ সংখ্যাও লেখত ল'বলীয়া ধৰণেৰে বৃদ্ধি পাইছে। এনে ছাত্ৰছেত্ৰেষী কাৰ্যসূচীত আন্তৰিকতাৰে ভাগ ল'বলৈ প্ৰয়াস কৰি সত্ৰীয়া শিল্পী, আউনীআটী সত্ৰৰ জ্যেষ্ঠ বৈষ্ণৱ খগেন্দ্ৰ নাথ লেখাৰুৰে মহাবিদ্যালয় কৰ্তৃপক্ষক তেওঁৰ বহালৈ আমন্ত্ৰণ কৰে। সেই অনুসৰি আজি দিনৰ ১২ বজাত অধ্যক্ষ ড' দেৱজিৎ শইকীয়া, প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত ৰৱা, শিক্ষক গোটৰ সভাপতি ড' ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড' অনুপ কুমাৰ দলৈ, অধ্যাপক ইন্দিৰা ৰৱা, অপূর্ব্বজ্যোতি হাজৰিকা, ড' ৰূপজ্যোতি বৰা, প্ৰাক্তন শিক্ষার্থী সম্মিলনৰ সম্পাদক তুলসী বাজৱাৰা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৱেন চন্দ্ৰ ঠাকুৰীয়া, গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাস, কৰ্মচাৰী গোটৰ সভাপতি দেৱজিৎ ৰৱকা প্ৰমুখ মহাবিদ্যালয়ৰ এটি সঁজাতী দল আউনীআটী সত্ৰৰ পশ্চিম হাটীত অবস্থিত মজিন্দাৰৰ বহাত উপস্থিত হৈ দাতা খগেন্দ্ৰ নাথ লেখাৰুৰ পৰা ত্ৰিশ হাজাৰ টকাৰ চেক গ্ৰহণ কৰে আৰু দাতাগৰাকীয়ে প্ৰদৰ্শন কৰা মহানুভৱতাৰ বাবে কৃতজ্ঞতা জনোৱাৰ লগতে অনাগত মহানুভৱতাৰ শলাগ লয়। লেখাৰুৰে প্ৰদৰ্শন কৰা এই বদান্যতাৰ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা আউনীআটীয়ে সত্ৰাধিকাৰ ড' পীতাম্বৰ দেৱ গোস্বামী, বেঙেনাআটীয়ে সত্ৰাধিকাৰ ভবানন্দদেৱ গোস্বামী, ভোগপুৰ সত্ৰৰ অধিকাৰ দম্ভদেৱ গোস্বামী, প্ৰাক্তন শিক্ষার্থী সম্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, জিলা সাংবাদিক সম্থাৰ সভাপতি দিৰাকৰ শইকীয়া, সম্পাদক ডিম্বেশ্বৰ দত্ত, জিলা নাট্য সম্মিলনৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞা, ৰূপবৰৰ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু ৰৱা, 'আপকু'ৰ ৰাজিক উপ-সভাপতি জীবন বৰুৱা, জিলা কবি সম্মিলনৰ সভাপতি যুগল হাজৰিকা, জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা প্ৰমুখ বিশিষ্ট ব্যক্তিসকলে কৃতজ্ঞতা জ্ঞাপন কৰিছে।



মাজনিশা জেচিবিৰে ভাঙি পেলালে ঘৰ-ব্যৱসায়িক প্ৰতিষ্ঠান

অসম বাৰ্তা, মঙলদৈ, ৩ নৱেম্বৰ ঃ নিজৰ ক্ৰয় কৰা মাটিতেই নিৰাপত্তাহীনতাত ভুগিছে মঙলদৈৰ হলৌটোকাৰ অহকাৰ এটা পৰিয়াল। ভূমিকেন্দ্ৰিক বিবাদৰ লে মাজনিশা জেচিবিৰে এটা পৰিয়ালৰ বাসগৃহ আৰু ব্যবসায়িক প্ৰতিষ্ঠান ভাঙি পেলোৱাৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ অনুসৰি, প্ৰায় ২৮ বছৰ পূৰ্বে ইউচুফ আলীয়ে উক্ত ভূমিখিনি ক্ৰয় কৰি তত এটা বাসগৃহ আৰু গাড়ী ধোৱা কেন্দ্ৰ স্থাপন কৰিছিল। কিন্তু দীৰ্ঘদিন ধৰি আজিলুল হক আৰু ছায়েদুৰ ৰহমানৰ নামৰ দুজন ব্যক্তিয়ে তেওঁৰ ভূমিখিনি দখলৰ চেষ্টা চলাই আহিছিল বুলি ইউচুফ আলীয়ে অভিযোগ কৰে। বিভিন্ন সময়ত আন লোকক লগত লৈ দলবদ্ধভাবে ভূমিখিনিত উপদ্ৰৱ চলোৱাৰোপ অভিযোগ উত্থাপন কৰে তেওঁ। ইউচুফ আলীৰ অভিযোগ অনুসৰি, যোৱাদিনা প্ৰায় ১.৩০ বজাত আজিলুল হক আৰু ছায়েদুৰ ৰহমানৰ নেতৃত্বত অহা এটা দলে জেচিবি লৈ তেওঁৰ ব্যবসায়িক প্ৰতিষ্ঠানটো ভাঙি পেলায়। সেই সময়ত ইউচুফ আলী আৰু তেওঁৰ পত্নী ঘৰৰ ভিতৰত আছিল। তেওঁলোকে বাহিৰলৈ ওলাই আহত দলটোৰে চোকা অস্ত্ৰ দেখুৱাই ভাবুকি প্ৰদান কৰাৰ অভিযোগ উত্থাপন কৰে। ইয়াৰ পিছতে জেচিবিৰে বাসগৃহটোও ভাঙি লণ্ডভণ্ড কৰি পেলোৱা হয় বুলি তেওঁ প্ৰকাশ কৰে। ঘটনাৰ পিছতে ইউচুফ আলীয়ে নিশাই মঙলদৈ সদৰ থানাত এজাহাৰ দাখিল কৰে। ঘটনাস্থলীত মঙলদৈ আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। ঘটনাটোৱে অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

৫টাকৈ গো-ধনসহ দুজনক আটক

মুকালমুৰাৰ কাপলাবাড়ীত অবৈধ গো-ধন কাটি থকা অৱস্থাত অভিযান

অসম বাৰ্তা, ৰৱক্ষেত্ৰী, ৩ নৱেম্বৰ ঃ ৰৱক্ষেত্ৰীৰ কাপলাবাড়ীত আৰক্ষীয়ে এক বৃহৎ অভিযান চলায়। কাপলাবাড়ীৰ পৰা কালদি আদৰ্শ বিদ্যালয়লৈ যোৱা হিন্দু বসতি প্ৰধান মূল পথটোৰ কাষতে দীৰ্ঘদিন ধৰি অবৈধভাৱে চলি থকা গো-মাংসৰ দোকানৰ বিৰুদ্ধে এই অভিযান চলোৱা হয়। স্থানীয় লোকৰ অভিযোগ অনুসৰি, এই ব্যস্ত পথেৰে ৰৱক্ষেত্ৰীৰ কচুৰা পথাৰ, কালদি, নাৰুবাৰী আদি ভালেমান হিন্দু গাঁওলৈ মানুহ অহা-যোৱা কৰে। মূল পথৰ কাষতে এনেদেৰে গো-ধন কাটি বিক্ৰী কৰি থকা কাৰ্যই স্থানীয় হিন্দু লোকসকলৰ ধৰ্মীয় আবেগত আঘাত হানিছে বুলি জানিবলৈ দিয়ে বিভিন্ন হিন্দুত্ববাদী দল-সংগঠনে। উক্ত অভিযোগৰ ভিত্তিত নালবাৰী জিলা আৰক্ষী অধীক্ষকৰ নিৰ্দেশ মৰ্মে মুকালমুৰা আৰক্ষী থানা আৰু দৌলাশাল আৰক্ষী চকীৰ যুটীয়া দলে অভিযান চলায়। অভিযান কালত আৰক্ষীয়ে গো-ধন কাটি থকা অৱস্থাত দুজন লোকক হাতে-লোটে আটক কৰাৰ লগতে পাঁচটাকৈ গো-ধন জব্দ কৰে। আটকাধীন লোক দুজন হৈছে ২ নং কাপলাবাড়ী নিবাসী ইব্ৰাহিম আলীৰ পুত্ৰ চফিকুল ইছলাম (২৪), আৰু প্ৰয়াত হ বিবৰ ৰহমানৰ পুত্ৰ জুলহাছ আলী (৫৫) বুলি জানিব পৰা গৈছে। ঘটনাস্থলীত সনাতনী বীৰ হিন্দু সেনাৰ বাজিক শুৰু দায়িত্বত থকা আছে কাইড পাৰ্টক, আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ (ৰাজবং দল)ৰ মুকালমুৰা খণ্ডৰ সভাপতি দিগন্ত বৈশ্যৰ লগতে বহু সদস্য উপস্থিত হৈ অবৈধ গো-মাংস সৰবৰাহৰ বিৰুদ্ধে সজাগতামূলক মন্তব্য আগবঢ়ায়। সম্প্ৰতি, আৰক্ষীয়ে এই সম্পৰ্কত গোচৰ কঢ়ু কৰি তদন্ত অব্যাহত ৰাখিছে।

এলাহ, দুশ্চিন্তা আঁতৰাবলৈ লেখা-মেলাত আত্মনিয়োগ কৰা উচিত; কুৰিটা গল্পই পাঠকক দিব নতুনত্ব ঃ ড° ৰামচন্দ্ৰ ডেকা

চপাইত পুলিন ডেকাৰ গল্প সংকলন 'অনুভৱৰ ভগ্নাংশ' উন্মোচন ড° কমলাকান্ত বৰাৰ

অসম বাৰ্তা, মঙলদৈ, ৩ নৱেম্বৰ ঃ চপাই শাখা সাহিত্য সভাৰ উদ্যোগত স্থানীয় অনন্ত চন্দ্ৰ চৌধুৰী ভৱনত আজি গল্পকাৰ পুলিন ডেকাৰ ৰচিত আৰু যোৰহাট অকুৰুণ প্ৰকাশনৰ জ্ঞাৰা প্ৰকাশিত গল্প সংকলন 'অনুভৱৰ ভগ্নাংশ' উন্মোচন কৰা হয়। এই উপলক্ষে দিনৰ ২.৩০ বজাত গীতিকাৰ, সাহিত্যিক প্ৰভাত চৌধুৰীয়ে লেখক পুলিন ডেকাৰ স্বৰ্গত পিতৃ লীলাধৰ ডেকা আৰু মাতৃ নিৰ্মলী ডেকাৰ স্মৃতিত নৰ্মিত গ্ৰন্থলিন কৰাৰ পিছতে উপস্থিত সকলোৱে সমস্বৰে 'চি চেনেহী মোৰ ভাষা জননী' গীত টি পৰিবেশন কৰে। চপাই শাখা সাহিত্য সভাৰ সভাপতিনৰ কুমাৰ শৰ্মাৰ সভাপতিত্বত হোৱা এই গ্ৰন্থ উন্মোচনী সভাত শংকৰদেৱ শিশু বিদ্যা নিকেতন, মঙলদৈৰ আচাৰ্য্য দেবীকা নাথে আদৰণি ভাষণ প্ৰদান কৰে। চপাই সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা সাংবাদিক গণেশ দত্তই আঁত ধৰা এই সভাত মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড' কমলাকান্ত বৰাই ১৩০ পৃষ্ঠীয় ২০টা গল্পৰ সংকলন 'অনুভৱৰ ভগ্নাংশ' উন্মোচন কৰি কয় যে, নিজৰ মনৰ আবেগ অনুভূতিবোৰ লিখি গ'লেই সুখপাঠ্য সাহিত্যৰ সৃষ্টি হয়। নিজৰ ভাগৰ, দুশ্চিন্তা আঁতৰাবলৈ গ্ৰন্থ অধ্যয়ন আৰু লিখা মেলাৰ লগত জড়িত থকাটো উচিত বুলি উল্লেখ কৰি তেওঁ কয় যে, কাম নকৰা মানুহৰ ভাগ বেছি। কাম কৰা মানুহৰ ভাগৰ কমকৈ লাগে বুলি উল্লেখ কৰি তেওঁ কয়- 'আপুনি দৈনন্দিন কামৰ মাজতে যেতিয়াই সময় লাভ কৰে তেতিয়াই অধ্যয়ন আৰু লিখা মেলাত আত্মনিয়োগ কৰক, দেখিব আপোনাৰ কৰ্ম, চিন্তা ই উচিতাৰ্থক পৰিবৰ্তন আহিব।' তেওঁ বিভিন্ন উপমাৰে মাধ্যমত পাঠক, সৈটো ডাঙৰ কথানহয়; গুৰুত্বপূৰ্ণ কথাটো হৈছে আপোনাৰ সন্তানে যদি মাতৃ ভাষাত লিখিব - পঢ়িব নাজানে সেইটো হ'ব আটাইতকৈ দুৰ্ভাগ্যজনক কথা।' লেখক পুলিন ডেকাই চমু বক্তব্য প্ৰদান কৰা এই সভাত ছি পাঝাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড' ৰামচন্দ্ৰ ডেকাই গল্প সংকলন খনৰ গল্প কেইটাৰ পৰ্যালোচনা আগবঢ়াই কয়- 'পুলিন ডেকা ইজন লাইনচাত নোহোৱা এজন বলিষ্ঠ লেখক। তেওঁৰ গল্পত আছে গ্ৰাম্য চহা জীবনৰ পটভূমি। সেয়ে সংকলনখনৰ কুৰিটা গল্পই পাঠকক দিব নতুনত্ব।' শিল্পী ছীজেন্দ্ৰ মোহন দেৱ শৰ্মা আৰু শিশু শিল্পী গীতাৰ্থী ডেকাই গীত পৰিবেশন কৰা এই সভাত অতিথি সকলৰ নগাঁৱৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড' বিজয় কুমাৰ শৰ্মা, চপাই সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ক্ৰমে- প্ৰভাত চৌধুৰী, লক্ষ্মীকান্ত শৰ্মা, জ্যেষ্ঠ সাংবাদিক শংকৰ কাকতি, মঙলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ মিলিক কুমাৰ, শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ আচাৰ্য্যা অঞ্জু ডেকা, লাওজান জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক কোমল চন্দ্ৰ ডেকা, ৰামহৰি হাইস্কুলৰ প্ৰধান শিক্ষক দণ্ডধৰ ডেকা, 'কিতাপ কানন' গ্ৰন্থ বিপনীৰ স্বত্বাধিকাৰী শৈলেন চহৰীয়া, অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত সচিব হৰেন কাকতি, জলজলী সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক নিকুঞ্জ চহৰীয়া আদিয়ে ভাষণ প্ৰদান কৰে। সভাত সাহিত্য সেবী খগধৰ চহৰীয়া, শিক্ষক ইৰি প্ৰসাদ ডেকা, সমাজসেৱক হিৰেণ ডেকা, গোলোক বৰা, তিলক কলিতা, শান্তনু বৰঠাকুৰ, চপাই সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সূর্য্য কুমাৰ ডেকা, কৈলাস শৰ্মা, প্ৰাক্তন উপসভাপতি ৰঞ্জনী মোহন শৰ্মা, শিক্ষয়িত্ৰী হাচনাবাৰা বেগম, সাহিত্যসেৱী দীপ্তি চহৰীয়া, আৰণী বৰবা, চন্দ্ৰমা শৰ্মা, দীনেশ্বৰ শৰ্মা, ধীৰেন শৰ্মা, ভাৰত চন্দ্ৰ ডেকা, ইবিনাথ বাভা, লক্ষ্মীকান্ত ডেকা, বাণীকান্ত চহৰীয়া, শৰৎ চন্দ্ৰ শৰ্মা, জ্যেষ্ঠ সাংবাদিক মুকুট ৰাজ শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষক বাজেন ৰৱকাকে ধৰি শতাধিক লোক উপস্থিত থাকে।



পশ্চিমবংগৰ আৰক্ষীৰ বিৰুদ্ধে ট্ৰাক চালকক মাৰধৰৰ অভিযোগ

পাকৰিগুৰী নাকাত আৰক্ষী আৰু ট্ৰাক চালকৰ মাজত তীব্ৰ বাক্-বিতণ্ডা; সীমান্ত উত্তেজনা

অসম বাৰ্তা, গোসাঁইগাঁও, ৩ নৱেম্বৰ ঃ অসম-পশ্চিমবংগ সীমান্তৰ শিমুলটাপুত যোৱা নিশা পশ্চিমবংগ আৰক্ষীৰ বিৰুদ্ধে কেইবাগৰাকীও ট্ৰাক চালকক খান্দা আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী সংগ্ৰহ কৰাতো অসুবিধাৰ সৃষ্টি হৈছে। ইয়াৰ মাজতে যোৱা নিশা শিমুলটাপু অঞ্চলত পশ্চিমবংগ আৰক্ষীয়ে প্ৰৰোচনা কৰি কেইবাগৰাকীও ট্ৰাক চালকক মাৰধৰ কৰাৰ অভিযোগ উত্থাপন হোৱাত পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰে। এই ঘটনাৰ প্ৰতিবাদত ক্ষুব্ধ ট্ৰাক চালকসকলে পাকৰিগুৰী নাকাত কৰ্তব্যৰত পশ্চিমবংগ আৰক্ষীৰ সৈতে তীব্ৰ বাক্-বিতণ্ডাত লিপ্ত হয়। ফলত অসম-পশ্চিমবংগ সীমান্তবৰ্তী অঞ্চলটোত কিছু সময়ৰ বাবে উত্তেজনাৰ সৃষ্টি হয়। ট্ৰাক চালকসকলে প্ৰশ্ন উত্থাপন কৰি কয় যে পশ্চিমবংগত কাৰ্বন, কয়লা আৰু ষ্ট্ৰেপ্ত পৰিবহণৰ ক্ষেত্ৰত যদি কোনো চকাৰী নিষেধাজ্ঞা অথবা আইনী বাধা আছে, তেন্তে সংশ্লিষ্ট কৰ্তৃপক্ষই সেই সম্পৰ্কত স্পষ্ট নিৰ্দেশনা জাৰি কৰা উচিত। কিন্তু কোনো স্পষ্ট ব্যৱস্থা গ্ৰহণ নকৰাকৈ দীৰ্ঘদিন ধৰি ট্ৰাকসমূহ আৱদ্ধ কৰি ৰখাৰ ফলত চালকসকলৰ লগতে গাড়ীৰ মালিক আৰু ব্যৱসায়ীসকল বৃহৎ আৰ্থিক ক্ষতিৰ সম্মুখীন হ'বলগীয়া হৈছে। আনহাতে অসমৰ সীমান্তবৰ্তী এলেকাত প্ৰৰেশ কৰি ট্ৰাক চালকসকলৰ সৈতে পশ্চিমবংগ আৰক্ষীয়ে এনে ব্যৱহাৰ কৰাৰ অভিযোগক লৈ বিভিন্ন মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই ঘটনাই আন্তঃৰাজ্যিক সীমান্তত আইন-শৃংখলা ৰক্ষা আৰু পৰিবহণ ব্যৱস্থাৰ স্বাভাৱিকতা সম্পৰ্কেও কেইবাটাও প্ৰশ্নৰ অৱতাৰণা কৰিছে। ইফালে, প্ৰায় এমাহ ধৰি সীমান্তত আৱদ্ধ হৈ থকা শতাধিক সমসংখ্যক ট্ৰাকৰ লগত সংশ্লিষ্ট কৰ্তৃপক্ষই কেঁচুয়া কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিব সেয়া এতিয়া লক্ষণীয় বিষয় হৈ পৰিছে। ট্ৰাক চালকসকলৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ লগতে আন্তঃৰাজ্যিক পৰিবহণ ব্য

"একবিংশ শতিকাৰ নাগৰিক হিচাপে আমি সংবিধান প্ৰদত্ত মানৰ অধিকাৰ সমূহ পাবলৈ সক্ষম হৈছোঁ" শীৰ্ষক তৰ্ক প্ৰতিযোগিতা

৫ নৱেম্বৰত গোলাঘাটত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা স্মৃতি দিৱস উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি

গোৱালপৰীয়া লোকসংগীতৰ সাধক ৰহিমা বেগম কলিতালৈ ২০২৬ বৰ্ষৰ 'ড° ভূপেন হাজৰিকা সাংস্কৃতিক বঁটা'

অসম বার্তা, গোলাঘাট, ৩ নৱেম্বৰ ঃ সদৌ গোলাঘাট জিলা ছাত্ৰ সস্থা আৰু সুধাকণ্ঠ ড° ভূপেন হাজৰিকা স্মৃতিৰক্ষা সমিতি, গোলাঘাট উদ্যোগত আৰু গোলাঘাটবাসীৰ সহযোগত সদৌ গোলাঘাট জিলা ছাত্ৰ সস্থাৰ মুখ্য কাৰ্যালয় শহীদ ভৱন প্ৰাংগণত আহ ৫ নৱেম্বৰত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স্মৃতি দিৱস। দিনৰ ১১ বজাত পতাকা উত্তোলন আৰু শহীদ তৰ্পণেৰে আৰম্ভ হ'বলগীয়া এই অনুষ্ঠানত ড° ভূপেন হাজৰিকাৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কাৰ্যসূচী মুকলি কৰিব বিশিষ্ট শিক্ষাবিদ তথা লেমাময়া কনিষ্ঠ মহাবিদ্যালয়ৰ পঞ্জীয়ক ড° মাধুৰ্য মণ্ডিত বৰুৱা। এই বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বিশিষ্ট শিক্ষাবিদ তথা আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মাধুৰ্য মণ্ডিত বৰুৱা। এই বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব গোলাঘাট জিলাৰ আয়ুক্ত বিশ্বজিৎ ফুকনৰ লগতে সদৌ গোলাঘাট জিলা ছাত্ৰ সস্থাৰ সভাপতি ড° অনিল শইকীয়াক এই বঁটা প্ৰদান কৰা হ'বলৈ এই বঁটাত নগদ ২০ হাজাৰ টকা, প্ৰশস্তি-পত্ৰ, শৰাই, স্মাৰক, গামোচা, চেলেং আদি আগবঢ়াই আহিছে আয়োজক সমিতিয়ে। আগবঢ়োৱা অনবদ্য অবদান, কালজয়ী সৃষ্টি, মানৱতাবাদী চিন্তা-চেতনাৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয় আৰু ভাতৃত্ববোধৰ আদৰ্শক সম্মান জনোৱাৰ উদ্দেশ্যেই প্ৰদান কৰি আহা এই বঁটাৰ প্ৰাপকসকল হ'ল ২০১৩ চনত বীৰেন সিংহ, ২০১৪ চনত ৰবিৰাম ব্ৰহ্ম, ২০১৫ চনত বীৰুবালা ৰাভা, ২০১৬ চনত ধনদা পাঠক, ২০১৭ চনত সূর্য দাস, ২০১৮ চনত লিমছে তৈমু, ২০১৯ চনত শিৱচৰণ দাস, ২০২১ চনত উমাকান্ত বৈশ্যী, ২০২২ চনত তৰাজী শৰ্মা, ২০২৩ চনত ড° পদ্মেশ্বৰ গগৈ, ২০২৪ চনত ড° পীতাম্বৰ দেৱ গোস্বামী আৰু ২০২৫ চনত ড° অনিল শইকীয়াক এই বঁটা প্ৰদান কৰা হ'বলৈ। এই বঁটাত নগদ ২০ হাজাৰ টকা, প্ৰশস্তি-পত্ৰ, শৰাই, স্মাৰক, গামোচা, চেলেং আদি আগবঢ়াই আহিছে আয়োজক সমিতিয়ে। দিনজোৱা বৰ্ণাঢ্য কাৰ্যসূচীৰ অন্তত নিশালৈ একাধিক বাৰ শ্ৰেষ্ঠত্ব অৰ্জন কৰা "পূৰ্বৰঙ্গ সাংস্কৃতিক গোষ্ঠী"ৰ বিতাইপুখুৰীৰ দ্বাৰা মহা পূৰুষীয়া নাট "সাৰিত্ৰী-সত্যবান" প্ৰদৰ্শন কৰা হ'ব। বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা ড° ভূপেন হাজৰিকা স্মৃতি দিৱসৰ প্ৰতিটো কাৰ্যসূচীতে গোলাঘাটবাসীৰ উপস্থিতি তথা সহযোগিতাৰ বাবে অনুবোধ জনাইছে সদৌ গোলাঘাট জিলা ছাত্ৰ সস্থাৰ সভাপতি মিঠু গগৈ আৰু সাধাৰণ সম্পাদক চিৰঞ্জীব ৰবাৰ লগতে ড° ভূপেন হাজৰিকা স্মৃতি ৰক্ষা সমিতি, গোলাঘাটৰ সভাপতি ড° পুতুল চন্দ্ৰ শইকীয়া, কাৰ্যকৰী সভাপতি বাজু মণি বৰুৱাকৰা আৰু সম্পাদক দিগন্ত কুমাৰ ডুঙডুঙি। প্ৰতিযোগিতাৰাবে ৭ ০ ০ ২ ৩ ৩ ০ ৭ ৯ ৪ , ৭০০২৯০১১০২ আৰু ৮৬৩৮০৩৪১৯০ নম্বৰত যোগাযোগ কৰিব পাৰিব।

মাজুলীত মাছ'ৰ ৩৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



অসম বার্তা, দনগীও, ৪ নৱেম্বৰ ঃ মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ ৩৬ সংখ্যক প্ৰতিষ্ঠা দিৱসটি আজি ২ নৱেম্বৰ সোমবাৰে দিনযোৰাকৈ মাজুলী জিলা সমিতিৰ সহযোগত গড়মুৰ পৌত্তৰধৰা গোস্বামীৰ কনিষ্ঠ মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যায়। এই উপলক্ষে পুৱা পতাকা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰে মাছ'ৰ কাৰ্যকৰী অধ্যক্ষ লক্ষীপ্ৰসাদ ডেকাই। ইয়াৰ পিছতে মাছ'ৰ প্ৰতিষ্ঠাপক সচিব প্ৰধান পৰাগ কুমাৰ দাস আৰু শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কাৰ্যসূচীৰ পিছতে মহাবিদ্যালয় খনৰ প্ৰৱক্তা যদু কলিতাৰ পৰিচালনাত অনুষ্ঠিত হয় "একবিংশ শতিকাৰ নাগৰিক হিচাপে আমি সংবিধান প্ৰদত্ত মানৱ অধিকাৰ সমূহ পাবলৈ সক্ষম হৈছোঁ" শীৰ্ষ এখনি তৰ্ক প্ৰতিযোগিতা। মাছ'ৰ কাৰ্যকৰী অধ্যক্ষ লক্ষিপ্ৰসাদ ডেকাৰ সঞ্চালনাত আৰু মাজুলী জিলা সাংবাদিক সস্থাৰ সভাপতি দিবাকৰ শইকীয়াই উদ্বোধন কৰা তৰ্ক প্ৰতিযোগিতাখনিত মহাবিদ্যালয়খনৰ ভালে সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। দুপৰীয়া মাছ'ৰ কাৰ্যকৰী অধ্যক্ষ লক্ষীপ্ৰসাদ ডেকাৰ সভাপতিত্বত আৰু সচিব প্ৰধান ৰিতুল বৰুৱাই আঁত ধৰা আৰু মাজুলী জিলা সমিতিৰ অধ্যক্ষ ৰমেশ চন্দ্ৰ শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা মুকলি সভাখন উদ্বোধন কৰে মাছ'ৰ মাজুলী জিলা সমিতিৰ প্ৰাক্তন অধ্যক্ষ বলো কলিতাই। মাজুলী জিলা আইনী সাহায্যৰ অধিবক্তা বৃন্দেশ্বৰ পামেগামে নিদিষ্ট বক্তা হিচাপে অংশ গ্ৰহণ কৰি মানৱ অধিকাৰ সম্পৰ্কত বহু কেইটা গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। তদুপৰি মহাবিদালয় খনৰ অধ্যক্ষ অজিত সভাপতিত, মাজুলীৰ শিশু কল্যাণ সমিতিৰ অধ্যক্ষ ধানুকুষ দত্ত, মাছ'ৰ প্ৰাক্তন উপাধ্যক্ষ লক্ষীৰাম ভূঞা, উপাধ্যক্ষ বৈকুণ্ঠ হাজৰিকা, বাণীকান্ত কাকতি, শিশু-কৈশোৰ ন্যায়িক পৰিষদৰ পাৰুল বৰা মিলিয়ে বক্তব্য প্ৰদান কৰা সভাখনত মাছ'ৰ প্ৰচাৰ সচিব জিতুমনি নাথে মানৱ অধিকাৰ সংগ্ৰাম সমিতিক অন্যায়ৰ বিৰুদ্ধে নাগৰিকৰ কণ্ঠস্বৰ হবলৈ আহ্বান জনায়। তেওঁ কয় আমি কোনো ৰাজনৈতিক দলৰ পক্ষবা বিপক্ষত থিয় দিয়াৰ সলনি ন্যায়, সংবিধান আৰু জনস্বাৰ্থৰ পক্ষত থিয় দিব লাগিব। চকাৰ বিয়েই নহওক, অন্যায় কৰিলে প্ৰশ্ন কৰিব লাগিব। বিবাৰী পক্ষই অন্যায় কৰিলে তাৰো প্ৰতিবাদ কৰিব লাগিব। আমাৰ সংগ্ৰাম হ'ব লাগিব মানৱ অধিকাৰ উলংঘনৰ বিৰুদ্ধে, দুৰ্নীতি আৰু ক্ষমতাৰ অপব্যবহাৰ, জাতি-জনগোষ্ঠীৰ অধিকাৰ হৰণ, নাৰী আৰু শিশুৰ ওপৰত হোৱা নিৰ্যাতন, শোষণ, বৈষম্য আৰু অন্যায় আদিৰ বিৰুদ্ধে। আমি প্ৰতিটো বিষয়তে তথ্য, যুক্তি, সংবিধান আৰু আইনৰ ভিত্তিত কথা কব লাগিব বুলি মন্তব্য কৰে। সভাত মাজুলী লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী মণিকা মহন্ত, পদুম সিং ৰাজপুত, ডাঃ সঞ্জীব বৈদ্য, কলুমণি শইকীয়া যুব ছাত্ৰ পৰিষদৰ মাজুলী জিলা সমিতিৰ উপ সভাপতি পৰিত্ৰ বৰা আদি কবি মহাবিদালয় খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক শিক্ষয়িত্ৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। ইফালে পুৱা গুৱাহাটী বামুণীমোদাম জ্যোতি নগৰস্থিত মাছ'ৰ মুখ্য কাৰ্যালয়ত পতাকা উত্তোলন কৰে মাছ'ৰ অধ্যক্ষ বুধমণি গোস্বামীয়ে। উক্ত কাৰ্যসূচীত মাছ'ৰ সহকাৰী প্ৰচাৰ সচিব ললিতা বৰ্মণকে ধৰি কেইবাগৰাকীকী উপস্থিত থাকে।

শাৰীৰিকভাৱে অক্ষম দৰিদ্ৰ যুৱকক দোকান দিয়াৰ পৰা বঞ্চিত

দ্রোৰপাং বজাৰত চলিছে গুণ্ডাৰাজ

অসম বার্তা, বান্দদেৰা, ৩ নৱেম্বৰ ঃ লখিমপুৰ জিলাৰ অসম অঞ্চলচল সীমান্তবর্তী দ্রোৰপাং বজাৰত কাৰ নেতৃত্বত চলি আছে এতিয়া গুণ্ডাৰাজ ? গৰুবদ্ধা গাঁও পঞ্চায়তৰ অধীনস্থ দেৱপাং বজাৰত পঞ্চায়তৰ অনুমতি সাপেক্ষে এটা পৰিবাক্ত কোঠা চাফ চিকুণ কৰি ক্ষুদ্ৰসংগঠন শাৰীৰিক ভাৱে অক্ষম বংশী দাস আৰু পত্নী মৰমী দাসে তিনিদিন পূৰ্বে এখন সৰুকৈ দোকান আৰম্ভ কৰিছিল। বংশীয়ে নিজৰ বোগীয়া মাতু, পত্নী আৰু এগৰাকী কন্যা সন্তানক ভিক্ষা খুজি পোহ পাল দি থকা বংশী দাসে সৰুকৈ দোকান এখন দি পৰিয়ালটো পোহপাল দিবলৈ আগবাঢ়ি অহাত স্থানীয় ৰাইজৰ সহযোগিতা আগবাঢ়িছিল। ৰাইজে আশা কৰিছিল বংশীৰ পৰিয়ালটোৰে কিছু হ'লেও আৰ্থিক সকাহ পাব। কিন্তু বংশীয়ে দোকান দিয়া দ্রোৰপাং বজাৰৰ চৰকাৰী কোঠাটো ভয় ভাবুকিৰে মধু দাস নামৰ স্বয়ম্ভু নেতা এজনে ভয়-ভাবুকিৰে বংশী দাসৰ দোকানৰ সামগ্ৰী সমূহ দলিয়াই পেলোৱাৰ লগতে বিভিন্ন সামগ্ৰী ভৰাই কোঠাটো দখল কৰাক লৈ অঞ্চলটোক তীব্ৰ চাঞ্চল্য সৃষ্টি হৈছে। এই ক্ষেত্ৰত নিৰব ভূমিকা গ্ৰহণ কৰিছে গৰুবদ্ধা গাঁও পঞ্চায়তে। সেয়েহে স্থানীয় ৰাইজে দিবাঞ্জ বংশী দাসক ন্যায় প্ৰদান কৰি দৰিদ্ৰ পৰিয়ালটোক জীবিকাৰ পথটোত সহায় কৰিবলৈ স্থানীয় ৰাইজে কৰ্তৃপক্ষক দাবী জনাইছে।

মঙলদৈ ৰাসোৎসৱৰ প্ৰস্তুতি; লাইখুঁটা স্থাপন, কাৰ্যালয় উদ্বোধন

অসম বার্তা, মঙলদৈ, ৩ নৱেম্বৰ ঃ দৰং তথা অসমৰ অন্যতম ধৰ্মীয় আধ্যাত্মিক আৰু সামাজিক অনুষ্ঠান মঙলদৈ সনাতন ধৰ্মসভাৰ উদ্যোগত চিৰ প্ৰবহমান মঙলদৈ নদীৰ তীৰত অবস্থিত মঙলদৈ সনাতন ধৰ্মসভা প্ৰাংগণত এইবাৰ ৪৭ সংখ্যক শ্ৰীশ্ৰীকৃষ্ণ ৰাসোৎসৱ উদ্যাপনৰ প্ৰস্তুতি চলোবা হৈছে। ১১ দিনীয়াকৈ অনুষ্ঠিত হ'ব লগা ৰাসোৎসৱৰ যোৱা ৩০ অক্টোবৰত লাইখুঁটা স্থাপন কৰা হয়। মঙলদৈ সনাতন ধৰ্মসভা প্ৰাংগণত দিনব ১২ বজাত সনাতন ধৰ্মসভাৰ সম্পাদক বাজেন্দ্ৰ নাথ হাজৰিকাই আঁত ধৰা অনুষ্ঠানত শংখ, ঘণ্টা, নাম-কীৰ্তন, ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে ৰাসোৎসৱ উদ্যাপন সমিতিৰ সভাপতি হৰেন কাকতিয়ে নাৰিকল ভাঙি আৰম্ভণি কৰাৰ পাছতে লাইখুঁটা স্থাপন কৰে মঙলদৈ সনাতন ধৰ্মসভাৰ সভাপতি পঞ্চানন শৰ্মাই। দৰং জিলা পৰিষদৰ সভাপতি শেৱালি গোস্বামী কলিতা, ৰাসোৎসৱ উদ্যাপন সমিতিৰ কাৰ্যকৰী সভাপতি ৰাজীব কুমাৰ ডেকা, সম্পাদকত্ৰয় লক্ষণ চহৰীয়া, উদয় নাৰায়ণ গুপ্তা, অশোক কুমাৰ ভাৰ্গৱ আদিৰ লগতে সনাতন ধৰ্মসভাৰ বিষয়বৰীয়া সমন্বিত আজীবন সভ্য, সাধাৰণ সভাকে ধৰি শতাধিক লোকে অংশগ্ৰহণ কৰা এই অনুষ্ঠানত মঙলদৈৰ প্ৰফুল্ল নগৰৰ পূৰ্বজোতি সংকীৰ্তন নামৰ দলে নাম-কীৰ্তন পৰিবেশন কৰে। ইয়াৰ পূৰ্বে ৰাসোৎসৱ উদ্যাপন সমিতিৰ কাৰ্যালয় ফিতা কাটি উদ্বোধন কৰে মঙলদৈ সনাতন ধৰ্মসভাৰ মুখ উপদেষ্টা, দৰংবত্ত বঁটা প্ৰাপক ফুলেন্দ্ৰ নাথ চহৰীয়াই। ১৯৮০ৎ পৰা অনুষ্ঠিত হৈ অহা ৰাসোৎসৱ অহা ২৪ নৱেম্বৰৰ পৰা ৪ ডিচেম্বৰলৈ ১১ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।

৭ নৱেম্বৰত যোৰহাটৰ মঞ্জুলা কলা কেন্দ্ৰই পৰিৱেশন কৰিব গুৰুজনাৰ অমৰ সৃষ্টি 'কেলি গোপাল'

অযোধ্যাৰ দীপোৎসৱত উজলিব অসমীয়া ভাওনা

অসম বার্তা, দেৰগাঁও, ৪ নৱেম্বৰ ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ অমৰ সৃষ্টি আংকীয়া ভাওনাই এইবাৰ অযোধ্যাৰ পবিত্ৰ ভূমিত বিশ্ব দৰবাৰত অসমীয়া সংস্কৃতিৰ স্বৰীয় পৰিচয় দাঙি ধৰিবলৈ সাজু হৈছে। উত্তৰ প্ৰদেশৰ অযোধ্যাত অনুষ্ঠিত হ'বলগীয়া দীপোৎসব-২০২৬ৰ বিশেষ সাংস্কৃতিক কাৰ্যসূচীত অহা ৭ নৱেম্বৰত যোৰহাটৰ মঞ্জুলা কলা কেন্দ্ৰই পৰিৱেশন কৰিব গুৰুজনাৰ অনবদ্য সৃষ্টি 'কেলিগোপাল' ভাওনা। অসমৰ ভাওনা সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰত দীৰ্ঘদিন ধৰি নিষ্ঠাৰে কাম কৰি অহা মঞ্জুলা কলা কেন্দ্ৰই পূৰ্বেও অসমৰ বাহিৰৰ বিভিন্ন স্থানত ভাওনা পৰিবেশন কৰি অসমীয়া সত্ৰীয়া সংস্কৃতিৰ গৰিমা দাঙি ধৰিছে। ইয়াৰ উপৰি বিভিন্ন স্থানত সাংস্কৃতিক প্ৰতিযোগিতা, নৰপ্ৰজন্মৰ মাজত ভাওনা কৰ্মশালা আৰু সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে গুৰুজনাৰ সৃষ্টিৰাজি নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰতো কেন্দ্ৰটোৱে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। এই বাৰ অযোধ্যাৰ দীপোৎসৱৰ দৰে বাষ্ট্ৰীয় পৰ্যায়ৰ এক বৃহৎ সাংস্কৃতিক মঞ্চত অসমীয়া ভাওনা পৰিবেশনৰ বাবে মঞ্জুলা কলা কেন্দ্ৰক আমন্ত্ৰণ জনোৱাটো অসমৰ সাংস্কৃতিক জগতৰ বাবেও এক উল্লেখযোগ্য খবৰ। অধ্যক্ষ তথা পৰিচালক ভবেন হাজৰিকাৰ তত্ত্বাবধানত প্ৰস্তুত কৰা হৈছে এই ভাওনাখন। প্ৰায় একুৰিবো অধিক শিল্পীয়ে অংশগ্ৰহণ কৰিবলগীয়া এই পৰিবেশনত গায়ন-বায়ন, সূত্ৰধাৰ, অভিনেতা-অভিনেত্ৰীকে ধৰি বিভিন্ন কলা-কুশলীয়ে নিজৰ প্ৰতিভা আৰু সাধনাৰে প্ৰাণবন্ত কৰি তুলিব গুৰুজনাৰ সৃষ্টি। এই ভাওনাত অংশগ্ৰহণ কৰিবলগীয়া শিল্পীসকলৰ ভিতৰত আছে বনজ্যোৎস্না বৰা, কুইন দত্ত, লাকী হাজৰিকা, বৰ্ণালী শইকীয়া, আকাংক্ষা ভৰালী, অংকিতা ভৰালী, শিখাবালী শইকীয়া, প্ৰভাত হাজৰিকা, গৌৰাংগ হাজৰিকা, মহেন্দ্ৰ হাজৰিকা (গায়ন), নাৰায়ণ বৰা, ভূপেন বৰা (বাঁহী), দেৱাংগনা দত্ত, প্ৰকাশ হাজৰিকা (বায়ন), লুনা দেৱী, প্ৰিন্সিয়া হাজৰিকা আৰু লাকী বৰাকে ধৰি কেইবাগৰাকীও শিল্পী। উল্লেখযোগ্য যে যোৰহাটৰ মঞ্জুলা কলা কেন্দ্ৰৰ সৈতে জড়িত ভবেন হাজৰিকাৰ তত্ত্বাবধানত প্ৰস্তুত কৰা হৈছে এই ভাওনাখন। প্ৰায় একুৰিবো অধিক শিল্পীয়ে অংশগ্ৰহণ কৰিবলগীয়া এই পৰিবেশনত গায়ন-বায়ন, সূত্ৰধাৰ, অভিনেতা-অভিনেত্ৰীকে ধৰি বিভিন্ন কলা-কুশলীয়ে নিজৰ প্ৰতিভা আৰু সাধনাৰে প্ৰাণবন্ত কৰি তুলিব গুৰুজনাৰ সৃষ্টি। এই ভাওনাত অংশগ্ৰহণ কৰিবলগীয়া শিল্পীসকলৰ ভিতৰত আছে বনজ্যোৎস্না বৰা, কুইন দত্ত, লাকী

খেজুৰিতলত শিশু নাট "একলব্যৰ গুৰুদক্ষিণা" প্ৰদৰ্শনীৰ সফল সামৰণ

অসম বার্তা, গেলেকী, ৩ নৱেম্বৰ ঃ শিৰসাগৰ জিলাৰ নামতৈৰ খেজুৰিতলত দেওবাৰে দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা "একলব্যৰ গুৰু দক্ষিণা" শীৰ্ষক শিশু নাট প্ৰদৰ্শনীৰ সফল সামৰণি পৰে। নামতি পিয়লি ফুকন শাখা সাহিত্য সভা আৰু জ্ঞানজ্যোতি স্মাৰ্ট স্কুলৰ উদ্যোগত আৰু স্থানীয় ৰাই জৰ সহযোগত খেজুৰিতলস্থিত জ্ঞানজ্যোতি স্মাৰ্ট স্কুলৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় এই অনুষ্ঠান। পুৱা উদ্বোধন সমিতিৰ পতাকা উত্তোলন কৰে সভাপতি অমিয়া মহন্ত আৰু জ্ঞানজ্যোতি স্মাৰ্ট স্কুলৰ পতাকা উত্তোলন কৰে নামতি শহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুবজ্যোতি নাথে। পিয়লি ফুকন শাখা সাহিত্য সভাৰ সম্পাদক মনিষা শইকীয়াই আঁত ধৰা আৰু জ্ঞানজ্যোতি স্মাৰ্ট স্কুলৰ সঞ্চালিকা দেৱযানী শইকীয়া গগৈয়ে। তাৰ পিছতেই সমাজসেৱী সদানন্দ গগৈয়ে গছপুলি বোপণ কৰে আৰু নামাচাৰ্য পৰন গগৈয়ে বন্তি প্ৰজ্বলন কৰে। সন্ধিয়া নীলাক্ষি মেমাৰিয়েল একাডেমীৰ অধ্যক্ষ ধৰ্মৰঞ্জন গগৈৰ দ্বাৰা বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা অনুষ্ঠান পাছতে ভাগৰত প্ৰতিষ্ঠা কৰে নামাচাৰ্য গিৰিধ গগৈ আৰু নাম-প্ৰসংগ কৰে নামাচাৰ্য হৰিপ্ৰসাদ গগৈয়ে। খেজুৰিতল টিপমীয়া গাঁও ৰঙনামঘৰৰ মহিলা সমাজৰ দিহানাম পৰিবেশন কৰাৰ পাছতে জ্ঞানজ্যোতি স্মাৰ্ট স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা ৰাসৰ নৃত্য, দিলীপ শইকীয়া, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক মনোজ পায়েং, সহ-সম্পাদক পনোজ দত্ত, আটাছু শিৰসাগৰ জিলা সমিতিৰ সভাপতি অখিল আহোম, আমগুৰি আৰক্ষী থানাৰ ভাৰপাপ্ত আৰক্ষী বিষয়া মৃদুল হাজৰিকাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি, সাহিতিক, সমাজকর্মী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। প্ৰাপ্তল ফুকনৰ পৰিচালনাত আৰু পল্লৱ শইকীয়া তথা সহযোগীসকলৰ দোহাৰ পৰিচালনাত মঞ্চস্থ হোৱা শিশু নাট 'একলব্যৰ গুৰুদক্ষিণা'ই উপস্থিত দৰ্শকৰ মাজত বিশেষ সমাদৰ লাভ কৰে। শিশুসকলৰ মাজত নাটাচার্য, সাহিত্য-সংস্কৃতিৰ প্ৰতি আগ্ৰহ বৃদ্ধি আৰু অসমীয়া সাংস্কৃতিক পৰম্পৰা জীয়াই ৰখাৰ উদ্দেশ্যে আয়োজন কৰা এই ব্যতিক্ৰমী অনুষ্ঠানটোৰ সফল সামৰণিত উদ্যোক্তাসকলে সহযোগিতা আগবঢ়োৱা সকলোলৈ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।

৪৩৪ প্ৰাক্তন সৈনিকৰ অংশগ্ৰহণ; ৩২টা আগশাৰীৰ ৰাষ্ট্ৰীয় আৰু বহুজাতিক কোম্পানীৰ অংশগ্ৰহণ



অসম বার্তা, ষ্টাফ বিপৰ্টাৰ, ডিব্ৰুগড়, ৩ নৱেম্বৰ ঃ প্ৰাক্তন সৈনিকসকলৰ বাবে অসামৰিক খণ্ডত কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাৰ লক্ষ্যেৰে ডিব্ৰুগড় এক মোহনবাৰীৰ আৰ্মী গাৰ্ডত এক বৃহৎ নিয়োগ মেলা অনুষ্ঠিত হয়। প্ৰতিবন্ধ মন্ত্ৰালয়ৰ প্ৰাক্তন সৈনিক কল্যাণ বিভাগৰ অধীনস্থ পুনর্সংস্থাপন সঞ্চালকালয়ৰ উদ্যোগত আয়োজিত এই নিয়োগ মেলাত ৪৩৪বো অধিক প্ৰাক্তন সৈনিকে অংশগ্ৰহণ কৰাৰ লগতে ৩২টা আগশাৰীৰ ৰাষ্ট্ৰীয় আৰু বহুজাতিক কোম্পানীয়ে অংশগ্ৰহণ কৰে। মেলাৰ জৰিয়তে সৃষ্টিবাজিৰ মহিমা দেশৰ বিভিন্ন প্ৰান্তৰ দৰ্শকৰ সম্মুখত তুলি ধৰিব বুলি আশা কৰা হৈছে। মঞ্জুলা কলা কেন্দ্ৰৰ এই প্ৰয়াসে অসমৰ ভাওনা সংস্কৃতিক ৰাষ্ট্ৰীয় পৰ্যায়ত অধিক পৰিচিত কৰাৰ লগতে পৰবৰ্তী প্ৰজন্মলৈ নিজৰ ঐতিহ্যৰ প্ৰতি আকৰ্ষিত কৰিবলৈ সক্ষম হ'ব।

ডিব্ৰুগড়ত প্ৰাক্তন সৈনিকৰ বাবে নিয়োগ মেলা; ৩৫০বো অধিক চাকৰিৰ সুযোগ

বিভিন্ন খণ্ডত ৩৫০বো অধিক চাকৰিৰ সুযোগ আগবঢ়োৱা হয়। যোৰহাট ছাব-এৰিয়াৰ জেনেৰেল স্টাফিচাৰ কমাণ্ডিং মেজৰ জেনেৰেল বিশাল পাঠানিয়াই নিয়োগ মেলাখন উদ্বোধন কৰে। অনুষ্ঠান পুনর্সংস্থাপন সঞ্চালকালয়ৰ মেজৰ জেনেৰেল এছ বি কে সিং, ব্ৰিগেডিয়াৰ সৌমা বেনার্জীকে ধৰি কেইবা গৰাকীও জ্যেষ্ঠ সামৰিক বিষয়া উপস্থিত থাকে। এই উপলক্ষে জ্যেষ্ঠ সামৰিক বিষয়াসকলে নিয়োগ মেলাত অংশগ্ৰহণ কৰা প্ৰাক্তন সৈনিক আৰু বিভিন্ন কোম্পানীৰ প্ৰতিনিধিসকলৰ সৈতে মত বিনিময় কৰে। তেওঁলোকে প্ৰাক্তন সৈনিকসকলৰ কৰ্মজীৱনৰ অভিজ্ঞতা, উদ্যোগ খণ্ডৰ প্ৰয়োজনীয়তা আৰু বৰ্তমানৰ নিয়োগৰ সম্ভাবনাসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰে। অনুষ্ঠানত জালান ইণ্ডাষ্ট্ৰীজৰ সঞ্চালক অসৰপ্ৰাপ্ত গ্ৰুপ কেপ্টেইন মহন্ত পাংগিং কৰ্পবেট অতিথি সমানীয় হিচাপে উপস্থিত থাকে। ইয়াৰ উপৰিও জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ ডিআইচিচি মহাপ্ৰবন্ধক সোণামণি চৌধুৰীয়েও অনুষ্ঠানত অংশগ্ৰহণ কৰে। নিয়োগ মেলাত ব্ৰহ্মপুত্ৰ ক্লেকার্ছ এণ্ড পলিমাৰ্ছ, দিল্লী পাব্লিক স্কুল, অসম স্পেট্-কেমিকেলছ, ইনোভিজন গুৱাহাটী, জালান ইণ্ডাষ্ট্ৰীজ, আই ল ইণ্ডিয়া লিমিটেড, আইচিআইচিআই বেংক আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়কে ধৰি কেইবাটাও আগশাৰীৰ প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰে। এই নিয়োগ মেলাৰ মূল উদ্দেশ্য আছিল সামৰিক বাহিনীত কর্মৰত আৰহাত প্ৰাক্তন সৈনিকসকলে আহৰণ কৰা কাবিকৰী জ্ঞান, পৰিচালনাগত দক্ষতা, প্ৰাশাসনিক অভিজ্ঞতা আৰু নেতৃত্ব দিয়াৰ ক্ষমতাক অসামৰিক খণ্ডৰ কর্মসংস্থাপনৰ সৈতে সংযুক্ত কৰা। ইয়াৰ জৰিয়তে বিভিন্ন কোম্পানীয়েও অনুশাসিত, দক্ষ আৰু অভিজ্ঞ মানৱ সম্পদ লাভৰ সুযোগ পায়। আয়োজকসকলৰ মতে, এই পদক্ষেপে সামৰিক সেৱাৰ পৰা অবসৰ গ্ৰহণ কৰাৰ পিছত প্ৰাক্তন সৈনিকসকলক এক নতুন কৰ্মজীৱনৰ আৰম্ভ কৰাত বিশেষ সহায় কৰিব। লগতে তেওঁলোকক মূলসৃতিৰ অসামৰিক কৰ্মশক্তিলৈ সৈতে সংযুক্ত কৰাৰ ক্ষেত্ৰত পুনর্সংস্থাপন সঞ্চালকালয়ৰ প্ৰতিশ্ৰুতিও অধিক শক্তিশালী কৰিব।

ডুমডুমাত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে প্ৰথম বাৰ্ষিক সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা

ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৪৯টা দলৰ অংশগ্ৰহণ

অসম বার্তা, ষ্টাফ বিপৰ্টাৰ, ডুমডুমা, ৪ নৱেম্বৰ ঃ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত, ডুমডুমা আঞ্চলিক সমিতিৰ সহযোগত তথা বৃহত্তৰ ডুমডুমাবাসীৰ আতিথ্যত আজিৰ অৰ্থাৎ ৩ নৱেম্বৰ, মঙলবাৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ডুমডুমা নগৰ খেলপথাৰত প্ৰথম বাৰ্ষিক সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দুটাকৈ শাখাত অনুষ্ঠিত হ'বলগীয়া এই দিহানাম প্ৰতিযোগিতাত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ ৪৯টা দলে ইতিমধ্যে যোগদান নিশ্চিত কৰিছে। ইয়াৰে উচ্চ শাখাত ৩৫টা আৰু নিম্ন শাখাত ১৪টা দল আছে। এই প্ৰতিযোগিতা উপলক্ষে ৩ নৱেম্বৰৰ পুৱা ৯ বজাত ডুমডুমাৰ বিশিষ্ট চিকিৎসক তথা সমাজকর্মী ডাঃ প্ৰণবজ্যোতি ডেকাই মুখ্য তোৰণ উদ্বোধন কৰাৰ পাছতে পুৱা ১০ বজাত পৰিষদৰ তিনিচুকীয়া জিলা স

সম্পাদকীয়

যোগাযোগৰ নৱদিগন্ত ঃ উত্তৰ-পূবৰ প্ৰগতিৰ আশা

সাম্প্ৰতিক সময়ত দেশৰ যোগাযোগ আৰু আন্তঃগাঁথনি খণ্ডত এক ঐতিহাসিক পৰিবৰ্তনৰ সূচনা হৈছে। ইয়াৰ অংশস্বৰূপে, প্ৰস্তাবিত উত্তৰ হাইস্পীড ৰেল'ৱে কৰিডৰ গুৱাহাটীলৈ সম্প্ৰসাৰণ কৰাৰ সিদ্ধান্ত নিঃসন্দেহে অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক যুগান্তকাৰী খবৰ। প্ৰথম অৱস্থাত কেৱল পশ্চিমবংগৰ শিলিগুৰিলৈকে সীমিত ৰখাৰ পৰিকল্পনা কৰা এই বুলেট ট্ৰেইন বা হাইস্পীড ৰেল প্ৰকল্পটো এতিয়া অসমৰ হৃদপিণ্ডস্বৰূপ গুৱাহাটী পৰ্যন্ত সম্প্ৰসাৰিত হ'ব। ইয়াৰ ফলত দিল্লী আৰু গুৱাহাটীৰ মাজৰ যাত্ৰাৰ সময় আঠ ঘণ্টাতকৈও কম হৈ পৰিব। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ব্যক্তিগত প্ৰচেষ্টা আৰু ৰেল মন্ত্ৰালয়লৈ জনোৱা যুক্তিসংগত অনুৰোধৰ ভিত্তিত কেন্দ্ৰীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱে লোৱা এই ঐতিহাসিক পদক্ষেপে ভৌগোলিকভাৱে অঁতৰত থকা উত্তৰ-পূবক মূল ভাৰতৰ অতি কাষলৈ লৈ আহিব। যি সময়ত উত্তৰ-পূবৰ মানুহৰ বাবে বুলেট ট্ৰেইনৰ দৰে এক দ্ৰুত যোগাযোগ ব্যৱস্থা কেৱল এক কল্পনাত আছিল, সেই সময়ত এনে সিদ্ধান্তই ৰাজ্যসমূহৰ আত্মবিশ্বাস বৃদ্ধি কৰিছে। কিন্তু কেৱল আৰেগিক আনন্দতে আবদ্ধ নাথাকি, এইবোৰ প্ৰকল্পটোৰ অৰ্থনৈতিক, সামাজিক আৰু ব্যৱহাৰিক দিশসমূহ গভীৰভাবে বিশ্লেষণ কৰাৰ প্ৰয়োজন আছে।

প্ৰথমতে, অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা এই কৰিডৰে ৰাজ্যসমূহৰ বাবে সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি কৰিব। বৰ্তমান গুৱাহাটীৰ পৰা দিল্লীলৈ ৰেল যাত্ৰাৰ বাবে ২৪ পৰা ৩০ ঘণ্টা বা তাতকৈও অধিক সময়ৰ প্ৰয়োজন হয়, আৰু বিমান যাত্ৰা সৰ্বসাধাৰণ তথা সৰু-বৰ ব্যৱসায়ীসকলৰ বাবে অত্যন্ত ব্যয়বহুল। মাত্ৰ আঠ ঘণ্টাতকৈ কম সময়ৰ এই সুলভ আৰু অতি দ্ৰুত যাত্ৰাই কেৱল সময়ৰে বাহি নকৰে, বৰঞ্চ স্থানীয় উদ্যোগী, ব্যবসায়ী, ক্ৰেতা আৰু বিক্ৰেতাসকলক দেশৰ বৃহৎ বজাৰসমূহৰ সৈতে পোনপটীয়াকৈ সংযোগ কৰিব। ইয়াৰ উপৰি, অসমৰ মনোৰম প্ৰাকৃতিক সৌন্দৰ্য্য আৰু সংবৰ্ধিত সংযোগ ব্যৱস্থাই পৰ্যটন উদ্যোগত এক অভূতপূৰ্ব জোৱাৰ আনিব। সুবিস্তৃত, দ্ৰুত আৰু আৰামদায়ক যাত্ৰাৰ ফলত দেশ-বিদেশৰ পৰ্যটকৰ আগমন বৃদ্ধি পাব, যিয়ে থলুৱা নিবনুৱাসকলৰ বাবে জীৱিকাৰ নতুন পথ প্ৰশস্ত কৰিব।

দ্বিতীয়তে, শিক্ষা আৰু স্বাস্থ্য সেৱাৰ ক্ষেত্ৰতো ই এক ডাঙৰ বিপ্লৱ আনিব। গুৱাহাটী হৈছে উত্তৰ-পূবৰ শিক্ষা আৰু চিকিৎসাৰ মুখ্য কেন্দ্ৰ। উচ্চ শিক্ষা বা উন্নত চিকিৎসাৰ বাবে দেশৰ বাকীবোৰ অঞ্চলৰ বা অন্যান্য মহানগৰীলৈ যাব লগা ৰোগী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এই দ্ৰুত সেৱা অত্যন্ত ফলপ্ৰসূ প্ৰমাণিত হ'ব।

তথাপি, এনে এক বৃহৎ আৰু ব্যয়বহুল প্ৰকল্পৰ দিশত আগবঢ়াব সময়ত কিছুমান গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান আৰু চিন্তনীয় দিশৰ প্ৰতি সজাগ হোৱাটো সমানেই আৱশ্যক। উত্তৰ-পূৰ্বাঞ্চলৰ ভৌগোলিক আৰু পাৰিপাৰ্শ্বিক গঠন দেশৰ অন্যান্য অঞ্চলৰ তুলনাত পৃথক। চৰাই-চিকিৎচি, বন্যাপ্ৰাণীৰ অতিক্ৰমণ পথ, নদী-উপনদী আৰু ভূমিকম্প প্ৰৱণ পাহাৰীয়া ভূখণ্ডৰ মাজেৰে এনে হাইস্পীড ৰেল লাইন নিৰ্মাণ কৰোঁতে জৈৱ-বৈচিত্ৰ্য আৰু প্ৰাকৃতিক ভাৰসাম্য যাতে বিনষ্ট নহয়, তাৰ প্ৰতি তীক্ষ্ণ দৃষ্টি ৰাখিব লাগিব। পৰিবেশ প্ৰভাব মূল্যাংকন (EIA) সঠিকভাবে সম্পন্ন কৰিছে নিৰ্মাণ কাৰ্যত হাত দিয়াটো সমীচীন হ'ব।

আন এক গুৰুত্বপূৰ্ণ দিশ হ'ল সময়সীমা আৰু কাৰ্যক্ষমতা। ভাৰতৰ দৰে বিশাল দেশত এনে বৃহৎ প্ৰকল্পসমূহ ভূ-অধিগ্ৰহণ, আইনগত আৰু কাৰিকৰী জটিলতাৰ বাবে প্ৰায়ে পলম হোৱা দেখা যায়। গতিকে এই সংযোজন বাস্তৱত ৰূপায়িত কৰিবলৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মাজত সুদৃঢ় সমন্বয়ৰ প্ৰয়োজন।

গুৱাহাটীলৈ হাইস্পীড ৰেল'ৱে কৰিডৰ'ক সম্প্ৰসাৰণৰ সিদ্ধান্তই 'নতুন ভাৰত' আৰু 'নতুন অসম'ৰ বিকাশৰ সংকল্পক প্ৰতিফলিত কৰিছে। চৰকাৰে পৰিবেশ সংৰক্ষণ আৰু সঠিক ৰূপায়ণৰ ওপৰত গুৰুত্ব দি এই প্ৰকল্পক আগবঢ়াই নিলে ই সঁচাকৈয়ে উত্তৰ-পূবৰ প্ৰগতিৰ যাত্ৰাত এক সোণালী অধ্যায় হিচাপে চিহ্নিত হ'ব।

ভাৰতবৰ্ষ এখন বৈচিত্ৰ্যপূৰ্ণ দেশ। বিভিন্ন ভাষা, ধৰ্ম, জাতি, জনগোষ্ঠী, ৰীতি-নীতি আৰু পৰম্পৰাৰে সমৃদ্ধ এই দেশৰ প্ৰকৃত শক্তি নিহিত হৈ আছে বৈচিত্ৰ্যৰ মাজত ঐক্যৰ ভাবধাৰাত। মানুহৰ ধৰ্মীয় বিশ্বাস আৰু জীৱনধাৰা পৃথক হ'লেও সুখ-শান্তি, প্ৰেম, ভাতৃত্ববোধ আৰু সুন্দৰ সমাজ এখন গঢ়াৰ আকাংক্ষা সকলোৰে একে। আমাৰ ভাৰতবৰ্ষৰ দেৱালী, হোলী, বিহু, দুৰ্গাপূজা, ঈদ, ৰবদিন আদি উৎসবে এই উমৈহতীয়া মানৱীয় মূল্যবোধকেই প্ৰকাশ কৰে। এইবোৰ কেৱল ধৰ্মীয় অনুষ্ঠান বা আনন্দ-উল্লাসৰ উপলক্ষ নহয়। মানুহৰ মাজত সম্প্ৰীতি, সহযোগিতা আৰু পাৰস্পৰিক সম্মান গঢ়ি তোলাৰো এক শক্তিশালী মাধ্যম।



নলিনী ৰঞ্জন ভট্টাচাৰ্য্য

উৎসব এখন সমাজৰ জীৱন্ত প্ৰতিচ্ছবি। ইয়াৰ মাজেৰে সমাজৰ ইতিহাস, ধৰ্মীয় বিশ্বাস, কৃষিজীবন, লোকসংস্কৃতি, শিল্পকলা আৰু সামাজিক সম্পৰ্কৰ পৰিচয় পোৱা যায়। ভাৰতৰ বিভিন্ন অঞ্চলত উৎসব উদযাপনৰ ৰীতি-নীতি পৃথক হ'লেও বহু উৎসবৰ অন্তৰালত থকা মূল ভাব হৈছে মংগল, শান্তি, আনন্দ আৰু নতুন আশাৰ সঞ্চাৰ। সেয়েহে উৎসব-পাৰ্বণৰ তাৎপর্য কেৱল ধৰ্মীয় পৰিসৰত সীমাবদ্ধ নহয়। ইয়াৰ মাজত নিহিত হৈ আছে সামাজিক ঐক্য আৰু সাংস্কৃতিক সমন্বয়ৰ গভীৰ শিক্ষা। এখন সমাজৰ মানুহে পৰস্পৰৰ উৎসব আৰু পৰম্পৰাৰ বিষয়ে জানিবলৈ আগ্ৰহ প্ৰকাশ কৰিলে অচিনাকি সংস্কৃতিৰ প্ৰতিও বুজাবুজি আৰু সম্মান বৃদ্ধি পায়। এইদৰে উৎসবে বিভিন্ন সমাজৰ মাজত এক মানৱীয় সেতু গঢ়ি তোলে। ভাৰতীয় সমাজত পালন কৰা প্ৰধান উৎসবসমূহৰ মাজত নিহিত হৈ থকা সাংস্কৃতিক সংহতি আৰু সমন্বয়ৰ চিৰন্তন ৰূপটোৰ সম্পৰ্কে আলোকপাত কৰাই আমাৰ এই লেখাৰ মূল উদ্দেশ্য।

দেৱালী ভাৰতৰ অন্যতম উল্লেখযোগ্য উৎসব। এই উৎসবত মানুহে ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰি ধূপ-চাকি জ্বলায় আৰু পোহৰেৰে চৌদিশ উজলাই তোলে। বিশ্বু পৰম্পৰাত দেৱালীৰ সৈতে ভগৱান ৰামৰ অযোধ্যাগৈ প্ৰত্যাবৰ্তনৰ কাহিনী বিশেষভাবে জড়িত। ভাৰতৰ বিভিন্ন অঞ্চলত দেৱালী উদযাপনৰ সৈতে বেলেগ বেলেগ ধৰ্মীয় কাহিনী আৰু পৰম্পৰাও জড়িত হৈ আছে। পোহৰৰ এই উৎসবে প্ৰতীকীভাৱে অন্ধকাৰৰ ওপৰত পোহৰ, অশুভৰ ওপৰত শুভ আৰু হতাশাৰ ওপৰত আশাৰ জয়ৰ বাণী বহন কৰে। আঞ্চীয়া-স্বজন আৰু চুবুৰীয়াৰ মাজত মিঠাই আৰু উপহাৰ আদান-প্ৰদানৰ জৰিয়তে মানুহৰ সম্পৰ্ক অধিক ঘনিষ্ঠ হয়। আনহাতে, হোলী বা ফাগুৱা বঙৰ উৎসব। প্ৰহ্লাদ আৰু হোলিকাৰ কাহিনীৰ সৈতে জড়িত এই উৎসবে অশুভ শক্তিৰ পৰাজয়ৰ বাৰ্তা দিয়ে। বঙৰ আনন্দত মানুহে পৰস্পৰৰ ওচৰ চপাই সুযোগ লাভ কৰে। এই দুটাটো উৎসবে আমাক শিকাই দিয়ে যে প্ৰকৃত আনন্দৰ সৈতে সন্তুষ্টি, সহনশীলতা আৰু আনৰ প্ৰতি সমান জড়িত হৈ আছে। অৱশ্যে উৎসবৰ আনন্দৰ নামত পৰিবেশ প্ৰদূষণ, পানীৰ অপচয় আৰু আনৰ অসুবিধা সৃষ্টি কৰাৰ পৰা বিৰত থকাটোও সমানেই প্ৰয়োজনীয়।

অসমীয়া জাতীয় জীৱনৰ প্ৰাণ হৈছে বিহু। বহাগ বিহু, কাতি বিহু আৰু মাঘ বিহু- এই তিনিটি বিশ্বু সৈতে অসমৰ কৃষিজীৱন, প্ৰকৃতি আৰু লোকপৰম্পৰাৰ সম্পৰ্ক নিবিড়ভাবে জড়িত হৈ আছে। বহাগ বিহুৱে নতুন বছৰ আৰম্ভণক আদৰি লয়, কাতি বিহুত শস্যৰ মংগল কামনা কৰা হয় আৰু মাঘ বিহুৱে শস্য চপোৱাৰ আনন্দ প্ৰকাশ কৰে। ঢোল, পেঁপা, গগনা, বিহুতীয়, বিহুনুত্য, পিঠা-পনা আৰু গামোছাৰ মাজেৰে অসমীয়া সংস্কৃতিৰ সুকীয়া ৰূপ বিশ্বত প্ৰকাশ পায়। গৰু বিহুত গৰু-গাইৰ যত্ন লোৱা আৰু মানুহ বিহুত জ্যেষ্ঠজনৰ আশীৰ্বাদ লোৱাৰ দৰে পৰম্পৰাই প্ৰকৃতিৰ প্ৰতি কৃতজ্ঞতা আৰু পাৰস্পৰিক শ্ৰদ্ধাৰ ভাব প্ৰকাশ কৰে।

বিহুৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ইয়াৰ মিলনধৰ্মী চৰিত্ৰ। অসমৰ বিভিন্ন ধৰ্ম আৰু জনগোষ্ঠীৰ মানুহে বিহুৰ আনন্দত অংশগ্ৰহণ কৰে। বড়োসকলৰ বৈশাগু, মিচিংসকলৰ আলি-আয়ে-লুগাং আৰু অন্যান্য জনগোষ্ঠীৰ পৰম্পৰাগত উৎসবসমূহেও অসমৰ সাংস্কৃতিক বৈচিত্ৰ্যক সমৃদ্ধ কৰিছে। এই উৎসৱবোৰে প্ৰকৃতিৰ সৈতে মানুহৰ সম্পৰ্ক, কৃষিকাৰ্য ওতঃপ্ৰোত আৰু সামূহিক জীৱনৰ সৌন্দৰ্য প্ৰকাশ কৰে। প্ৰত্যেক জনগোষ্ঠীৰ নিজস্ব পৰম্পৰাক সন্মান জনাই একেলগে আগবাঢ়ি যোৱাটোৱেই অসমৰ সাংস্কৃতিক ঐতিহ্যৰ এই বহুমুখী চৰিত্ৰই প্ৰতিফলিত কৰে যে জাতীয় পৰিচয় কোনো এটা পৰম্পৰাৰ মাজতে সীমাবদ্ধ নহয়, বিভিন্ন জনগোষ্ঠীৰ অবদানৰ সমন্বয়ৰ মাজেৰেই হৈ পূৰ্ণতা লাভ কৰে।

দুৰ্গাপূজা ভাৰতৰ আন এক উল্লেখযোগ্য ধৰ্মীয় আৰু সাংস্কৃতিক উৎসব। বিশেষকৈ পশ্চিমবংগত এই উৎসব অতি উলহ-মালহেৰে পালন কৰা হয়। অসমতো দুৰ্গাপূজাৰ যথেষ্ট জনপ্ৰিয়তা আছে। দেবী দুৰ্গাৰ আবাহনাৰ লগতে প্ৰতিমা নিৰ্মাণ, মণ্ডপ সজ্জা, সংগীত আৰু বিভিন্ন শিল্পকলাৰ মাজেৰে এই উৎসবে সৃষ্টিশীল প্ৰতিভাৰ প্ৰকাশ ঘটায়। ২০২১ চনত কলকাতাৰ দুৰ্গাপূজাক ৰাষ্ট্ৰসংঘৰ শিক্ষা, বিজ্ঞান আৰু সংস্কৃতিবিষয়ক সংস্থাই (UNESCO) মানৱতাৰ অমূর্ত সাংস্কৃতিক ঐতিহ্যৰ প্ৰতিনিধিত্বমূলক তালিকাত অন্তৰ্ভুক্ত কৰে। এই স্বীকৃতিয়ে উৎসৱটোক সামাজিক আৰু সাংস্কৃতিক গুৰুত্ব বিশ্বৱ আগত প্ৰতিষ্ঠা কৰিছে। দুৰ্গাপূজাৰ সময়ত বিভিন্ন ধৰ্ম মানুহে মণ্ডপ দৰ্শন কৰে আৰু শিল্পকলাৰ সৌন্দৰ্য উপভোগ কৰে। ইয়াৰ ফলত ধৰ্মীয় পৰিচয়ৰ পাৰ্থক্য অতিক্ৰম কৰি সামাজিক সম্পৰ্ক গঢ়ি উঠাৰ সুযোগ সৃষ্টি হয়। এই উৎসবে মানুহক শান্তি, সহমৰ্মিতা আৰু মানৱতাৰ পথেৰে আগবাঢ়িবলৈ অনুপ্ৰেৰণা যোগায়। এই সকলোবোৰ উৎসবেই আমাক অহংৰ সীমাবদ্ধ দিয়ে যে ধৰ্মীয় বিশ্বাস আৰু উপাসনা পদ্ধতি যিমানেই ভিন্ন নহওক কিয়, সৰ্বোপৰি মানৱসেৱা, জীৱকল্যাণ আৰু বিশ্বভাতৃত্ববোধৰ প্ৰকৃত শিক্ষা সকলোৱে একে।



উৎসৱৰ মাজেৰে একতাৰ বাণী ঃ ভাৰতীয় সংস্কৃতিত সমন্বয়ৰ সেতু

অসমীয়া জাতীয় জীৱনৰ প্ৰাণ হৈছে বিহু। বহাগ বিহু, কাতি বিহু আৰু মাঘ বিহু- এই তিনিটি বিহুৱে সৈতে অসমৰ কৃষিজীৱন, প্ৰকৃতি আৰু লোকপৰম্পৰাৰ সম্পৰ্ক নিবিড়ভাবে জড়িত হৈ আছে। বহাগ বিহুৱে নতুন বছৰ আৰম্ভণক আদৰি লয়, কাতি বিহুত শস্যৰ মংগল কামনা কৰা হয় আৰু মাঘ বিহুৱে শস্য চপোৱাৰ আনন্দ প্ৰকাশ কৰে। ঢোল, পেঁপা, গগনা, বিহুতীয়, বিহুনুত্য, পিঠা-পনা আৰু গামোছাৰ মাজেৰে অসমীয়া সংস্কৃতিৰ সুকীয়া ৰূপ বিশ্বত প্ৰকাশ পায়। গৰু বিহুত গৰু-গাইৰ যত্ন লোৱা আৰু মানুহ বিহুত জ্যেষ্ঠজনৰ আশীৰ্বাদ লোৱাৰ দৰে পৰম্পৰাই প্ৰকৃতিৰ প্ৰতি কৃতজ্ঞতা আৰু পাৰস্পৰিক শ্ৰদ্ধাৰ ভাব প্ৰকাশ কৰে। বিহুৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ইয়াৰ মিলনধৰ্মী চৰিত্ৰ। অসমৰ বিভিন্ন ধৰ্ম আৰু জনগোষ্ঠীৰ মানুহে বিহুৰ আনন্দত অংশগ্ৰহণ কৰে। বড়োসকলৰ বৈশাগু, মিচিংসকলৰ আলি-আয়ে-লুগাং আৰু অন্যান্য জনগোষ্ঠীৰ পৰম্পৰাগত উৎসবসমূহেও অসমৰ সাংস্কৃতিক বৈচিত্ৰ্যক সমৃদ্ধ কৰিছে। এই উৎসৱবোৰে প্ৰকৃতিৰ সৈতে মানুহৰ সম্পৰ্ক, কৃষিকাৰ্য ওতঃপ্ৰোত আৰু সামূহিক জীৱনৰ সৌন্দৰ্য প্ৰকাশ কৰে। প্ৰত্যেক জনগোষ্ঠীৰ নিজস্ব পৰম্পৰাক সন্মান জনাই একেলগে আগবাঢ়ি যোৱাটোৱেই অসমৰ সাংস্কৃতিক ঐতিহ্যৰ এই বহুমুখী চৰিত্ৰই প্ৰতিফলিত কৰে যে জাতীয় পৰিচয় কোনো এটা পৰম্পৰাৰ মাজতে সীমাবদ্ধ নহয়, বিভিন্ন জনগোষ্ঠীৰ অবদানৰ সমন্বয়ৰ মাজেৰেই হৈ পূৰ্ণতা লাভ কৰে।

দুৰ্গাপূজা ভাৰতৰ আন এক উল্লেখযোগ্য ধৰ্মীয় আৰু সাংস্কৃতিক উৎসব। বিশেষকৈ পশ্চিমবংগত এই উৎসব অতি উলহ-মালহেৰে পালন কৰা হয়। অসমতো দুৰ্গাপূজাৰ যথেষ্ট জনপ্ৰিয়তা আছে। দেবী দুৰ্গাৰ আবাহনাৰ লগতে প্ৰতিমা নিৰ্মাণ, মণ্ডপ সজ্জা, সংগীত আৰু বিভিন্ন শিল্পকলাৰ মাজেৰে এই উৎসবে সৃষ্টিশীল প্ৰতিভাৰ প্ৰকাশ ঘটায়। ২০২১ চনত কলকাতাৰ দুৰ্গাপূজাক ৰাষ্ট্ৰসংঘৰ শিক্ষা, বিজ্ঞান আৰু সংস্কৃতিবিষয়ক সংস্থাই (UNESCO) মানৱতাৰ অমূর্ত সাংস্কৃতিক ঐতিহ্যৰ প্ৰতিনিধিত্বমূলক তালিকাত অন্তৰ্ভুক্ত কৰে। এই স্বীকৃতিয়ে উৎসৱটোক সামাজিক আৰু সাংস্কৃতিক গুৰুত্ব বিশ্বৱ আগত প্ৰতিষ্ঠা কৰিছে। দুৰ্গাপূজাৰ সময়ত বিভিন্ন ধৰ্ম মানুহে মণ্ডপ দৰ্শন কৰে আৰু শিল্পকলাৰ সৌন্দৰ্য উপভোগ কৰে। ইয়াৰ ফলত ধৰ্মীয় পৰিচয়ৰ পাৰ্থক্য অতিক্ৰম কৰি সামাজিক সম্পৰ্ক গঢ়ি উঠাৰ সুযোগ সৃষ্টি হয়। এই উৎসবে মানুহক শান্তি, সহমৰ্মিতা আৰু মানৱতাৰ পথেৰে আগবাঢ়িবলৈ অনুপ্ৰেৰণা যোগায়। এই সকলোবোৰ উৎসবেই আমাক অহংৰ সীমাবদ্ধ দিয়ে যে ধৰ্মীয় বিশ্বাস আৰু উপাসনা পদ্ধতি যিমানেই ভিন্ন নহওক কিয়, সৰ্বোপৰি মানৱসেৱা, জীৱকল্যাণ আৰু বিশ্বভাতৃত্ববোধৰ প্ৰকৃত শিক্ষা সকলোৱে একে।

উৎসব-পাৰ্বণৰ প্ৰভাৱ ধৰ্মীয় আৰু সাংস্কৃতিক ক্ষেত্ৰতে সীমাবদ্ধ নহয়। ইয়াৰ সৈতে বহু লোকৰ জীৱিকাও জড়িত। প্ৰতিমা নিৰ্মাতা, মৃৎশিল্পী, তাঁতী, ফুলৰ খেতিয়ক, মিঠাই প্ৰস্তুতকাৰী আৰু ক্ষুদ্ৰ ব্যবসায়ীসকলে উৎসবৰ সময়ত কৰ্মৰ সুযোগ লাভ কৰে। বিশ্ব সময়ত গাঁমোচা আৰু পৰম্পৰাগত সাজ-পোছাকৰ চাহিদা বৃদ্ধি পায়। দুৰ্গাপূজাৰ সময়ত প্ৰতিমা আৰু মণ্ডপ নিৰ্মাণৰ কামে বহু শিল্পীক জীৱিকাৰ সুবিধা দিয়ে। দেৱালীৰ সময়ত মাটিৰ চাকি নিৰ্মাণ কৰা শিল্পীসকলেও নিজৰ পৰম্পৰাগত কলাৰ জৰিয়তে সুযোগ লাভ কৰে। আতচবাজী নিৰ্মাতাসকলে এখন ভাল বজাৰ লাভ কৰে। এইদৰে উৎসবে স্থানীয় অৰ্থনীতি আৰু পৰম্পৰাগত শিল্পকলাক সহায় কৰে। সেয়েহে উৎসৱৰ সৈতে জড়িত শিল্পী আৰু শ্ৰমিকসকলৰ অবদানক স্বীকৃতি দিয়াৰ লগতে তেওঁলোকৰ সৃষ্টিকৰ্মক উৎসাহিত কৰাটো আমাৰ সামাজিক দায়িত্ব।

কিন্তু উৎসব পালন কৰিলেই সাংস্কৃতিক সমন্বয় স্বয়ংক্ৰিয়ভাবে প্ৰতিষ্ঠা নহয়। ইয়াৰ বাবে আমাৰ ধৰ্মীয় বিশ্বাসৰ প্ৰতি সন্মান, মতভেদৰ মাজত সহনশীলতা আৰু সামাজিক দায়িত্ববোধৰ প্ৰয়োজন। ধৰ্মীয় বিদ্বেষ বিয়পোৱা, আনৰ পৰম্পৰাক উপহাস কৰা আৰু অসত্য তথ্য প্ৰচাৰ কৰা কাৰ্যই সমাজৰ ঐক্য দুৰ্বল কৰে। সেয়েহে পৰিয়াল, শিক্ষানুষ্ঠান আৰু সংবাদ মাধ্যমে নতুন প্ৰজন্মৰ মাজত সম্প্ৰীতিৰ মূল্যবোধ গঢ়ি তোলাত গুৰুত্ব দিব লাগে। বিদ্যালয়ত বিভিন্ন উৎসবৰ ইতিহাস, তাৎপর্য আৰু পৰম্পৰাৰ বিষয়ে আলোচনা কৰিলে শিক্ষাৰ্থীসকলে আনৰ সংস্কৃতিৰ প্ৰতি সন্মান কৰিবলৈ শিকিব। সংবাদ মাধ্যমেও উৎসবৰ বাহ্যিক আড়ম্বৰৰ লগতে ইয়াৰ অন্তৰালত থকা ঐতিহাসিক আৰু মানৱীয় তাৎপর্য দাঙি ধৰিব লাগে। কোনো তথ্য বিশ্বাস বা প্ৰচাৰ কৰাৰ আগতে তাৰ সত্যতা পৰীক্ষা কৰাটোও অত্যন্ত প্ৰয়োজনীয়।

উৎসৱৰ আনন্দই যাতে পৰিবেশৰ ক্ষতি বা আনৰ অসুবিধাৰ কাৰণ নহয়, তাৰ প্ৰতিও সচেতন হোৱা উচিত। শব্দ আৰু বায়ু প্ৰদূষণ হ্ৰাস কৰা, পানী আৰু অন্যান্য সম্পদৰ অপচয় ৰোধ কৰা, আৱৰ্জনা সঠিকভাবে নিষ্কাশন কৰা আৰু দুখীয়া-অসহায় লোকৰ সৈতে আনন্দ ভাগ-বাটোৰাৰা কৰাটো উৎসৱ উদযাপনৰ অবিচ্ছেদ্য দায়িত্ব হোৱা উচিত। উৎসৱৰ সময়ত বৃদ্ধ, শিশু, বিশেষভাবে সক্ষম ব্যক্তি আৰু আৰ্থিকভাবে দুৰ্বল পৰিয়ালৰ প্ৰয়োজনৰ প্ৰতিও মনোযোগ দিয়া উচিত। উৎসৱৰ আনন্দ যিমানেইবা পাপকয়াত সকলোৱে মাজত বিয়পি পৰিব, ইয়াৰ সামাজিক তাৎপর্যও সিমানেই গভীৰ হ'ব।

উৎসব-পাৰ্বণৰ পৰম্পৰা এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ ধাৰাবাহিকভাৱে প্ৰবাহিত হৈ আছিল। বিশ্বীয়, লোকনৃত্য, পৰম্পৰাগত খাদ্য, স্তুতিশ্লোক আৰু সামাজিক আচাৰ-ব্যৱহাৰ আমাৰ সমৃদ্ধ সাংস্কৃতিক সম্পদ। আধুনিক জীৱনধাৰাৰ দ্ৰুত পৰিবৰ্তনৰ মাজতো এই ঐতিহ্য সংৰক্ষণ কৰাটো আমাৰ সমুহ দায়িত্ব। নতুন প্ৰজন্মক বিভিন্ন উৎসৱৰ ঐতিহাসিক তাৎপর্য বুজি চিনাকি কৰাই দিয়া আৰু স্থানীয় শিল্পীক উৎসাহিত কৰাটোৱে সাংস্কৃতিক সমন্বয়ক অধিক শক্তিশালী কৰিব পাৰে। নিজৰ সংস্কৃতিক ভালপোৱাৰ অর্থ আনৰ সংস্কৃতিক অবহেলা কৰা নহয়। বৰঞ্চ নিজৰ ঐতিহ্যৰ প্ৰতি গৌৰৱ অক্ষুণ্ণ ৰাখি আনৰ সুকীয়াকো সমানে শ্ৰদ্ধা জনোৱাটোকহে প্ৰকৃত সাংস্কৃতিক উদাৰতা বুলিব পাৰি।

ভাৰতীয় উৎসৱ-পাৰ্বণৰ প্ৰকৃত মহত্ত্ব ইয়াৰ বাহ্যিক আড়ম্বৰত নহয়, মানুহৰ মনত জগাই তোলা মানৱীয় মূল্যবোধতেই নিহিত হৈ আছে। দেৱালীৰ পোহৰ, হোলীৰ বং, বিহুৰ সুৰ, দুৰ্গাপূজাৰ শিল্পকলা, ঈদৰ দানশীলতা আৰু ৰবদিনৰ শান্তিৰ বাণীয়ে আমাক বিভিন্ন ধৰ্মৰে একেটা শিক্ষাই দিয়ে। সেয়া হ'ল- পৰস্পৰৰ প্ৰতি মৰম, সন্মান আৰু সহানুভূতি অহিৰনে এখন সুস্থ সমাজ গঢ়ি উঠিব নোৱাৰে। উৎসৱৰ প্ৰকৃত সাৰ্থকতা তেতিয়াহে প্ৰকাশ পায়, যেতিয়া ই মানুহৰ মনৰ সংকীৰ্ণতা দূৰ কৰি বৃহত্তৰ মানৱীয় সম্পৰ্ক গঢ়ি তুলিবলৈ সক্ষম হ'ব পাৰে।

পৰিশেষত ক'ব পাৰি যে, আমি পালন কৰা উৎসৱসমূহ বেলেগ বেলেগ ধৰ্মীয় ৰূপ লৈ ইয়াৰ অন্তৰালৰ মানৱীয়তাৰ বাণী কিন্তু একে। এই সত্য হৃদয়ঙ্গম কৰি আনৰ সংস্কৃতিক সন্মান জনোৱা আৰু উৎসৱৰ আনন্দ সকলোৱে সৈতে ভাগ-বাটোৰাৰা কৰাটোৱেই হৈছে আমাৰ প্ৰকৃত সাফল্য। ভাৰতৰ সাংস্কৃতিক বৈচিত্ৰ্যক বিভেদৰ পৰিবৰ্তে ঐক্যৰ শক্তি হিচাপে গ্ৰহণ কৰিব পাৰিলেহে এখন শান্তিপূর্ণ, সহনশীল আৰু সমৃদ্ধিশালী ভৰা সমাজ গঢ়ি তোলা সম্ভৱ হ'ব। উৎসৱৰ পোহৰে প্ৰতিটো হৃদয় আলোকিত কৰক, সম্প্ৰীতিৰে এনাজৰীয়ে প্ৰতিটো জনগোষ্ঠীক ওচৰ চপাই আনক আৰু সাংস্কৃতিক সমন্বয়ৰ আদৰ্শই সমাজৰ চিৰদিন একতাৰ বান্ধোনেৰে বান্ধি ৰাখক- এয়াই আমাৰ একান্ত কামনা।

অসমত থকা নেপালী সম্প্ৰদায় বা গোৰ্খাসকলৰ কালী পূজাৰ উদ্‌যাপন

নেপালী বা গোৰ্খাসকলৰ কালী পূজা এটি গুৰুত্বপূৰ্ণ আধ্যাত্মিক, সাংস্কৃতিক, বিশ্বাস আৰু ঐক্যৰ প্ৰতীক। গোৰ্খাসকলে উদযাপন কৰি অহা কালী পূজা (তিহাৰ, দীপাবলী) মুঠ পাঁচটা দিনৰ কাৰ্যক্ৰমত অনুষ্ঠিত হয়। বিক্ৰম সম্বত বৰ্ষপঞ্জি অনুসৰি কাৰ্তিক মাহৰ কৃষ্ণপক্ষৰ এয়োদশী তিথিৰ দিনা কাউৰী তিহাৰ পৰা আৰম্ভ হৈ কাৰ্তিক মাহৰ শুক্লপক্ষৰ দ্বিতীয়া তিথিৰ ভাই টিকা লগাই নেপালী তথা গোৰ্খাসকলৰ কালী পূজাৰ সমাপন ঘটে। কালী পূজা বা তিহাৰ উদযাপন কৰা প্ৰক্ষ্যাত কথাবোৰ আজি এক একোৱাৰে প্ৰচলিত কথা ভাগ মৃত্যুৰ দেৱতা যমৰাজ আৰু তেওঁৰ ভগ্নী যমুনা মাজত উৎসৰ্গিত আছে। যমৰাজৰ ভগ্নী যমুনায়ে নিজ কৰ্মফলৰ লগত লগ নকৰা বহুত দিন হৈছিল। সেয়েহে যমুনায়ে নিজ ভাতৃৰ লগত লগ কৰিবলৈ প্ৰথমে কাউৰী, কুকুৰ তথা পাচত গাইক বার্তা দি পঠালে। আৰু অন্তিমত যমুনায়ে নিজে গৈ ভাতৃৰ ফুল, ফল, মালা আদি পিন্ধাই পূজা কৰে। এইদৰে আধ্যাত্মিক বিশ্বাসৰ লগত সংযতি ৰাখি নেপালী বা গোৰ্খাসকলৰ মাজত কালী পূজা বা তিহাৰ উদযাপন কৰাৰ পৰম্পৰা প্ৰচলিত হৈছিল। কৰিবলৈ নেপালী সকলৰ কালী পূজাৰ প্ৰথম দিনটোত কাউৰী বিলাকৰ পূজা কৰা নিয়ম প্ৰচলিত আছে। কাৰণ কুকুৰাৰ অতীতৰ পৰাই মানুহৰ এক ভৰসাদায়ক জন্তু হিচাপে ধৰা হয়। তাৰ পিছৰ কালী পূজাৰ তৃতীয় দিনৰ দিনা গাইবোৰৰ পূজা কৰা হয়। কাৰণ গাইবোৰক হিন্দু ধৰ্মত দেবী লক্ষ্মী ৰূপত পূজা কৰা হয়। আৰু সেই তৃতীয় দিনৰ দিনাই সন্ধিয়া সময়ত চৌদিশে চাকি, বস্তি জ্বলাই দেবী লক্ষ্মীৰ পূজা, আৰ্চনা কৰা নিয়ম প্ৰচলিত আছে। লক্ষ্মী পূজাৰ পৰ্ব শেষ হোৱাৰ পিছত নেপালী সম্প্ৰদায়ৰ সকলো শ্ৰেণীৰ লোকে নিজা নিজা দল বান্ধ

আমগুৰি গ্ৰন্থমেলাত প্ৰবীণ লেখিকা তোষেশ্বৰী নেওগ ফুকনৰ অষ্টম গ্ৰন্থ "কুঁৱলী ফলা ৰ'দ"ৰ আনুষ্ঠানিক উন্মোচন

অসম বাৰ্তা, আমগুৰি, ৪ নৱেম্বৰ ঃ শিবসাগৰ জিলাৰ আমগুৰিত অনুষ্ঠিত প্ৰথম আমগুৰি গ্ৰন্থমেলাৰ চতুৰ্থ দিনা বিশিষ্ট লেখিকা তোষেশ্বৰী নেওগ ফুকনৰ গল্প সংকলন "কুঁৱলী ফলা ৰ'দ" আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। আউনীআটীয়ে হেমচন্দ্ৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ইন্দ্ৰকমল ফুকনে গ্ৰন্থখন উন্মোচন কৰে। উন্মোচনী অনুষ্ঠানত একেখন বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ প্ৰমোদ শইকীয়া আৰু বিশিষ্ট লেখিকা মীনা গগৈ উপস্থিত থাকে। উল্লেখযোগ্য যে, প্ৰবীণ লেখিকা তোষেশ্বৰী নেওগ ফুকনৰ এইখন অষ্টম গ্ৰন্থ।

চাপৰৰ সোণামুখীত ভয়ংকৰ পথ দুৰ্ঘটনা; গুৰুতৰভাৱে আহত তিনিজন

অসম বাৰ্তা, কুমুলী পাবা, ৪ নৱেম্বৰ ঃ ধুবুৰী জিলাৰ চাপৰৰ সোণামুখীত ১৭নং ৰাষ্ট্ৰীয় ঘাই পথত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। এখন তীব্ৰবেগী বেলেনো বাহনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত থকা এজোপা গছত প্ৰচণ্ড জোৰে খুন্দা মৰাৰ ফলত বাহনখনৰ চালকসহ মুঠ তিনিজন ব্যক্তি গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাৰ পিছতে আহতসকলক চিকিৎসাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। দুৰ্ঘটনাগ্ৰস্ত বাহনখনৰ নম্বৰ AS-01DQ-2950 বুলি জানিব পৰা গৈছে। ইফালে, দুৰ্ঘটনাৰ খবৰ লাভ কৰি ঘটনাস্থলীত উপস্থিত হয় চাপৰ-শালকোচা আৰক্ষীৰ দল। দুৰ্ঘটনাৰ কাৰণ সম্পৰ্কত অধিক তথ্য জানিব পৰা হোৱা নাই।

দুলীয়াজানত জুবিন গাৰ্গৰ জন্মজয়ন্তী উপলক্ষে জুবিন সংগীত প্ৰতিযোগিতা সম্পন্ন

অসম বাৰ্তা, দুলীয়াজান, ৪ নৱেম্বৰ ঃ সমিলিত শিল্পী সমাজ, দুলীয়াজানৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিবস আৰু জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৫৪তম ওপজা দিন উপলক্ষে যোৱা ১ নৱেম্বৰত দুলীয়াজানত এখন 'জুবিন সংগীত প্ৰতিযোগিতা' সফলতাৰে সম্পন্ন হয়। স্থানীয় ইণ্ডিয়ান অইল কৰ্পৰেচ্ছ ইউনিয়নৰ প্ৰেক্ষাগৃহত আয়োজিত এই অনুষ্ঠানটিত স্থানীয় প্ৰতিযোগীসকলে অংশগ্ৰহণ কৰে। ভাস্কৰ শইকীয়া আৰু পলাশ জ্যোতি ফুকনে বিচাৰক হিচাপে দায়িত্ব পালন কৰা এই প্ৰতিযোগিতাৰ চাৰিওটা শাখাৰ ফলাফল ইতিমধ্যে ঘোষণা কৰা হৈছে। 'ক' শাখাত প্ৰথম শিৰাংগিনী শইকীয়া, দ্বিতীয় সাগৰিকা বৰুৱা, তৃতীয় দিব্যাংকা বৰঠাকুৰ হোৱাৰ লগতে আধা পাল আৰু লিয়ান মৰাৰে উদগনি বঁটা লাভ কৰে। একেদৰে 'খ' শাখাত খ্ৰীষ্টাব্দ সোণোৱালে প্ৰথম, আনহি ভূঞা হাজৰিকাই দ্বিতীয় আৰু দেবাংগনা কলিতাই তৃতীয় স্থান অৰ্জন কৰে। আনহাতে 'গ' শাখাত ভাগ্যশ্ৰী হাজৰিকা, সংযুক্তা মহন্ত আৰু ৰেঙণি চেতিয়াই ক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰাৰ বিপৰীতে 'ঘ' শাখাত অভিনব বৰা, ঋষিজা বৰুৱা আৰু অনিতা বৰদৈয়ে ক্ৰমে প্ৰথম তিনিটা স্থান দখল কৰিবলৈ সক্ষম হয়। সমিলিত শিল্পী সমাজৰ সভাপতি অনন্ত গগৈ, কাৰ্যকৰী সভাপতি অনলজ্যোতি শৰ্মা আৰু সাংস্কৃতিক সম্পাদক বিজয় গগৈকে ধৰি সমূহ বিষয়বীয়াই বিজয়ীসকলক অভিনন্দন জ্ঞাপন কৰিছে। উদ্যোক্তা সমিতিয়ে জানিবলৈ দিয়া অনুসৰি, অহা ২৮ আৰু ২৯ নৱেম্বৰত দুলীয়াজান বিষ্ণুতলী প্ৰাঙ্গণত অনুষ্ঠিত হ'বলগীয়া শিল্পী সমাজৰ প্ৰতিষ্ঠা দিবসৰ মূল কাৰ্যসূচীতে বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰসমূহ প্ৰদান কৰা হ'ব। ইয়াবোপৰি, প্ৰতিটো শাখাৰ প্ৰথম স্থানপ্ৰাপ্ত বিজয়ীসকলে প্ৰতিষ্ঠা দিবসৰ অনুষ্ঠানত গীত পৰিবেশন কৰাৰ এক সুবৰ্ণ সুযোগ লাভ কৰিব।

সমাজ-সংস্কৃতিৰ একনিষ্ঠ সেৱক তথা প্ৰাক্তন প্ৰধান শিক্ষক সুৰেন্দ্ৰ নাথ বৰুৱাৰ পৰলোকপ্ৰাপ্তি

অসম বাৰ্তা, দুলীয়াজান, ৪ নৱেম্বৰ ঃ দুলীয়াজানৰ ঊষাপুৰৰ বিশিষ্ট সমাজকৰ্মী, অবসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, কবি তথা সাংস্কৃতিক কৰ্মী সুৰেন্দ্ৰ নাথ বৰুৱাই পৰিচিতি-নিশা ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৫ বছৰ। জানিব পৰা মতে, বয়োজ্যেষ্ঠ সমাজকৰ্মীগৰাকী দীৰ্ঘদিনৰ পৰা বহুমুত্ৰ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত আছিল। তেখেতৰ মৃত্যুত সমগ্ৰ ঊষাপুৰ তথা দুলীয়াজান অঞ্চলত এক শোকাকুল পৰিবেশে বিৰাজ কৰিছে। ঊষাপুৰ নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে সুদীৰ্ঘকাল সেৱা আগবঢ়াই অবসৰ গ্ৰহণ কৰা প্ৰয়াত বৰুৱা কেবল এগৰাকী শিক্ষাবিদেই নাছিল, তেখেতে আছিল বৃহত্তৰ অঞ্চলটোৰ সমাজ-সংস্কৃতিৰ একনিষ্ঠ সাধক। তেখেতে ঊষাপুৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদকৰ উপৰিও ভাটৈ আঞ্চলিক অখণ্ড ভাগৰত পাঠ সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে সমাজটিৰ উল্লেখনীয় অৱদান আগবঢ়াই গৈছে। তদুপৰি, প্ৰাথমিক শিক্ষক গোটৰ ঊষাপুৰ কেন্দ্ৰৰ সম্পাদকৰ দায়িত্ব পালন কৰা বৰুৱা এগৰাকী সু-কবি হিচাপেও অঞ্চলটোত পৰিচিত আছিল। কালি প্ৰায়ছ বৰুৱাৰ নশ্বৰ দেহ ঊষাপুৰৰ ঊষা গাঁৱৰ নিজ বাসগৃহলৈ অনাৰ পিছতেই এক হৃদয় বিদাৰক পৰিবেশৰ সৃষ্টি হয়। অঞ্চলটোৰ বহুসংখ্যক গুণমুগ্ধক লগতে বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়ে উপস্থিত হৈ প্ৰয়াত বৰুৱাক শেষ শ্ৰদ্ধা নিবেদন কৰে। মৃত্যুৰ সময়ত তেখেতে পত্নী, অইল ইণ্ডিয়া লিমিটেডৰ শ্ৰমিক নেতা দন্দন বৰুৱাকে ধৰি দুজন পুত্ৰ, দুগৰাকী বোৱাৰী আৰু নাতি-নাতিনীক ইই সংসাৰত এবি থৈ গৈছে। বৰ্ষীয়ান সমাজকৰ্মী গৰাকীৰ মৃত্যুত বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান আৰু সংস্কাৰ মহলে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

গোমধৰ কোঁৱৰৰ মৈদামত শ্ৰদ্ধাঞ্জলি

চৰকাৰী অৱহেলাত জৰাজীৰ্ণ ঐতিহাসিক স্মৃতিক্ষেত্ৰ; মৈদাম বেদখলৰ অভিযোগ

অসম বাৰ্তা, আমওৰি, ৪ নৱেম্বৰ ঃ বৃটিছ শাসিত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰথমগৰাকী নেতা গোমধৰ কোঁৱৰৰ সিংহাসন আৰোহণ দিবসৰ সৈতে সংগতি ৰাখি গাভৰু পাহাৰ আৰু চতাই পাহাৰৰ সংযোগস্থলত অবস্থিত তেওঁৰ মৈদামত বস্তিপ্ৰস্তুতন কৰি বীৰগৰাকী আৰু তেওঁৰ সহযোগীসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰা হয়। এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত আহোম ৰাজতন্ত্ৰৰ অন্তিমযাত্ৰাকী চাওমা গোমধৰ সিংহৰ পৰিয়ালৰ সদস্যসকলৰ লগতে মানচাও দীপজ্যোতি ৰাজকোঁৱৰ, বীৰ পিয়লি ফুকনৰ বংশধৰ চাও অনুৰঞ্জন দুৱৰা, সেই সময়ৰ বিদ্ৰোহী সকলৰ কেইবাগৰাকীও পৰিষ্কাৰি উপস্থিত থাকে। অনুষ্ঠানটোত গোমধৰ কোঁৱৰ মৈদাম সংৰক্ষণ সমিতিৰ সভাপতি মানচাও প্ৰদীপ গগৈ আৰু সম্পাদক মানচাও ৰঞ্জন গগৈয়েও সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে অসমৰ ইতিহাসৰ এক গুৰুত্বপূৰ্ণ অধ্যায়ৰ সৈতে জড়িত এই ঐতিহাসিক স্মৃতিক্ষেত্ৰটোৰ বৰ্তমানৰ অৱস্থাই সচেতন মহলক উদ্বিগ্ন কৰিতুলিছে। ৰাজ চৰকাৰৰ অবহেলাৰ ফলত মৈডামটো এতিয়াও জৰাজীৰ্ণ অৱস্থাত পৰি আছে। কেবল সেয়াই নহয়, ঐতিহাসিক ভূমিখণ্ড বেদখলৰো সূচনা হোৱা বুলি অভিযোগ উত্থাপন হৈছে। উল্লেখযোগ্য যে যোৱা বছৰ মৈদাম সংৰক্ষণ সমিতিৰ উদ্যোগত ঐতিহাসিক স্থানটোত স্থাপন কৰা এখন তথ্যফলকো দুস্কৃতিকাৰীয়ে উভালি আঁতৰাই পেলায়। এনে কাৰ্যই অসমৰ ঐতিহাসিক ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰত এক গভীৰ প্ৰশ্ন অবতাৰণা কৰিছে। সেই সময়ৰ স্থানীয়তা সংগ্ৰামীসকলৰ পৰিণতিসকলৰ লগতে মৈদাম সংৰক্ষণ সমিতিৰ সদস্যসকলে ঐতিহাসিক স্থানটোৰ সুৰক্ষা, সংৰক্ষণ আৰু উন্নয়নৰ বাবে চৰকাৰৰ জৰুৰী হস্তক্ষেপ দাবী কৰিছে। আনহাতেদি উপযুক্ত পৰিকল্পনা আৰু চৰকাৰী পৃষ্ঠপোষকতা লাভ কৰিলে গোমধৰ কোঁৱৰৰ এই ঐতিহাসিক মৈদামক কেন্দ্ৰ কৰি এক আকৰ্ষণীয় পৰ্যটন ক্ষেত্ৰ গঢ়ি তোলাৰ যথেষ্ট সম্ভাবনা আছে। ইয়াৰ জৰিয়তে নতুন প্ৰজন্মই অসমৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসৰ সৈতে পৰিচিত হোৱাৰ লগতে অঞ্চলটোৰ সামাজিক-অৰ্থনৈতিক বিকাশৰো এক নতুন বাট মুকলি হ'ব পাৰে। ইতিহাসৰ এনে এগৰাকী সাহসী বীৰৰ স্মৃতি আজিৰ প্ৰজন্মৰ বাবে কেৱল শ্ৰদ্ধাৰ বিষয়েই নহয়, ই জাতীয় স্বাভিমান আৰু ঐতিহ্যিক পৰিচয়ৰো প্ৰতীক। সেয়েহে গোমধৰ কোঁৱৰৰ মৈদামৰ যথোচিত সংৰক্ষণ আৰু মৰ্যাদা ৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে শীঘ্ৰে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিবৰ বাবে সচেতন মহলে দাবী উত্থাপন কৰিছে।

ধুবুৰী জিলা সম্মিলন আৰু পথ সঞ্চালন কাৰ্যসূচী পালন

গোলকগঞ্জত ৰাষ্ট্ৰ সেৱিকা সমিতিৰ বিজয়া দশমী উৎসৱ

অসম বাৰ্তা, গৌৰীপুৰ, ৪ নৱেম্বৰ ঃ বিজয়া দশমী উৎসৱ উপলক্ষে ৰাষ্ট্ৰ সেৱিকা সমিতিৰ ধুবুৰী জিলা সমিতিৰ উদ্যোগত ১ নৱেম্বৰ ২০২৬ তাৰিখে বিজয়া দশমী উৎসৱ, ধুবুৰী জিলা সম্মিলন আৰু পথ সঞ্চালন কাৰ্যসূচীৰ আয়োজন কৰা হয়। গোলকগঞ্জৰ শংকৰদেৱ শিশু আৰু বিদ্যা নিকেতন প্ৰাংগণত অনুষ্ঠিত এই কাৰ্যসূচীত জিলাখনৰ বিভিন্ন প্ৰান্তৰ সেৱিকাসকলে অংশগ্ৰহণ কৰে। উল্লেখ্য যে, ১৯৩৬ চনত প্ৰতিষ্ঠা লাভ কৰা হিন্দু মহিলাসকলৰ সৰ্বভাৰতীয় সংগঠন ৰাষ্ট্ৰ সেৱিকা সমিতিয়ে ৯০ বছৰীয়া গৌৰবোজ্জ্বল যাত্ৰা সম্পূৰ্ণ কৰিছে। সমিতিৰ প্ৰতিষ্ঠা দিবস আৰু বিজয়া দশমী উৎসৱৰ সৈতে সংগতি ৰাখি এই জিলা সম্মিলন আৰু পথ সঞ্চালন কাৰ্যসূচীৰ আয়োজন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত সম্পূৰ্ণ গণবেশত সেৱিকাসকলৰ উপস্থিতি, ১০ বজাত ধ্বজাৰোহণ আৰু পৰবৰ্তী সময়ত শাৰীবিক অনুশীলন তথা সংগঠনৰ বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানৰ জৰিয়তে সেৱিকাসকলৰ মাজত শৃংখলাবোধ, সংগঠনৰ প্ৰতি নিষ্ঠা, ঐক্য আৰু সামাজিক দায়িত্ববোধৰ বাৰ্তা প্ৰচাৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। উক্ত অনুষ্ঠান কাৰ্যসূচীত ধুবুৰী জিলাৰ সকলো সেৱিকাৰ উপস্থিতিয়ে অনুষ্ঠানটোক বিশেষ তাৎপৰ্য প্ৰদান কৰে।

বিশ্বনাথত অসম ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষা আঙ্গুৰলতা ডেকা

বিষয়াবৰ্গৰে পৰ্যালোচনা বৈঠকত মিলিত

অসম বাৰ্তা, বিহালী, ৪ নৱেম্বৰ ঃ অসম ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষা আঙ্গুৰলতা ডেকাই আজি বিশ্বনাথ জিলা ভ্ৰমণ কৰি সংশ্লিষ্ট বিভাগৰ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বিশ্বনাথৰ নব নিৰ্মিত আৱৰ্ত ভৱনৰ সমিলন কক্ষত অনুষ্ঠিত হোৱা সভাখনত অধ্যক্ষা গৰাকীয়ে সখী একক অৱস্থান কেন্দ্ৰ (OSC), ২৪×৭ উপগ্ৰাহ মহিলা হেল্পলাইন নম্বৰ ১৮১ আৰু মহিলা কোষসমূহৰ কাৰ্যপ্ৰণালী তথা সেৱাসমূহৰ পৰ্যালোচনা কৰে। সজাগতা সৃষ্টিৰ এক বিশেষ পদক্ষেপ হিচাপে তেওঁ বিশ্বনাথ মহাবিদ্যালয় পৰিসৰত কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ১৮১ মহিলা হেল্পলাইন সম্পৰ্কীয় সজাগতামূলক প্ৰচাৰ পত্ৰিকাও বিতৰণ কৰে। ইয়াৰ জৰিয়তে মহিলা সুৰক্ষা আৰু তেওঁলোকৰ বাবে উপলব্ধ সহায়-সহযোগিতা তথা সেৱাসমূহৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ব্যাপক সজাগতা সৃষ্টি কৰা হয়। বৈঠকত অধ্যক্ষা গৰাকীয়ে সখী একক অৱস্থান কেন্দ্ৰটি পৰিদৰ্শন কৰি তাত আশ্ৰয় গ্ৰহণ কৰা নিৰ্যাতনৰ বলি হোৱা মহিলাসকলৰ সৈতে মত বিনিময় কৰে আৰু তেওঁলোকক প্ৰদান কৰা সা-সুবিধা, সহায়-সহযোগিতা তথা অন্যান্য সেৱাসমূহৰ বুজ লয়। এই সকলো কাৰ্যসূচীত বিশ্বনাথ জিলা পৰিষদৰ সভানেত্ৰী সুনীতা তাঁতী, বিশ্বনাথৰ জিলা আয়ুক্ত কৰবী শইকীয়া কৰণ, জোড় আৰক্ষী অধীক্ষক আছিফ আহমেদ, অতিৰিক্ত জিলা আয়ুক্ত অমুত প্ৰভা দাস, বিশ্বনাথ চাৰিআলি পৌৰ সভাৰ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰ, অসম ৰাজ্যিক মহিলা আয়োগৰ সদস্য সচিব অন্তৰা গগৈ, জিলা আই ন সেৱা প্ৰাধিকৰণৰ সচিব আংগজ বৰুৱা, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ যোগেন চন্দ্ৰ বে প্ৰমুখে জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু জিলা পৰিষদ সদস্যসকল উপস্থিত থাকে।

১৫ নৱেম্বৰত ডিমৌ গাঁও পঞ্চায়ত সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভা আৰু নিৰ্বাচন

অসম বাৰ্তা, ডিমৌ, ৩ নৱেম্বৰ ঃ শিবসাগৰ জিলাৰ ডিমৌ গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ ২০২৫-২০২৬ বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভা আৰু সঞ্চালক মণ্ডলীৰ নিৰ্বাচন অহা ১৫ নৱেম্বৰত অনুষ্ঠিত হ'ব। চুকাফা নগৰস্থিত সমিতিৰ নিজা কাৰ্যালয় চৌহদত দিনব ১১:০০ বজাৰ পৰা এই সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সমিতিৰ সভাপতি (তদৰ্থ) অমল মিলি আৰু সম্পাদক মাধুৰ্য্য চেতিয়াই জানিবলৈ দিয়া মতে, উক্ত সভাত সভাপতিৰ আসন গ্ৰহণ, উদ্দেশ্য ব্যাখ্যা, বিগত সাধাৰণ সভাৰ কাৰ্যবিৰৰণী পাঠ আৰু গ্ৰহণ, সম্পাদকীয় প্ৰতিবেদন, চৰকাৰী হিচাপ পৰীক্ষাৰ উদ্ধৃত পত্ৰ পাঠ, বাজেট গ্ৰহণ, ঋণৰ উৰ্দ্ধতম সীমা নিৰ্ধাৰণ, আভ্যন্তৰীণ হিচাপ পৰীক্ষক নিয়োগৰ লগতে সঞ্চালক মণ্ডলীৰ নিৰ্বাচন সম্পন্ন কৰা হ'ব। সঞ্চালক মণ্ডলীৰ পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব বিচৰা সদস্যসকলে অহা ৫ নৱেম্বৰত দিনব ১০:০০ বজাৰ পৰা ১:০০ বজাৰ ভিতৰত সমিতিৰ কাৰ্যালয়ৰ পৰা নিৰ্বাচনী বিষয়াৰ ওচৰত মনোনয়ন পত্ৰ সংগ্ৰহ কৰি দাখিল কৰিব লাগিব। ইয়াৰ বাবে ৫,০০০ টকা মাচুলৰ বন্ধি সংলগ্ন ৰসাটো বাধ্যতামূলক। মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম সময়সীমা ৭ নৱেম্বৰ নিৰ্ধাৰণ কৰা হৈছে। সমিতিৰ আংশীদাৰ সদস্য সকলেহে নিৰ্বাচনত অৱতীর্ণ হ'ব পাৰিব বুলি কৰ্তৃপক্ষই স্পষ্ট কৰি দিছে। সভাখন সফল কৰি তুলিবলৈ উদ্যোক্তা সকলে সমিতিৰ সকলো আংশীদাৰ বাইজ আৰু সদস্যৰ উপস্থিতি তথা সহযোগিতা কামনা কৰিছে।

কলকাতাত সূত্ৰধাৰৰ উদ্যোগত শ্ৰীমন্ত শংকৰ গুৰুজনাৰ ওপৰত "ৰাষ্ট্ৰীয় শৈক্ষিক আৰু আধ্যাত্মিক-সাংস্কৃতিক সম্মিলন"ৰ আয়োজন

অসম বাৰ্তা, বেৰেজীয়া, ৩ নৱেম্বৰ ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ চিন্তা-দৰ্শনক ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰচাৰ-প্ৰসাৰ কৰাৰ লগতে ৰাষ্ট্ৰীয় সংহতি আৰু একাত্মতাৰ বুনিয়াদী ভেটি শক্তিশালী কৰিবলৈ ২০২২ বৰ্ষৰ পৰা একাধাৰে আয়োজন কৰি আহিছে 'সূত্ৰধাৰ' শীৰ্ষক "ৰাষ্ট্ৰীয় শৈক্ষিক আৰু আধ্যাত্মিক-সাংস্কৃতিক সম্মিলন" এইবেলি অহা ১১, ১২ আৰু ১৩ ডিচেম্বৰত পশ্চিম বংগৰ কলকাতা মহানগৰীত আয়োজন কৰিবলৈ নিশ্চিত কৰা হৈছে। এই 'সূত্ৰধাৰ' শীৰ্ষক "ৰাষ্ট্ৰীয় শৈক্ষিক আৰু আধ্যাত্মিক-সাংস্কৃতিক সম্মিলন"টি কলকাতাৰ ভবাণীপুৰ (Bhowanipore)ত অবস্থিত আশুতোষ মেমৰিয়েল হল (Ashutosh Memorial Hall)ত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হব। উল্লেখ্য যে, এইবেলি ভাৰতৰ দক্ষিণ প্ৰান্তৰ পণ্ডিতেৰীত এই অনুষ্ঠানভাগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি একপ্ৰকাৰে আয়োজনৰ হেতু বহুখিনি কাম কৰা হৈছিল যদিও অসমৰ শিবসাগৰ জিলাকে ধৰি আন কেইবাখনো জিলাত হোৱা ভয়ানক বানৰ হেতু প্ৰথমে সময় সলনি কৰিবলগীয়া হৈছিল। পিছলৈ, বানৰ বিভীষিকা হ্ৰাস-পোৱাত অনুষ্ঠান ভাগ ডিচেম্বৰ মাহত পণ্ডিত্তেৰীত কৰিবলৈ পুনৰ চেষ্টা কৰা হৈছিল যদিও সেই খিনি সময়ত সাগৰীয় উপকূলৰ সেই অঞ্চলত সমূহত ভীষণ ধুমুহা-বৰষুণ, ছুনামীৰ দৰে কিছু পৰিস্থিতিৰ সম্ভাৱনা হেতু এইবাৰ অনুষ্ঠান ভাগ দক্ষিণৰ পৰা পুৱ দিশৰ কলকতাতে স্থানান্তৰিত কৰা হৈছে বুলি কুশ্ৰী প্ৰান্তৰ পণ্ডিত্তেৰীত এই অনুষ্ঠানভাগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি একপ্ৰকাৰে আয়োজনৰ হেতু বহুখিনি কাম কৰা হৈছিল যদিও অসমৰ শিবসাগৰ জিলাকে ধৰি আন কেইবাখনো জিলাত হোৱা ভয়ানক বানৰ হেতু প্ৰথমে সময় সলনি কৰিবলগীয়া হৈছিল। পিছলৈ, বানৰ বিভীষিকা হ্ৰাস-পোৱাত অনুষ্ঠান ভাগ ডিচেম্বৰ মাহত পণ্ডিত্তেৰীত কৰিবলৈ পুনৰ চেষ্টা কৰা হৈছিল যদিও সেই খিনি সময়ত সাগৰীয় উপকূলৰ সেই অঞ্চলত সমূহত ভীষণ ধুমুহা-বৰষুণ, ছুনামীৰ দৰে কিছু পৰিস্থিতিৰ সম্ভাৱনা হেতু এইবাৰ অনুষ্ঠান ভাগ দক্ষিণৰ পৰা পুৱ দিশৰ কলকতাতে স্থানান্তৰিত কৰা হৈছে বুলি কুশ্ৰী প্ৰান্তৰ

ৰাসৰ প্ৰাকক্ষণত মাজুলীত বৃহৎ পৰিমাণৰ অবৈধ বিলাতী সু�ৰা জব্দ

যাত্ৰীবাহী গাড়ীত সৰবৰাহৰ নতুন কৌশল

অসম বাৰ্তা, উজনী মাজুলী, ৪ নৱেম্বৰ ঃ ৰাস মহোৎসৱৰ প্ৰাক্কণত সত্ৰভূমি মাজুলী আৰক্ষীয়ে বৃহৎ পৰিমাণৰ অবৈধ বিলাতী সুৰা জব্দ কৰিছে আৰক্ষীয়ে। মাজুলী জিলা আৰক্ষী অধীক্ষকৰ নিৰ্দেশত জিলাখনত অবৈধ সু�ৰাৰ বিৰুদ্ধে চলি থকা ধাৰাবাহিক অভিযানৰ অংশ হিচাপে যোৱা ২৪ ঘণ্টাত মাজুলীৰ ফুলনি, জেংবাইমুখ আৰু বালিচাপৰি অঞ্চলত পৃথকে পৃথকে অভিযান চলোৱা হয়। এই অভিযানত আৰক্ষীয়ে মুঠ ৯০.১৩ লিটাৰ অবৈধ সু�ৰা জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষী সূত্ৰে জানিব পৰা মতে, জব্দকৃত সু�ৰাৰ ভিতৰত আছে ৮৫.১৩ লিটাৰ IMFL (Indian Made Foreign Liquor) আৰু ৫ লিটাৰ অৰুণাচলী সু�ৰা। ৰাসৰ সময়ত অধিক দামত বিক্ৰীৰ উদ্দেশ্যে এই সু�ৰাখিনি মজুত কৰা হৈছিল বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। এইবাৰ সুৰা ব্যৱসায়ী সকলে আৰক্ষীৰ চকুত ধূলি দিবলৈ নতুন কৌশল অবলম্বন কৰা পৰিলক্ষিত হৈছে। আৰক্ষীৰ তালিচাপৰি হাত সাৰিবলৈ বহিঃ জিলাৰ পৰা যাত্ৰীবাহী গাড়ীযোগে মাজুলীলৈ সুৰা সৰবৰাহ কৰাৰ চেষ্টা চলাইছিল ব্যৱসায়ী সকলে। যাতে আৰক্ষীয়ে সন্দেহকৰে তাৰ বাবে যাত্ৰীবাহী গাড়ীক ঢাল হিচাপে ব্যৱহাৰ কৰিছিল। কিন্তু আৰক্ষী কৌশল ফালিদি যায়। এই সন্দর্ভত মাজুলী আৰক্ষীয়ে নিটিউকৈ নিয়মীয়া গোচৰ ৰুজু কৰিছে আৰু ইতিমধ্যে কেইবাজনো অভিযুক্তক আটক কৰিছে। আটকাধীন অভিযুক্ত সকলক আইনী প্ৰক্ৰিয়া অনুসৰি আদালতলৈ প্ৰেৰণৰ ব্যৱস্থা কৰা হৈছে বুলি মাজুলী আৰক্ষীয়ে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে মাজুলীক অসম চৰকাৰে বৰ্ষা নিষিদ্ধ অঞ্চল হিচাপে ঘোষণা কৰিছে। ইয়াৰ পিছতো একাশ্ৰে অসাধু ব্যৱসায়ীয়ে লুকাই-চুৰকৈ সুৰাৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। ৰাস মহোৎসৱৰ সময়ত বহিৰাজ্যৰ পৰা অহা পৰ্যটকৰ ভিৰৰ সুযোগ লৈ এই ব্যৱসায় আৰু বৃদ্ধি পায়। সেয়ে ৰাসৰ প্ৰাকক্ষণত মাজুলী আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে।

জব্দ ২২খন ATM কার্ডসহ বহু আপত্তিজনক সামগ্ৰী

নগাঁও আৰক্ষীৰ জালত দুই চাইবাৰ অপৰাধী



অসম বাৰ্তা, নগাঁও, ৩ নৱেম্বৰ ঃ চাইবাৰ অপৰাধৰ বিৰুদ্ধে নগাঁও আৰক্ষীয়ে চলোৱা অভিযানত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য অনুসৰি, ধৃত লোক দুজনে দীৰ্ঘদিন ধৰি বিভিন্ন কৌশলেৰে চাই বাৰ প্ৰৰঞ্চনাৰ কৰি অহাৰ অভিযোগ উত্থাপিত হৈছে। আৰক্ষীৰ অভিযানকালত ধৃত লোক দুজৰ পৰা বহুৎ পৰিমাণৰ আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰা হয়। জব্দকৃত সামগ্ৰীসমূহৰ ভিতৰত আছে ২২খন ATM কার্ড, ১খন PAN কার্ড, চাৰিখন বেংকৰ চেক বুক, তিনিটা মাইল ফোন আৰু নগদ ধন। আনহাতে, উদ্ধাৰ হোৱা ATM কার্ড, PAN কার্ড আৰু বেংকৰ চেক বুকসমূহ চাইবাৰ প্ৰৰঞ্চনাৰ সৈতে জড়িত নেকি, সেই সন্দর্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। লগতে এই ঘটনাৰ আঁৰত আন কোনো লোক অথবা বৃহৎ চাই বাৰ অপৰাধী চক্ৰ জড়িত নে আছে নেকি, সেই দিশতো আৰক্ষীয়ে অনুসন্ধান চলাই ছে। নগাঁও আৰক্ষীৰ এই অভিযানৰ জৰিয়তে অঞ্চলটোত সক্ৰিয় হৈ থকা চাইবাৰ অপৰাধৰ বিৰুদ্ধে এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছে। সমগ্ৰ ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে নগাঁও আৰক্ষীয়ে।

দুলীয়াজানত ৫৩ বৰ্ষত ভৰি দিলে ঐতিহ্যমণ্ডিত ৰাস মহোৎসৱে

ভক্তিপূৰ্ণ পৰিৱেশত লাইখুটা স্থাপন

অসম বাৰ্তা, দুলীয়াজান, ৩ নৱেম্বৰ ঃ ১৯৭৪ চনতে আৰম্ভ হোৱা দুলীয়াজানবাসীৰ অন্যতম আকৰ্ষণ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱে এইবেলি গৌৰবোজ্জ্বল ৫৩ সংখ্যক বৰ্ষত ভৰি দিছে। দুলীয়াজান আঞ্চলিক ৰাস উদযাপন সমিতি আৰু স্থানীয় ৰাইজৰ প্ৰচেষ্টা তথা অইল ইণ্

বহুবিবাহ কৰিলে চাকৰিৰ পৰা হ'ব বৰ্খাস্ত

নাগৰিকৰ কেন্দ্ৰসমূহেই প্ৰযোজ্য হ'ব। ইয়াৰ লগতে আৱশ্যকীয় সেনাৰ পৰা অবসৰপ্ৰাপ্ত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলে আসন্ন চৰকাৰৰ অধীনৰ চাকৰিত আবেদন কৰাৰ বাবে বয়সসীমা ৪৫ বছৰলৈ বৃদ্ধি কৰা হৈছে। চৰকাৰী কৰ্মচাৰীসকলৰ বাবে আন এক ডাঙৰ সিদ্ধান্ত গ্ৰহণ কৰি ৰাজ্য চৰকাৰে ২০২৭-২৮ বৰ্ষৰ ভিতৰত ৰাজ্যৰ সৰ্বাধিক সংখ্যক চৰকাৰী বিষয়া-কৰ্মচাৰীক পদোন্নতি প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। ইয়াৰ উপৰি, চৰকাৰ আৰু জনসাধাৰণৰ মাজত সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে ২০টা কাউঞ্চিল গঠনৰ বাবেও কেবিনেটে অনুমোদন জনাইছে। ৰাজ্যৰ যাতায়াত ব্যৱস্থাৰ আধুনিকীকৰণত গুৰুত্ব আৰোপ কৰি কেবিনেটে ৰাজ্যত পাঁচটা নতুন ৰ'পৰে' প্ৰকল্প নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত কামাখ্যা ৰে'লৱে' ষ্টেচনৰ পৰা কামাখ্যা মন্দিৰ, খানাপাৰাৰ পৰা গুৱাহাটী ৰে'লৱে' ষ্টেচন, গংগানগৰৰ পৰা ভুল পাহাৰলৈ ৰ'পৰে' নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰোপীয় জাতিগোষ্ঠী আৰু অগ্নিগড়তো ৰ'পৰে' নিৰ্মাণ কৰা হ'ব। এই তৈচকত ছেটেলাইট চিটী ৰুলতো অনুমোদন জনোৱা হয়। কৃষকৰ স্বাৰ্থত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি চৰকাৰে এইবাৰ প্ৰতি কুইন্টল ধান ২, ৬৪০ টকাকৈ ক্ৰয় কৰাৰ সিদ্ধান্ত লৈছে। বিগত বৰ্ষৰ তুলনাত এই দাম ৭১ টকা অধিক। যোৱা বছৰ ৮ লাখ মেট্ৰিক টন ধান ক্ৰয় কৰাৰ বিপৰীতে এইবাৰ ৮.৫০ লাখ মেট্ৰিক টন ধান ক্ৰয়ৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। শিল্প আৰু অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত জাগীবোডত ৫০ৰ কোটি টকা বিনিয়োগেৰে একক কৃষিক ছ'ডা প্ৰকল্প স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াক লগতে প্ৰথমাংশ শিল্পী জুবিন গাৰ্গৰ স্মৃতিৰক্ষাৰ্থে সোণাপুৰত নিৰ্মাণ হ'বলগীয়া 'জুবিনক্ষেত্ৰ'ৰ বাবে পূৰ্বে মাটি যোগান ধৰা মনোজ আগৰবৰাক চন্দ্ৰপুৰত ২ বিঘা মাটি প্ৰদানৰ সিদ্ধান্তও কেবিনেটে গ্ৰহণ কৰিছে। আৰু ১০ দিনৰ ভিতৰত জুবিনক্ষেত্ৰৰ চূড়ান্ত প্ৰকল্পটোত অনুমোদন জনোৱাৰ সম্ভাৱনা আছে। উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট সম্পৰ্কত হোৱা প্ৰলয়ংকৰী বানৰ প্ৰকৃত কাৰণ অনুসন্ধানৰ গুৰুত্বপূৰ্ণ দায়িত্ব কেন্দ্ৰীয় তদন্ত সংস্থা (CBI)ক অৰ্পণ কৰাৰ সিদ্ধান্ত লৈছে ৰাজ্য চৰকাৰে। অহা ১০ দিনৰ ভিতৰত এই সন্দৰ্ভত ফাইল CBIলে প্ৰেৰণ কৰা হ'ব। ইয়াৰ উপৰি, দেশৰ সামৰিক বাহিনীক সহায় কৰিব পৰাকৈ বাজ্যত ৬ হাজাৰ বিঘা ভূমিত এখন বৃহৎ 'ডিফেন্স পাৰ্ক' নিৰ্মাণৰ সিদ্ধান্ততো ৰাজিক কেবিনেটে অনুমোদন জনাইছে।

ছিয়াং প্ৰকল্পৰ উত্তেজনাক লৈ ৰাষ্ট্ৰপতি

পৰিস্থিতিৰ ওপৰত উদ্বেগ প্ৰকাশ কৰে, বিশেষকৈ প্ৰতিবাদকাৰীক ৰাষ্ট্ৰীয় বিৰোধী বুলি ব্ৰেণ্ডিং কৰাৰ অভিযোগক লৈ। তেওঁ এনেধৰণৰ পৰিষ্ঠানক গভীৰভাবে বিৰক্তিকৰ বুলি অভিহিত কৰি অধিক তীব্ৰতা বৃদ্ধি ৰোধৰ বাবে প্ৰচেষ্টা চলাবলৈ ৰাষ্ট্ৰপতিগৰাকীক আহ্বান জনায়। ৰাচুকৰ ৰাষ্ট্ৰপতিগৰাকীক চৰকাৰ আৰু ক্ষতিগ্ৰস্ত সম্প্ৰদায়সমূহৰ মাজত আলোচনাৰ সুবিধা প্ৰদান কৰিবলৈ আহ্বান জনোৱাৰ লগতে শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক উপায়েৰে স্থানীয় উদ্বেগসমূহ মোকাবিলা কৰাৰ গুৰুত্ব ওপৰত গুৰুত্ব আৰোপ কৰে। পত্ৰত তেওঁ লগতে কয় যে প্ৰস্তাবিত ছিয়াং চুফ বহুমুখী প্ৰকল্পই ছিয়াং অঞ্চলৰ খিলঞ্জীয়া সম্প্ৰদায়ৰ কিছু অংশৰ মাজত ব্যাপক বিৰোধিতাৰ সৃষ্টি কৰিছে, যিয়ে ইয়াৰ সম্ভাব্য পৰিবেশ, পৰিবেশ আৰু সামাজিক পৰিণতিৰ ওপৰত গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে। ৩ নৱেম্বৰত লিখা পত্ৰখনত ৰাচুকে অঞ্চলটোত ক্ৰমাংয়ে বৃদ্ধি পোৱা উত্তেজনাক লৈ উদ্বেগ প্ৰকাশ কৰি হাজাৰ হাজাৰ নিৰাপত্তাৰক্ষীক নিয়োগ কৰা, যুব কৰ্মীক গ্ৰেপ্তাৰ কৰা, চলাচলত বাধা আৰোপ কৰা আৰু প্ৰস্তাবিত প্ৰকল্পটোৰ বিৰোধিতা কৰা গাঁৱৰ লোকসকলক ভয় দেখুৱাই দিয়াৰ অভিযোগ উত্থাপন কৰে। তেওঁ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ নদী, বনাঞ্চল আৰু পূৰ্বপুৰুষৰ ভূমিৰ সৈতে গভীৰ সাংস্কৃতিক, পৰিবেশ আৰু পৰম্পৰাগত সম্পৰ্কৰ ওপৰত আলোকপাত কৰে। ছিয়াং নদীক আদি সম্প্ৰদায়ৰ পবিত্ৰ আৰু জীবিকাৰ কেন্দ্ৰবিন্দু বুলি অভিহিত কৰি তেওঁ লাভাষৰ জনসাধাৰণৰ পৰ্বত, হিমবাহ আৰু নদীৰ সৈতে থকা সম্পৰ্কৰ সমান্তৰালতা গঢ়ি তুলিছিল বুলিও পত্ৰত উল্লেখ কৰে। লাভাষৰ অভিজ্ঞতাৰ কথা উল্লেখ কৰি ৰাচুকে ভংগুৰ পৰিবেশ বিজ্ঞান, পূৰ্বপুৰুষৰ ভূমি আৰু সাংস্কৃতিক পবিত্ৰতা সুৰক্ষিত কৰাৰ বাবে সাংবিধানিক সুৰক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। খিলঞ্জীয়া জনগোষ্ঠীৰ ভবিষ্যতৰ প্ৰভাবিত কৰা সিদ্ধান্ত লোৱাৰ পূৰ্বে খিলঞ্জীয়া জনগোষ্ঠীৰ সৈতে অৰ্থপূৰ্ণ আলোচনা নিশ্চিত কৰিবলৈ তেওঁ ৰাষ্ট্ৰপতিগৰাকীক আহ্বান জনায়। ভাৰতৰ ৰাষ্ট্ৰীয় নিৰাপত্তাৰ ক্ষেত্ৰত লাডাখ আৰু অৰুণাচল প্ৰদেশ উভয়ৰে লগিকৰ অৱদানৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ উল্লেখ কৰে যে স্পৰ্শকাতৰ সীমান্ত অঞ্চলত স্থানীয় জনগোষ্ঠীৰ আস্থা, সদিচ্ছা আৰু সহযোগিতা দেশৰ সৰ্বস্বৰূহ কৌশলগত শক্তিৰ ভিতৰত অন্যতম। ৰাচুকে ৰাষ্ট্ৰপতিৰ মূৰ্মুক খিলঞ্জীয়াৰ অধিকাৰ, গণতান্ত্ৰিক স্বাধীনতা আৰু অৰুণাচল প্ৰদেশৰ ভংগুৰ হিমালয়ৰ পৰিবেশ তন্ত্ৰ বৰ্ক্ষাৰ বাবে হস্তক্ষেপ কৰিবলৈ আহ্বান জনায়।

ঘনকান্ত গগৈক ১৪ দিনৰ ন্যায়িক জিম্মালৈ

ঘটনাৰ প্ৰায় এঘণ্টাৰ ভিতৰতে আৰক্ষীয়ে অভিযুক্ত ঘনকান্ত গগৈক কৰাগ্ৰহ কৰিছিল। পৰবৰ্তী দিনা পল্টন বজাৰ থানাত সোধ-পোছাৰ পাছত তেওঁক সহিয়া চি ফ্লে এম আদালতত হাজিৰ কৰোৱা হয়। সেই সময়ত আদালতে তেওঁক ৭ দিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰিছিল। সাত দিনৰ ম্যাদ পূৰ হোৱাত মঙলবাৰে তেওঁক পুনৰ আদালতত হাজিৰ কৰোৱা হয় আৰু আদালতে এতিয়া ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। আৰক্ষীৰ তদন্ত পোহৰলৈ অহা তথ্য অনুসৰি, ঘনকান্ত গগৈয়ে ডিমাপুৰৰ স্ত্ৰি গান হাউচৰ পৰা ২০২৪ চনৰ ১৬ অক্টোবৰত ৩ লাখ টকাত ৩.৩২ বেৰৰ পিষ্টল আৰু ৪০ ৰাউণ্ড গুলী ক্ৰয় কৰিছিল। এগাকাকী নগা ব্যক্তিৰ অনুজ্ঞাপত্ৰৰ বিটেইনাৰিশিপত তেওঁ বন্দুকটো জিম্মাত লৈছিল। অভিযুক্তই ১৭ জুন ১৯৯৩ চনৰ এই মাৰাণাস্ত্ৰ বিটেইনাৰশিপৰ লাভ কৰিছিল বুলি তদন্তত জানিব পৰা গৈছে। বন্দুকৰ অনুজ্ঞাপত্ৰৰ ইউএনটী নম্বৰ দিল্লীত পঞ্জীয়নভুক্ত আছিল। সংশ্লিষ্ট নথি-পত্ৰ তত্ত্বাস্ত্ৰকৈ পৰীক্ষা কৰাৰ পাছত তেওঁক বন্দুকটো দিয়া হৈছিল। ইফালে, নাগালেণ্ড চৰকাৰে ২০১৬ চনৰ পাছতে সকলো অস্ত্ৰৰ অনুজ্ঞাপত্ৰৰ কাম বন্ধ কৰিছিল। জানিব পৰা মতে, ২৬ অক্টোবৰ সোমাবাৰে নিশা হোটেল বিলাস ইনত ঘনকান্ত গগৈৰ পিষ্টলৰ গুলীত হোটেলৰ স্বত্বাধিকাৰী হেলেনা ভলালী, তেওঁৰ পৰিয়ালৰ তিনিজন সদস্য আৰু এজন কৰ্মচাৰী নিহত হয়। এই গুলীচালনাত আন এজন কৰ্মচাৰী আহত হয়। আৰক্ষীৰ তথ্য অনুসৰি, হোটেল বিলাস ইনৰ পট্টা আৰু পৰিচালনা সম্পৰ্কীয় বিবাদৰ পৰিণতিতে এই গুলীচালনা সংঘটিত হৈছে। ভলালী পৰিয়ালৰ হোটেলখন ঘনকান্ত গগৈক লীজত দিয়া হৈছিল। কিন্তু হেলেনা ভলালীৰ পৰিয়ালৰ লোকে সদবি কৰা অনুসৰি, যোৱা এক বছৰত তেওঁ হোটেলৰ ভাৰাৰ ধন আদায় দিয়া নাছিল। এই ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তেজ অন্যায়ত বাখিছে।

শদিয়াত ধুমুহাত প্ৰাণ গ'ল এজনৰ

ক্ষতিসাধন হয়। এই প্ৰাকৃতিক দুৰ্যোগত প্ৰাণ হেৰুওৱা লোকজন হৈছে ধলাৰ বাসিন্দা শিৱ শংকৰ শ্বাহ (৩৫)। চপাথোৱাৰ মাৰোৱাপট্টি অঞ্চলৰ এটা আৰু ঘৰামত থকা অবস্থাত তেওঁৰ ওপৰত এজোপা প্ৰকাণ্ড গছ উভালি পৰাত থিতাতে মৃত্যু হয়। পত্নী আৰু দুটি সন্তানক এৰি যোৱা শ্বাহৰ মৃত্যুৰ বাতৰিয়ে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। আনহাতে, ধুমুহাৰ প্ৰচণ্ড জোৰাবেগত চপাথোৱা চহৰৰ বিভিন্ন স্থানত প্ৰকাণ্ড গছ উভালি পৰাৰ ফলত ১১৫ নং আঁহুৰীয়া ঘাইপথৰ যাতায়াত ব্যৱস্থা সম্পূৰ্ণকপে আচল হৈ পৰে। বিশেষকৈ সদৰ চহৰৰ মাজেৰে যোৱা ঘাইপথছোৱাত গছ-গছনি আৰু বিদ্যুৎ পৰিবাহী খুঁটা বাগৰি পৰাত মঙলবাৰে পুৱাৰে পৰা যান-বাহনৰ চলাচল বন্ধ হৈ পৰে। ফলত পথৰ দুয়োফালে অসংখ্য বাহন আবদ্ধ হৈ পৰি তীব্ৰ যান-জটিৰ সৃষ্টি হয়। ধুমুহাৰ প্ৰভাৱত সমগ্ৰ শদিয়া অঞ্চলৰ বিদ্যুৎ ব্যৱস্থাও বিপৰ্যস্ত হৈ পৰে। বিভিন্ন স্থানত বিদ্যুৎ পৰিবাহী খুঁটা উভালি পৰাৰ লগতে তাঁৰ ছিণ্ডি পৰাত বিদ্যুৎ যোগান সম্পূৰ্ণকপে ব্যাহত হয়। ইয়াৰ ফলত অঞ্চলটোৰ বাসিন্দা চৰম দুৰ্ভোগ ভুগিবলগীয়া হৈছে। চপাথোৱাৰ ক'ট চাবিআলিত অবস্থিত শদিয়া সম-জিলা সৰ্বশিক্ষা অভিযানৰ কাৰ্যালয়টোও ধুমুহাৰ কবলৰ পৰা ৰক্ষা নপৰিল। কাৰ্যালয় চৌহদৰ এজোপা প্ৰকাণ্ড আহঁত গছ উভালি কাৰ্যালয়টোৰ মুখচৰ ওপৰত পৰাত ভবনটোৰ যথেষ্ট ক্ষতিসাধন হয়। ধুমুহাত ক্ষতিগ্ৰস্ত হোৱা অঞ্চলসমূহৰ ভিতৰত ১ নং আৰু ২ নং চপাথোৱা গাঁও, বৰপথাৰ, বাৰবাঁহীয়া, আদৰ্শ কৰ্মিণী দেউৰী, পাতিদৈ নগাঁও, কুণ্ডিল নগৰ নগাঁও, পাতিগথাৰ, ২ নং অসমীয়া বৰগোহাঁই, নাচাকি, ৰতনপুৰ, অমৰপুৰ, মাজগাঁও, তেলিকলা, ১ নং বৰগোহাঁই দেওপানী মিৰি, ৰামপুৰ মেগেলা, টুপচিঙা, নাচাই, গঞ্জগাঁও, টকাজান লেচকী গাঁও আৰু ২ নং বৰগোহাঁই দেওপানী মিৰি আদি গাঁও বিশেষভাবে ক্ষতিগ্ৰস্ত হৈছে। ইয়াৰ উপৰি সম-জিলাখনৰ আন বহু অঞ্চলতো ধুমুহাই বিস্তৰ ক্ষতি কৰে। ইফালে, দুৰ্যোগৰ পাছতে শদিয়া সম-জিলা প্ৰশাসনে উদ্ধাৰ আৰু পুনৰুদ্ধাৰ অভিযান আৰম্ভ কৰে। সম-জিলা আয়ুক্ত সিদ্ধু এন বাষ্ণৱনৰ নেতৃত্বত প্ৰশাসনৰ বিষয়াসকলে ক্ষতিগ্ৰস্ত অঞ্চলসমূহত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে পুনৰুদ্ধাৰ কাৰ্যৰ তদাৰক কৰে। শদিয়া ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, এগিডিচিএল, আঞ্চলিক কৰ বিভাগ, এছ ডি আৰ এফৰ দল আৰু অন্যান্য সংশ্লিষ্ট বিভাগসমূহে পথৰ ওপৰত বাগৰি পৰা গছ আঁতৰোৱা, বিদ্যুৎ খুঁটা মেৰামতি আৰু বিদ্যুৎ যোগান পুনৰ আৰম্ভ কৰাৰ কামত নামি পৰিছে। প্ৰশাসনে ৰাইজক সতৰ্কতা অবলম্বন কৰিবলৈ আহ্বান জনাইছে। বিশেষকৈ উভালি পৰা গছ আৰু ছিণ্ডি পৰা বিদ্যুৎ পৰিবাহী তাঁৰৰ পৰা আঁতৰি থাকিবলৈ ৰাইজক পৰামৰ্শ দিয়া হৈছে। উল্লেখ্য যে, ধুমুহাই শদিয়াত সৃষ্টি কৰা ধ্বংসলীলাৰ প্ৰকৃত ছবিখন এতিয়াও সম্পূৰ্ণকপে স্পষ্ট হোৱা নাই। ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ বিস্তৃত পৰিদৰ্শন আৰু মূল্যায়নৰ পাছতহে সামগ্ৰিক ক্ষয়-ক্ষতিৰ পৰিমাণ নিৰ্ধাৰণ কৰিব পৰা যাব। ইফালে, পথ যোগাযোগ আৰু বিদ্যুৎ যোগান পুনৰ স্বাভাৱিক অবস্থালৈ ঘুৰাই আনাটোৱেই বৰ্তমান প্ৰশাসনৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান হৈ পৰিছে।

অন্ধ্ৰপ্ৰদেশত ঘূৰ্ণী বতাহ 'মুবাছু'ৰ তাণ্ডৱ

অতিৰিক্ত বৰষুণৰ সম্ভাবনা আছে। ৪ নৱেম্বৰত অন্ধ্ৰপ্ৰদেশৰ উপকূলীয় অঞ্চলত ধাৰাসাৰ বৰষুণ হ'বে পাৰে। ঘূৰ্ণী বতাহৰ প্ৰভাৱত ৰে'ল আৰু বিমান সেৱাও ব্যাহত হৈছে। চাউথ কোষ্ট ৰে'লৱে কৰ্তৃপক্ষই সাতখন ৰে'ল চলাচল পথ সলনি কৰাৰ কথা নিশ্চিত কৰিছে। বতৰৰ অৱস্থা লক্ষ্য কৰি কেইবাখনো বিমান উৰণ বাতিল কৰা হৈছে।

উন্নত চিকিৎসাৰ বাবে মুম্বাইলৈ প্ৰেৰণ

কাৰ্যসূচীত অংশগ্ৰহণ কৰি থকাৰ সময়ত গৰিমা শইকীয়া গাৰ্গ হঠাতে অসুস্থ হৈ পৰিছিল। তাৰ পিছতে তেওঁক তাতৈয়াকৈ গুৱাহাটীৰ নেমকেয়াৰ হাস্পতালত ভৰ্তি কৰোৱা হয়। ডাঃ হিতেশ ৰৱকাই জানিবলৈ দিয়া অনুসৰি, গৰিমা শইকীয়া গাৰ্গ বৰ্তমান সাৰ্বাধিকভাৱে সংকটমুক্ত যদিও মস্তিষ্কৰ ভিতৰত তীব্ৰ হতাশাত ভুগি আছে। জুবিন গাৰ্গৰ বিয়োগৰ আঘনমীয় বেদনাই তেওঁক ভিতৰৰ পৰা জোকাৰি গৈছে। ইয়াৰ ফলত তেওঁৰ নিয়মীয়া খাদ্য গ্ৰহণ আৰু টোপনিৰ ক্ষেত্ৰত গুৰুতৰ সমস্যা দেখা দিছে। অন্যদিকে মানসিক চাপ আৰু নিশা টোপনি নোহোৱা সমস্যা দুয় কৰিবলৈ তেওঁক উচ্চ পৰ্যায়ৰ মানসিক কাউঞ্চেলিঙৰ অত্যন্ত প্ৰয়োজন হৈ পৰিছে। চিকিৎসকগৰাকীয়ে উল্লেখ কৰা অনুসৰি, কথা-বতৰাৰ সময়ত তেওঁ মানসিকভাবে সম্পূৰ্ণকপে ভাঙি পৰা পৰিলক্ষিত হৈছে। আনকি চিকিৎসকমণ্ডলীৰ আগত তেওঁ জীয়াই থকাৰ ইচ্ছা হেৰুৱাই পেলোৱাৰ দৰে অত্যন্ত স্পৰ্শকাতৰ কথা প্ৰকাশ কৰিছে বুলিও ডাঃ বৰুৱাই সংবাদমেলত জানিবলৈ দিয়া। এনে পৰিস্থিতিত তেওঁক অতি সোনকালে উন্নত চিকিৎসা আৰু বিশেষজ্ঞ কাউঞ্চেলিঙৰ তত্ত্বাবধানত ৰাখিবলৈ মুম্বাইস্থিত প্ৰেৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এই বিশেষ মানসিক চিকিৎসা তথা কাউঞ্চেলিং প্ৰক্ৰিয়াত প্ৰায় ১৫১ পৰা ২০ দিন সময়ৰ প্ৰয়োজন হ'বে পাৰে। মুম্বাইৰ কোনটো বিশেষ চিকিৎসা কেন্দ্ৰলৈ তেওঁক লৈ যোৱা হ'ব, সেই বিষয়ে পৰিয়াল আৰু চিকিৎসকমণ্ডলীৰ সৈতে চূড়ান্ত আলোচনা কৰি পৰবৰ্তী সময়ত স্পষ্ট কৰা হ'ব বুলি চিকিৎসালয় কৰ্তৃপক্ষই জানিবলৈ দিয়ে।

প্ৰতীকী সদনতহে ৰাহুল প্ৰধানমন্ত্ৰী

গান্ধী কেৰল প্ৰতীকী সদনতহে প্ৰধানমন্ত্ৰী হ'ব পাৰিব।" মুখ্যমন্ত্ৰী শৰ্মাই লগতে কয়, "প্ৰতীকী সদনত ৰাহুল গান্ধীয়ে প্ৰধানমন্ত্ৰীৰ ভূমিকা লৈছিল। তাতে তেওঁ সীমাবদ্ধ হৈ থাকিব। সেয়ে তেওঁ প্ৰতীকী সদনৰ প্ৰধানমন্ত্ৰী হৈ থাকিব, আনহাতে নৰেন্দ্ৰ মোদী প্ৰকৃত সদনৰ প্ৰধানমন্ত্ৰী হৈ থাকিব।" ইফালে দেওবাৰে হিমাচল প্ৰদেশৰ ছিমলাত বিজেপিয়ে আয়োজন কৰা 'গণতন্ত্ৰ বৰ্ক্ষা কৰক-ৰাখাজকতা দুৰ কৰক' শীৰ্ষক পদযাত্ৰাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ বিৰুদ্ধে আক্ৰমণাত্মক মন্তব্য কৰে। তেওঁ কৈছিল, "যদি অনুপ্ৰৱেশকাৰী চিনাক্ত কৰি তেওঁলোকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰাৰ প্ৰক্ৰিয়া আৰম্ভ নহয়, তেন্তে এই সমস্যাৰ সমাধান কেনেকৈ হ'ব? বাৰৰ আৰু ঔবংজেবৰ দৰে অনুপ্ৰৱেশকাৰীৰ নাম কাটিবলৈকে এছআইআৰ কৰা হৈছে। কিন্তু কংগ্ৰেছে তেওঁলোকক বৰ্ক্ষা কৰিবলৈ চেষ্টা কৰিছে।" নিৰ্বাচন আয়োগৰ ভোটাৰ তালিকাৰ পৰা এছআইআৰৰ জৰিয়তে প্ৰকৃত ভোটাৰৰ নাম কৰ্তন কৰাৰ অভিযোগক লৈ বিজেপি আৰু ইণ্ডিয়া মিত্ৰজোটৰ মাজত চলি থকা বাক্‌চৰিতিক সংঘাতৰ মাজতে অসমৰ মুখ্যমন্ত্ৰীগৰাকীৰ এই মন্তব্যই বিশেষ তাৎপৰ্য বহন কৰিছে।

৩০ নৱেম্বৰত সোণোৱাল কছাৰী

৩ ডিচেম্বৰত ভোটিগণনা অনুষ্ঠিত হ'ব আৰু নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হ'ব। ৫ ডিচেম্বৰত নিৰ্বাচন সম্পূৰ্ণ কৰাৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। আয়োগে জনোৱা মতে, ৰাজহৱা বন্ধৰ দিনৰ বাহিৰে আন সকলো কৰ্মদিনত পুৱা ৰৱ বজাৰ পৰা বিয়লি ৩ বজালৈ মনোনয়ন-পত্ৰ গ্ৰহণ কৰা হ'ব। ভোটগ্ৰহণ পুৱা ৭.৩০ বজাৰ পৰা বিয়লি ৪ বজালৈ অনুষ্ঠিত হ'ব। পুনৰ ভোটগ্ৰহণৰ ক্ষেত্ৰতো একে সময়সূচী প্ৰযোজ্য হ'ব। ভোটিগণনাৰ দিনা পুৱা ৮ বজাৰ পৰা গণনা আৰম্ভ হ'ব আৰু গণনা সম্পূৰ্ণ নোহোৱালৈকে অব্যাহত থাকিব। সোণোৱাল কছাৰী ৰাষ্ট্ৰীয় স্বাস্থ্য কৰ্মীৰ সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ সম্পষ্ট কৰি দিয়ে যে বিদ্যুতৰ মাচুল বৃদ্ধি সাময়িক; এই বৃদ্ধি দীৰ্ঘস্থায়ী নহয়। উল্লেখ্য, এই মাহৰ পৰাই পূৰ্ণ ইউনিট বিদ্যুতৰ মাচুল বৃদ্ধি কৰিবলৈ এপিডিচিএলে লোৱা সিদ্ধান্ত সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, "অসমে এতিয়া কেৰল আকাশ পৰিষ্কাৰ কৰা সপোন দেখিছে" আৰু "এতিয়া অসমে উৰিবলৈ শিকিব।" গুৱাহাটীলৈ বুলেট ট্ৰেইন আৰম্ভ কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে লোৱা সিদ্ধান্তক তেওঁ আদৰণি জনায়। সংখ্যালঘু এলেকাৰ বাজনীতি সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে সংখ্যালঘু এলেকাত বিজেপিয়ে আদৰ্শৰ সৈতে কম্প্ৰমাইজ নকৰে। তেওঁ উল্লেখ কৰে যে সংখ্যালঘু এলেকাত বিজেপি ভোটৰ পৰিমাণ বাঢ়িছে যদিও দলীয় আদৰ্শৰ লগত কোনো বুজাপাৰা নহ'ব। তেওঁ স্পষ্ট বাৰ্তা দিয়ে যে আদৰ্শও থাকিব আৰু সংগঠনৰ প্ৰসাৰো হ'ব। একেদৰে তেওঁ কয় যে বাল্যবিবাহ আৰু বহুবিবাহ বন্ধ হ'বই লাগিব। আন্দোলনৰ অধিকাৰ সন্দৰ্ভতো মুখ্যমন্ত্ৰীয়ে গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তেওঁ কয়, শাসক পক্ষই আন্দোলনৰ বাবে বাজপথত নামিব নোৱাৰিব বুলি কোনো কথা নাই। তেওঁ উল্লেখ কৰে যে তেওঁলোকৰ আন্দোলন ইতিহাসৰ আন্দোলন; এই আন্দোলন শিক্ষাৰ সপক্ষে আৰু উন্নয়নৰ সপক্ষে। শাসকীয় দলে আন্দোলন কৰাত কোনো বাধা নাই বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। উল্লেখ্য, বিদ্যুতৰ মাচুলৰ পৰা আৰম্ভ কৰি বাল্যবিবাহ আৰু বহুবিবাহৰ দৰে একাধিক গুৰুত্বপূৰ্ণ বিষয়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বাজপথী ভৱনত অনুষ্ঠিত ক'ৰ কমিটিৰ বৈঠকত এই মন্তব্য প্ৰকাশ কৰে।

ৰাজ্যত ভেজাল খাদ্যৰ মহাসংকট! পনীৰৰ

ভয়ংকৰ তথ্য উদ্‌ঘাটন হৈছে। এই নিম্নমানদণ্ডৰ আৰু ভেজাল খাদ্য গ্ৰহণৰ ফলত জনসাধাৰণ বিভিন্ন প্ৰকাৰৰ মাৰাত্মক ৰোগত আক্ৰান্ত হোৱাৰ আশংকা বৃদ্ধি পাইছে। খাদ্য সুৰক্ষা বিভাগে ৰাজ্যৰ বজাৰৰ পৰা সংগ্ৰহ কৰা পনীৰৰ মুঠ ৬০টা নমুনা পৰীক্ষা কৰিছিল। এই পৰীক্ষাৰ ফলাফলত আচ্ছাকজনক তথ্য ওলাই পৰে। সংগ্ৰহ কৰা ৬০টা নমুনাৰ ভিতৰত ৪১টা নমুনা অৰ্থাৎ প্ৰায় ৭০ শতাংশ পনীৰ খাদ্যৰ বাবে সম্পূৰ্ণ অনুপযোগী বুলি প্ৰমাণিত হৈছে। কেৱল পনীৰেই নহয়, বজাৰত উপলব্ধ ঘিউৰ লগতেও ভেজাল মিহলি কৰা হৈছে বুলি পৰীক্ষাত ধৰা পৰিছে। স্বাস্থ্য আৰু জনস্বাস্থ্য পৰীক্ষাগাৰৰ এই ফলাফলে ৰাজ্যত এক ভয়ংকৰ সংকটৰ সৃষ্টি কৰিছে। এই সন্দৰ্ভত স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে এক সংবাদমেলত ওপৰত গুৰুত্ব আৰোপ কৰি কৈছে যে নন-ব্ৰেণ্ডিং বা খোলা পনীৰ ক্ৰয় আৰু গ্ৰহণৰ ক্ষেত্ৰত ৰাইজে বিশেষ সতৰ্কতা অবলম্বন কৰিব লাগিব। তেওঁ স্পষ্ট কৰি দিয়ে যে, জনস্বাস্থ্যৰ লগত খেলা-ধুলা কৰি ভেজাল খাদ্য বিক্ৰী কৰা অসাধু ব্যৱসায়ীসকলৰ বিৰুদ্ধে চৰকাৰে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিব। ভেজাল খাদ্যৰ লগত জড়িত থকা অসাধু ব্যৱসায়ীসকলক দীৰ্ঘতম শাস্তি হিচাপে ৭ বছৰ পৰ্যন্ত কাৰাদণ্ড দিয়া হ'ব পাৰে বুলিও স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে এই সম্পৰ্কত কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি কয়। ইতিমধ্যে খাদ্য সুৰক্ষা বিভাগে অভিযান অব্যাহত ৰাখি অধিক সংখ্যক খাদ্য নমুনা সংগ্ৰহ কৰি পৰীক্ষা চলাই থকা বুলি জানিব পৰা গৈছে।

বিজেপি অসম প্ৰদেশৰ প্ৰশিক্ষণ বিভাগৰ

হিচাপে ৰৱপোটা জিলাৰ ব্ৰজ কুমাৰ দাসক নিযুক্তি দিয়া হৈছে। আনহাতে, সমিতিখনত পাঁচগৰাকী সহ-সংযোগকৰ্তা (Co-Convenor) মনোনীত কৰা হৈছে। তেওঁলোক হৈছে ক্ৰমে লখিমপুৰৰ জয়ন্ত শইকীয়া, পুব কাৰ্বি আংলঙৰ ৰলোৱাম ফাংচো, শিবসাগৰৰ ৰঞ্জিম খাউনিয়াৰ আৰু দৰঙৰ শেৰালি গোস্বামী কলিতা। সংযোগকৰ্তা আৰু সহ-সংযোগকৰ্তাসকলৰ উপৰিও নতুন সমিতিখনত বাকী ২০জন সদস্যক স্থান দিয়া হৈছে। এই সদস্যসকলৰ ভিতৰত নগাঁও জিলাৰ ব্ৰজেন কাকতি, হাইলাকান্দিৰ শৈকত দত্ত চৌধুৰী, গোলাঘাটৰ অতনু গৌৰৱ, হোজাইৰ অৰ্পণ কুমাৰ দেৱ, চিৰাঙৰ ধ্ৰুবম বম্হমতয়, বিশ্বনাথৰ মুকেশ শৰ্মা, নলবাৰীৰ হেমন্ত বৰ্মন আৰু পংকজ বৰ্মন, শ্ৰীভূমিৰ সুব্ৰত ভৰ্টাজী, গুৱাহাটীৰ জিন্টু মহন্ত, নবজ্যোতি ডেকা, হিয়া দত্ত আৰু জয়শ্ৰী গোস্বামী, কাছাৰৰ অমিতেশ চক্ৰবৰ্তী, পুব কাৰ্বি আংলঙৰ নন্দলাল চৌহান, লখিমপুৰৰ বিশ্বজিৎ ব

সৰুপথাৰ মহাবিদ্যালয়ৰ অনন্য পৰিৱেশ আৰু অনুশাসনত মুগ্ধ জ্যেষ্ঠ শিক্ষাবিদ; এক হৃদয়স্পৰ্শী অভিজ্ঞতা



অসম বাৰ্তা, সৰুপথাৰ, ৩ নৱেম্বৰ ঃ সৰুপথাৰ মহাবিদ্যালয়ত ৩০ অক্টোবৰ তাৰিখে অনুষ্ঠিত ছেছিল অসম চৰকাৰৰ প্ৰত্নতত্ত্ব সঞ্চালকালয় খিলঞ্জীয়া আৰু জনজাতীয় বিষাল আৰু সংস্কৃতি বিভাগৰ উদ্যোগ আৰু সৰুপথাৰ মহাবিদ্যালয়ৰ সহযোগত 'ঐতিহ্য সজাগতা অনুষ্ঠান, ২০২৬'। উক্ত অনুষ্ঠান উপলক্ষে আগমন ঘটিছিল বাজাৰ এগৰাকী প্ৰবীণ শিক্ষাবিদ তথা দেৰবাজ ৰয় মহাবিদ্যালয়ৰ অবসৰপ্ৰাপ্ত সহযোগী অধ্যাপক দীনেশ গগৈৰ। জন্মস্থানৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখনলৈ বহু বছৰৰ পাছত আহি মহাবিদ্যালয়খনৰ শৈক্ষিক, সাংস্কৃতিক আৰু আন্তঃ গাঁথনিমূলক পৰিবৰ্তন প্ৰত্যক্ষ কৰি তেওঁ অভিভূত হৈ পৰে আৰু নিজৰ সামাজিক মাধ্যমত এক আন্তৰিক অনুভৱ ব্যক্ত কৰে। ১৯৭০ চনৰ ১৪ নৱেম্বৰত প্ৰতিষ্ঠিত সৰুপথাৰ মহাবিদ্যালয়ে ইতিপূর্বে বিভিন্ন সভা-সমিতি আৰু পৰীক্ষা পৰ্যবেক্ষণৰ দায়িত্ব বহুবাৰ অহাৰ স্মৃতি ৰোমন্থন কৰি তেওঁ উল্লেখ কৰে যে, প্ৰাকৃতিক সৌন্দৰ্যৰে আবৃতা মহাবিদ্যালয়খনৰ শান্ত-সমাহিত পৰিৱেশত প্ৰৱেশ কৰাৰ লগে লগেই মন জুৰ পৰি যায়। মহাবিদ্যালয়খনৰ সাম্প্ৰতিক সামগ্ৰিক বিকাশৰ তেওঁ মুক্তকণ্ঠে প্ৰশংসা কৰে। বিশেষকৈ মহাবিদ্যালয়খনৰ সংগ্ৰহালয় আৰু গ্ৰন্থাগাৰে তেওঁক গভীৰভাবে আকৃষ্ট কৰে। "Dont go to a museum with a destination, museums are wormholes to other worlds" — এই উক্তিৰে তেওঁ কয় যে সৰুপথাৰৰ দৰে এখন সৰু চহৰৰ সৰুপথাৰ মহাবিদ্যালয়ত এনে বহুমূলীয়া আৰু আপুৰুগীয়া সম্পদেৰে পৰিপূর্ণ এটা সংগ্ৰহালয় যে গঢ় লৈ উঠিব পাৰে, সেয়া চকুৰে নেদেখিলে বিশ্বাস কৰা টান। একেদৰে "Library is an island in the middle of a vast sea of ignorance"— এই তাৎপৰ্যক সাৰোগত কৰি গঢ়ি তোলা মহাবিদ্যালয় খনৰ উচ্চমানৰ পুথিভঁৰালটোৰ কথাও তেওঁ উল্লেখ কৰে, যিটো ইতিমধ্যে বিভিন্ন সংবাদ মাধ্যমত চর্চিত হৈ আছিল। ইয়াৰ উপৰিও চৌহদৰ ভিতৰতে থকা আটক ধুনীয়া অধ্যক্ষৰ বাসভবন (Principal's Quarter) আৰু অধ্যাপক-অধ্যাপিকাসকলৰ সক্ৰিয় দায়িত্ববোধৰ তেওঁ উচ্চ প্ৰশংসা কৰে। প্ৰবীণ শিক্ষাবিদগৰাকীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ নিয়মানুবৰ্তিতা আৰু সংযমক জীৱনৰ এক বিৰল অভিজ্ঞতা আখ্যা দিয়ে। তেওঁ ব্যক্ত কৰে, "১৯৬৭ চনৰ পৰা মই কলেজৰ সৈতে জড়িত। ১৯৬৯ চনত দেৰবাজ ৰয় মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিষয়বস্তীয়াৰ পদা আৰম্ভ কৰি ২০১০ চনত অবসৰ লোৱালৈকে কিমানবোৰ মহাবিদ্যালয়ৰ সভাত বক্তৃতা দিছোঁ তাৰ সঠিক হিচাপ নাই। কিন্তু এনে সৰু চহৰৰ মহাবিদ্যালয়ত এনে বহুমূলীয়া সম্পূর্ণ ব্যতিক্ৰম। মোৰ জীৱনৰ সেইখনেই একমাত্ৰ সভা আছিল, যত আৰম্ভণিৰ পৰা শেষলৈকে প্ৰতিগৰাকী শিক্ষাথী নিজ নিজ আসনত নীৰবে বহি আছিল, কোনেও এষাৰো কথা পতা নাছিল।" শিক্ষানুষ্ঠানখনৰ এনে প্ৰশংসনীয় বিকাশ আৰু অনুকৰণীয় অনুশাসনৰ ওৰতে থকা মহাবিদ্যালয়খনৰ অধ্যক্ষ ড' প্ৰাপ্তি ঠাকুৰৰ নেতৃত্বৰ শলাগ লয় জ্যেষ্ঠ অতিথিগৰাকীয়ে। একেদৰে, উক্ত অনুষ্ঠানতে উপস্থিত থকা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহটো সম্পূর্ণ শীত-তাপ নিয়ন্ত্ৰিত (AC) কৰি দিয়াৰ বাজহুৱা প্ৰতিশ্ৰুতি প্ৰদান কৰা অঞ্চলটোৰ বিধায়ক তথা তেওঁৰ একালৰ ছাত্ৰ বিশ্বজিৎ ফুকনৰ ভূমিকাকো তেওঁ বিশেষভাবে শলাগ জনায়। এগৰাকী বিশিষ্ট শিক্ষাবিদৰ এনে হৃদয়স্পৰ্শী মূল্যায়ন আৰু স্বীকৃতিয়ে মহাবিদ্যালয়খনৰ শৈক্ষিক সমাজখনৰ লগতে সমগ্ৰ অঞ্চলটোকে উৎসাহিত কৰি তুলিছে। ❑

ৰামগাঁৱৰ বৰনামঘৰৰ মঞ্চত প্ৰতিফলিত হ'ল গুৰুজনাৰ বৰঅসমৰ সমন্বয়ৰ আদর্শ

শংকৰী ভাওনাত সীতাৰ চৰিত্ৰত মুছলমান সম্প্ৰদায়ৰ কণমানি জিন্নাত আফ্ৰিন খান



অসম বাৰ্তা, গহপুৰ, ৩ নৱেম্বৰ ঃ জাতি-ধৰ্ম-বৰ্ণৰ নামত বিভাজনৰ পৰিবেশ সৃষ্টি কৰাৰ বিভিন্ন প্ৰচেষ্টাৰ মাজতে বিশ্বনাথ বামগাঁৱৰ পৰা আহিল সম্প্ৰীতি, একতা আৰু ভাতৃত্ববোধৰ এক অনন্য ইতিবাচক বাৰ্তা। শংকৰী সংস্কৃতিৰ মঞ্চত সীতাৰ চৰিত্ৰত অভিনয় কৰি সকলোকে মুছলমান সম্প্ৰদায়ৰ কণমানি শিল্পী জিন্নাত আফ্ৰিন খানে। বৰনামঘৰৰ পৰিত্ৰ মঞ্চত সীতাৰ ৰূপত জিন্নাতৰ উপস্থিতিয়ে জাতি-ধৰ্মৰ পৰিধি অতিক্ৰম কৰি সাংস্কৃতিক সমন্বয়ৰ এক অনন্য নিদৰ্শন দাঙি ধৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰতিষ্ঠা কৰা এক শৰণ নামধৰ্মৰ মানৱতা, ভাতৃত্ববোধ আৰু সমন্বয়ৰ আদর্শ যেন জিন্নাতৰ অভিনয়ৰ মাজেৰে পুনৰ প্ৰতিফলিত হ'ল। গুৰুজনাৰ বৰঅসমৰ সপোন যে জাতি-ধৰ্ম-বৰ্ণৰ ভেদাভেদৰ ঊৰ্ধ্বত এক মানৱীয় সমাজ গঢ়াৰ সপোন, সেয়া এই কণমানি শিল্পীগৰাকীৰ অংশগ্ৰহণে পুনৰ স্মৰণ কৰাই দিলে। জিন্নাতৰ এই ব্যতিক্ৰমী অংশগ্ৰহণে প্ৰমাণ কৰিলে যে সংস্কৃতিৰ কোনো ধৰ্মীয় সীমাবেখা নাথাকে। সংস্কৃতিয়ে মানুহক বিভাজন নকৰে, বৰঞ্চ একতাৰ এনাজৰীৰে সকলোকে বান্ধি ৰাখে। বামগাঁওবাসী ৰাইজৰ আৰু প্ৰগতি মহিলা পাৰিজাতৰ এনে প্ৰচেষ্টাই নতুন প্ৰজন্মৰ মাজত সম্প্ৰীতি, সহিষ্ণুতা আৰু পৰস্পৰৰ প্ৰতি সম্মানৰ ভাৰ গঢ়ি তোলাত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰিছে সচেতন মহলে। সঁচাকৈয়ে, বামগাঁৱৰ এই শিশু ভাওনা কেৱল এখন সাংস্কৃতিক অনুষ্ঠানতে সীমাবদ্ধ নাথাকিল; ই হৈ পৰিল ধৰ্মীয় সম্প্ৰীতি, সামাজিক ঐক্য আৰু মানৱতাৰ এক জীৱন্ত প্ৰতিচ্ছবি। কণমানি জিন্নাত আফ্ৰিন খানৰ অভিনয়ে সমাজলৈ দি গ'ল এক সুন্দৰ বাৰ্তা— মানুহৰ পৰিচয় ধৰ্মতকৈ ডাঙৰ, আৰু সংস্কৃতিৰ প্ৰকৃত শক্তি হ'ল সকলোকে একেলগে আগবঢ়াই নিয়াৰ সামৰ্থ্য। জিন্নাত আফ্ৰিন খান বিশ্বনাথ চাৰিআলি বামগাঁও নিবাসী সাংবাদিক আমিৰ খান আৰু প্ৰগতি মহিলা পাৰিজাতৰ সঞ্চালিকা জোনমণি বেগৰৰ একমাত্ৰ জীয়ৰী। জিন্নাত আফ্ৰিন খান লিটাৰ ষ্টাৰ স্কুলৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰী। উল্লেখযোগ্য যে -জিন্নাত আফ্ৰিন খানৰ পিতৃ আৰু মাতৃয়ে বিশ্বনাথ ৰাস মহোৎসৱৰত একেখাই চাৰি বাৰনন্দ যশোদাৰ চৰিত্ৰত অভিনয় কৰি বাস মহোৎসৱৰ বতৰত এক সমন্বয়ৰ বাৰ্তা প্ৰেৰণ কৰি আহিছে।

ঐতিহ্যমণ্ডিত ৭৫৬ নং অভয়াপুৰী ২ নং প্ৰাথমিক বিদ্যালয়ত নৱ-নিৰ্বাচিত বিদ্যালয় পৰিচালনা সমিতিৰ গুৰুত্বপূর্ণ সভা সম্পন্ন

গুণোৎসৱ আৰু সৰ্বাংগীণ বিকাশৰ ওপৰত আলোকপাত

অসম বাৰ্তা, লেংটিছিঙা, ৩ নৱেম্বৰ ঃ অভয়াপুৰীৰ অন্যতম ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান ৭৫৬ নং অভয়াপুৰী ২নং প্ৰাথমিক বিদ্যালয়ত আজি নব-নিৰ্বাচিত বিদ্যালয় পৰিচালনা সমিতিৰ এখনি বিশেষ তথা গুৰুত্বপূর্ণ সভা অনুষ্ঠিত হয়। বিদ্যালয় প্ৰাংগণত আয়োজিত উক্ত সভাত সভাপতিত্ব কৰে পৰিচালনা সমিতিৰ নব-নিৰ্বাচিত সভাপতি কাৰ্তিক দাসে। সভাৰ আৰম্ভণিতে বিদ্যালয়ৰ প্ৰধান শিক্ষক শৰৎ চন্দ্ৰ বৰবাই উদ্দেশ্য ব্যাখ্যা কৰি বিগত দিনবোৰত বিদ্যালয়খনে লাভ কৰা সফলতা আৰু সমুখত থকা প্ৰত্যাহ্বানসমূহ দাঙি ধৰে। বিদ্যালয়খনৰ সামগ্ৰিক বিকাশৰ বাবে সমাজ, শিক্ষক আৰু অভিভাৱকৰ মাজত সমন্বয় বৃদ্ধিৰ প্ৰয়োজনীয়তা সম্পর্কে তেওঁ বিশেষভাবে উল্লেখ কৰে। সভাত পৰিচালনা সমিতিৰ উপ-সভানেত্ৰী বাণী হালদাৰৰ লগতে কেইবাগৰাকীও বিশিষ্ট সদস্য তথা বক্তাই অংশগ্ৰহণ কৰি বিদ্যালয়খনৰ মন্তব্য আগবঢ়ায়। বক্তা সকলে বিদ্যালয়খনৰ গুণগত শিক্ষা আৰু নিয়মানুবৰ্তিতা, ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতি নিশ্চিত কৰা আৰু শৈক্ষিক পৰিবেশ অধিক উন্নত কৰাৰ ওপৰত গুৰুত্ব দিয়ে। লগতে ছাত্ৰ-ছাত্ৰীক সময়মতে পুস্তিকৰ, স্বাস্থ্যসম্মত তথা সুষম আহাৰ প্ৰদান সুনিশ্চিত কৰা, বিদ্যালয় শ্ৰেণীকোঠা, চৌহদ আৰু শৌচাগাৰ সদায় পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখা, সকলো ছাত্ৰ-ছাত্ৰীয়ে নীতি-নিয়ম মানি বিদ্যালয়ৰ নিৰ্ধাৰিত ঐকাৰীজ পৰিধান কৰি আহাটো নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সভাত 'গুণোৎসৱ'ৰ প্ৰস্তুতি সম্পর্কত আলোচনা কৰি ছাত্ৰ-ছাত্ৰীসকলে যাতে উন্নত প্ৰদৰ্শন কৰিব পাৰে, তাৰ বাবে শৈক্ষিক ঘাটি থকা শিশুসকলক চিনাক্ত কৰি তেওঁলোকৰ বাবে বিশেষ নিদনমূলক পাঠদানৰ ব্যৱস্থা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিদ্যালয়খনৰ কোনো এজন শিশুও যাতে পিছপৰি নাথাকে, সেই লক্ষ্য নিৰ্ধাৰণ কৰা হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য-সদস্যা সকলোৱে উপস্থিতিত অনুষ্ঠিত এই সভাই বিদ্যালয়খনৰ শিক্ষা আৰু আন্তঃগাঁথনিমূলক দিশত নতুন গতি প্ৰদান কৰিব।

পোহৰৰ উৎসৱ দীপাৱলীক লৈ দিনে নিশাই ব্যস্ততা বাঢ়িছে মহিলাকে ধৰি আবাল বৃদ্ধ বনিতাৰ নলবাৰীৰ মুকালমুৱাৰ দৰঙ্গীপাৰাত মৃৎ শিল্পীৰ ব্যস্ততা

অসম বাৰ্তা, ববক্ষেত্ৰী, ৩ নৱেম্বৰ ঃ পোহৰৰ উৎসৱ দীপাৱলীলৈ মাত্ৰ মাত্ৰ কেইটামান দিন বাকী। দীপাৱলীৰ প্ৰাকমুহূর্তত ব্যস্ততা বাঢ়িছে মৃৎশিল্পীসকলৰ। মৃৎশিল্পীৰ হাতৰ পৰশত প্ৰাণ পাই উঠিছে মাটিৰ চাকিৰ লগতে বিভিন্ন সা-সামগ্ৰী। নলবাৰী জিলাৰ টিছ বিধানসভা সমষ্টিৰ অন্তৰ্গত দৰঙ্গীপাৰাবাসীয়ে জীয়াই ৰাখিছে পুৰাণৰ পৰম্পৰা। এই লোকসকলে বহুবৰ পিছত বহুৰ ধৰি জীয়াই ৰাখিছে অসমৰ হেৰাই যাব ধৰা মৃৎশিল্পটি। সমাগত দেৱালী আৰু কালী পূজাক লৈ এতিয়া ব্যস্ততা বাঢ়িছে মৃৎশিল্পী সকলৰ। মহিলা, আবাল-বৃদ্ধ সকলোৱেই লাগি গৈছে নিজৰ নিজৰ কামত। সকলোৱে লগে ভাগে নিৰ্মাণ কৰিছে মাটিৰ চাকি, মাটিৰ কলহ, চৰুকে ধৰি বিভিন্ন সা-সামগ্ৰী। প্লাষ্টিক আৰু চীনা সামগ্ৰীৰে ভৰি পৰা বজাৰত মাটিৰ বাচনে হেৰুৱাই ছে আদৰ। তথাপিও হাৰ মনা নাই এই শিল্পীসকলে। নিজৰ হাতেৰে মাটিৰে জীৱন গঢ়া এই পৰিয়ালসমূহে অসমীয়া সংস্কৃতিৰ চাকি জ্বলাই ৰাখিছে। কিন্তু পৰ্যাপ্ত চৰকাৰী সহায় আৰু বজাৰৰ অভাৱত তেওঁলোকৰ জীৱন সংগ্ৰাম কঠিন হৈ পৰিছে। দীপাৱলীত সকলোৱে যদিহে মাটিৰ চাকি ব্যৱহাৰ কৰে, তেন্তে হয়তো এই পৰিয়ালসমূহৰ মাজতো আশাৰ চাকিটি জ্বলিব।

কামৰূপৰ দদৰাত ধান ক্ৰয় কেন্দ্ৰৰ শুভ উদ্বোধন বিধায়ক প্ৰকাশ চন্দ্ৰ দাসৰ

ষ্টাফ বিপৰ্চাৰ, অসম বাৰ্তা, ৩ নৱেম্বৰ ঃ কামৰূপ জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত মঙ্গলবাৰে দদৰাৰ গন্ধমৌ গাঁৱত এটা ধান ক্ৰয় কেন্দ্ৰৰ শুভ উদ্বোধন কৰে হাজো-ওৱালকুছি বিধানসভা সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে। শুভ উদ্বোধন কৰি বিধায়ক গৰাকীয়ে কয় যে এই ধান ক্ৰয় কেন্দ্ৰটো স্থাপনৰ জৰিয়তে জিলাখনৰ ধান ক্ৰয় ব্যৱস্থা আৰিষ্ট শক্তিশালী কৰাৰ লগতে স্থানীয় কৃষকসকলৰ বাবে উন্নত বজাৰ সুবিধা নিশ্চিত কৰাৰ দিশত এক গুৰুত্বপূর্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছে। কেন্দ্ৰটোৰ জৰিয়তে চৰকাৰী ন্যূনতম সমর্থন মূল্য (MSP)ত কৃষকৰ পৰা ধান ক্ৰয়ৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ ফলত কৃষকসকলে এক স্বচ্ছ আৰু সুসংগঠিত বিপণন ব্যৱস্থা লাভ কৰাৰ লগতে উৎপাদিত ধানৰ উচিত মূল্য লাভ কৰিব আৰু কম মূল্যত ধান বিক্ৰী কৰিবলৈ বাধ্য হোৱা পৰিস্থিতিৰ পৰা ৰক্ষা পৰিব। উল্লেখ্য যে, চলিত ২০২৬-২৭ বৰ্ষৰ খাৰিফ বিপণন বতৰৰ (Kharif Marketing Season) বাবে ধানৰ ন্যূনতম সমর্থন মূল্য প্ৰতি কুইন্টল ২,৪৪১ টকা নিৰ্ধাৰণ কৰা হৈছে। এই ব্যৱস্থাই কৃষকসকলক উৎপাদিত শস্যৰ উচিত আৰু লাভজনক মূল্য প্ৰদান কৰাৰ লগতে কৃষি খণ্ডৰ বিকাশত সহায় কৰিব। উদ্বোধনী অনুষ্ঠানত ৫০ গৰাকীৰো অধিক কৃষকে অংশগ্ৰহণ কৰে। ধান ক্ৰয় প্ৰক্ৰিয়াৰ এক উৎসাহজনক আৰম্ভণি হিচাপে এই উপলক্ষে কলিতাকুছি গাঁৱৰ কৃষক খগেন্দ্ৰ বেজবৰুৱাই কেন্দ্ৰটোত ৬৮ কুইণ্টল ধান বিক্ৰী কৰে। অনুষ্ঠানত কামৰূপ জিলা কৃষি বিষয়া হিতেশ বেজবৰুৱা, সহকাৰী কৃষি সঞ্চালক মুকুল বৰ্মন, হাজো কৃষি উন্নয়ন বিষয়া পাৰ্থজ্যোতি বৰা, ৰামদিয়া কৃষি উন্নয়ন বিষয়া ডেনিম বৰা আৰু গেৰোৱা কৃষি উন্নয়ন বিষয়া অঞ্জন জ্যোতি ডেকাৰ লগতে কৃষি বিভাগৰ অন্যান্য বিষয়া আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

ভাৰতৰ সপোন নিৰ্দ্ধাৰণ কৰিব যুৱ প্ৰজন্মই, আবেগেৰে নহয় বিবেকেৰে ভোটদান কৰিব লাগিব ঃ সাংসদ দেৱাশিস শর্মা

মেৰা যুৱ ভাৰত নগাঁৱৰ উদ্যোগত "বিকশিত ভাৰত যুৱ সংবাদ-নিজৰ ভোটৰ বিষয়ে জ্ঞান" শীৰ্ষক কার্যসূচী



অসম বাৰ্তা, বেৰেঙীয়া, ৩ নৱেম্বৰ ঃ "যুৱ কেৱল দেশৰ ভবিষ্যত নহয়- বর্তমান বাস্তৱ এক শক্তিশালী সত্তা। যুৱ সকলৰ অংশ গ্ৰহণে কেৱল সুযোগৰ সন্ধান নিদিয়ে, ই দায়িত্ব বোধৰ অভিব্যক্তি দাঙি ধৰে। যুৱশক্তিয়ে সদায় শক্তিশালী - সদাজাগ্ৰত আৰু এক সুন্দৰ ভবিষ্যতৰ বাবে সদা প্ৰস্তুত থাকিব লাগিব।" এই মন্তব্য নৱনির্বাচিত সাংসদ দেৱাশিস শর্মাৰ। সোমবাৰে মেৰা যুৱ ভাৰত কেন্দ্ৰ নগাঁৱৰ উদ্যোগত বটদ্ৰবা শ্ৰীশ্ৰী শংকৰদেৱ মহাবিদ্যালয়ৰ ব্যৱস্থাপনাত বহুমুখী গ্ৰাম্য বিকাশ পৰিষদৰ সহযোগত বটদ্ৰবা শ্ৰীশ্ৰী শংকৰদেৱ মহাবিদ্যালয়ত অনুষ্ঠিত "বিকশিত ভাৰত যুৱ সংবাদ-নিজৰ ভোটৰ বিষয়ে জ্ঞান" কার্যসূচীত মুখ্য অতিথি হিচাবে উপস্থিত থাকি তেওঁ এইমন্তব্য আগবঢ়ায়। লগতে উল্লেখ কৰে যে ভাৰতৰ সপোন নিৰ্দ্ধাৰণ কৰিব যুৱ প্ৰজন্মই। আবেগেৰে নহয় বিবেকেৰে ভোটদান কৰিব লাগিব তেতিয়াহে এক শক্তিশালী গণতন্ত্ৰ প্ৰতিষ্ঠা হ'ব। বটদ্ৰবা শ্ৰীশ্ৰী শংকৰদেৱ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা অবসৰপ্ৰাপ্ত অধ্যাপক সুজিত কুমাৰ শর্মাৰ সভাপতিত্বত অনুষ্ঠিত কার্যসূচীত তিনি শতাধিক যুৱক যুৱতীয়ে অংশগ্ৰহণ কৰে। বিকশিত ভাৰত যুৱ সংবাদ অনুষ্ঠানত বটদ্ৰবা শলগুৰি সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্ত, বিশিষ্ট সত্ৰীয়া শিল্পী ৰঞ্জিত মহন্ত ও বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে। মায় ভাৰত কেন্দ্ৰ নগাঁৱৰ জিলা যুৱ বিষয়া ওম প্ৰকাশ মীনাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত বটদ্ৰবা শ্ৰীশ্ৰী শংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষা ড' নমিতা কলিতাই আদৰণি ভাষণ প্ৰদান কৰে। ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ যুৱ আইকন জীত পাঠকে বিষয় বস্তুৰ ওপৰত বিস্তৃত ভাবে আগবঢ়োৱা সাৱলীল উপস্থাপনে উপস্থিত সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলে।

প্ৰশাসন আৰু সংবাদ মাধ্যমৰ মাজত সৌহার্দ্যপূর্ণ সম্পর্ক বর্তাই ৰখাৰ আহ্বান জিলা আয়ুক্ত কৰবী শইকীয়া কৰণৰ

অসম বাৰ্তা, গহপুৰ, ৩ নৱেম্বৰ ঃ অসমৰ মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শর্মাই ৰাজ্যৰ চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলৰ আগবঢ়োৱা শাৰদীয় উপহাৰ আজি বিশ্বনাথ জিলাৰ স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলৰ মাজত বিতৰণ কৰা হয়। এই উপলক্ষে বিশ্বনাথ জিলা আয়ুক্তৰ কার্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক অনুষ্ঠানত জিলা আয়ুক্ত কৰবী শইকীয়া কৰণে সাংবাদিকসকলৰ হাতত উক্ত উপহাৰসমূহ তুলি দিয়ে। অনুষ্ঠানত ভাষণ প্ৰসংগত জিলা আয়ুক্তগৰাকীয়ে প্ৰশাসন আৰু সংবাদ মাধ্যমৰ মাজত এক সৌহার্দ্যপূর্ণ সম্পর্ক বর্তাই ৰখাটো অত্যন্ত বাঞ্ছনীয় বুলি মন্তব্য কৰে। প্ৰশাসন আৰু সংবাদ মাধ্যমৰ মাজত ব্যবধান নাথাকিলে সমাজৰ বিভিন্ন সমস্যা, অভাব-অভিযোগ আদিৰ বিষয়ে খৰতকীয়াকৈ অৱগত হোৱাত সুবিধা হয় বুলি তেওঁ উল্লেখ কৰে। ই য়াৰ ফলত সমাজত ইতিবাচক প্ৰভাৱ পৰাৰ লগতে জনসাধাৰণৰ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰতো সহায়ক হয় বুলি তেওঁ মত প্ৰকাশ কৰে। এইক্ষেত্ৰত সাংবাদিকসকলক সমাজৰ ই তি বাচক আৰু নেতিবাচক দুয়োটা দিশ বাতৰিৰ জৰিয়তে দাঙি ধৰাৰ লগতে গঠনমূলক সমালোচনাৰ জৰিয়তে সমাজৰ উন্নয়নত অহিৰণা যোগাবলৈ আহ্বান জনায় জিলা আয়ুক্তগৰাকীয়ে। বিশ্বনাথ জিলাৰ সাংবাদিকসকলে বিভিন্ন বা-বাতৰি সবলভাৱে উপস্থাপন কৰি জিলাখনৰ সামগ্ৰিক উন্নয়ন আৰু জনসচেতনতা সৃষ্টিৰ ক্ষেত্ৰত গুৰুত্বপূর্ণ ভূমিকা গ্ৰহণ কৰি অহা বুলিও তেওঁ প্ৰশংসা কৰে। আনহাতে, সদৌ অসম সাংবাদিক সম্ভা (আজু)ৰ উদ্যোগত বিশ্বনাথত গ্ৰন্থ উৎসৱ অনুষ্ঠিত কৰিবলৈ লোৱা পদক্ষেপকো জিলা আয়ুক্ত কৰবী শইকীয়া কৰণে আদৰণি জনোৱাৰ লগতে শলাগ লয়। উক্ত অনুষ্ঠানত বিশ্বনাথ জিলাৰ ভাৰপ্ৰাপ্ত তথ্য আৰু জনসংযোগ বিষয়া মঞ্জুশ্ৰী ববা, ৰৰণজিৎ শইকীয়া আদি উপস্থিত থাকে।



চাহ জনগোষ্ঠীৰ কলা-কৃষ্টিৰ সাধক মকৰ সিং ভূমিজৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ

অসম বাৰ্তা, মাকুম, ৩ নৱেম্বৰ ঃ যোৱা ইংৰাজী ২২ অক্টোবৰত ই হ'লীলা সম্ভৱণ কৰা চাহ জনগোষ্ঠীৰ কলা-কৃষ্টিৰ সাধক তথা অসম চাহ জনজাতি ছাত্ৰ সম্থা চমুকৈ আটছাৰ বেতজান উ প-শাখা সমিতি প্ৰাক্তন উপদেষ্টা মাকুমৰ লেজেণ্ড বঙালী গাঁৱৰ নিবাসী মকৰ সিং ভূমিজৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ আজি বিভিন্ন কার্যসূচীৰে অনুষ্ঠিত কৰা হয়। অসম চাহ জনজাতি ছাত্ৰ সম্থা (আটছা) মাকুম শাখা সমিতিৰ উদ্যোগত, বেতজান উপ-শাখা সমিতি আৰু স্থানীয় ৰাইজৰ সহযোগত লেজেণ্ডা ৰঙালী খেলপথাৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। অনুষ্ঠানৰ আঁত ধৰে আটছাৰ মাকুম শাখা সমিতিৰ সভাপতি ৰবি কুমী আৰু সম্পাদক দীপক কুমীয়ে, তাৰ পাছতে কার্যসূচী অনুসৰি বন্তি প্ৰজ্বলন, শ্ৰদ্ধাঞ্জলি জ্ঞাপন, ৰংকাৰ নামৰ স্মৰণিকা উন্মোচন, সৰ্বধৰ্মীয় প্ৰার্থনা আৰু স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত সাংস্কৃতিক সাধক গৰাকীৰ প্ৰতিচ্ছবিত সম্মুখত প্ৰথমে বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে পদ্মশ্ৰী দুলাল মানকীয়ে। আনহাতে, স্মৰণিকা উন্মোচন কৰে টিবাই বঙলীকান্ত বৰবৰলে উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক বাজেন চুড়ীয়ে। ৰাজহুৱা স্মৃতিচাৰণ সভাত মাকুম সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণ, সমাজ কর্মী শংকৰ সিং বাজপুত, মনোজ ধানোৱাৰ, মাকুম শাখা সাহিত্য সভা, অসম চাহ জনজাতি ছাত্ৰ সম্থা কেন্দ্ৰীয়-শাখা-উপ-শাখা সমিতিৰ বিষয়বৰীয়া সকল, সদৌ অসম ছাত্ৰ সম্থা মাকুম আঞ্চলিক সমিতিৰ প্ৰতিনিধি, সদৌ অসম আদিবাসী ছাত্ৰ সম্থা, অসম চাহ জনজাতি মহিলা সমিতি, অসম ঝুমইৰ সম্মিলন, অসম ভূমিজ সমাজ বিষয়ৰবীয়া সকল প্ৰমুখ্যে অগণন গুণমুগ্ধই অংশগ্ৰহণ কৰি শ্ৰদ্ধা মকৰ সিং ভূ মিজলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে তেওঁৰ কর্মবাহি আৰু সমাজ-সংস্কৃতিলৈ আগবঢ়োৱা অবদানসমূহ স্মৰণ কৰে। সভাত উপস্থিত থকা বিভিন্ন দল-সংগঠনে ভূমিজৰ পৰিয়ালক একোখনিকৈ শোক বাৰ্তা প্ৰদান কৰে। তেওঁৰ বিয়োগে চাহ জনগোষ্ঠীৰ সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনত এক অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিলে বুলি স্মৃতিচাৰণ সভাত উপস্থিত থকা ব্যক্তিসকলে উল্লেখ কৰে।

বিশ্বনাথ জিলাৰ চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলৰ মাজত মুখ্যমন্ত্ৰীৰ শাৰদীয় উপহাৰ বিতৰণ

টিফুকত স্বৰ্ণকাপ ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী মেচত জয়ী খুমটাই আঞ্চলিক এফ.চি.



অসম বার্তা, চেপন, ৪ নৱেম্বৰ ঃ চৰাইদেউ জিলাৰ টিফুক নৱজ্যোতি যুৱ সংঘৰ উদ্যোগত টিফুক ৰাজহুৱা খেলপথাৰত আজিৰে পৰা আৰম্ভ হোৱা তৃতীয় বাৰ্ষিক টিফুক স্বৰ্ণকাপ ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী মেচত চৰাইদেউ খুমটাই আঞ্চলিক ক্ৰীড়া সংস্থা ফুটবল ক্লাবে জয় লাভ কৰি পৰবৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে। চৰাইদেউ জিলা ক্ৰীড়া সংস্থা আৰু মৰাণহাট ক্ৰীড়া সংস্থাৰ তত্ত্বাবধানত অনুষ্ঠিত খেলখনত খুমটাই আঞ্চলিক ক্ৰীড়া সংস্থা ফুটবল ক্লাবে শিবসাগৰৰ গড়গাঁও ক'চিং চেণ্টাৰক ২-১ গলৰ ব্যবধানত পৰাজিত কৰে। তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনৰ প্ৰথমাৰ্ধৰ দুই মিনিটত খুমটাইৰ বাইট উইংগাৰ ভাস্কৰ কন্ধই দিয়া গলৰ জৰিয়তে প্ৰথমাৰ্ধৰ বিৰতিলৈকে দলটো ১-০ত আগবাঢ়ি থাকে। আনহাতে দ্বিতীয়াৰ্ধৰ ৫২ মিনিটত খুমটাইৰ চৰাইদেউ জিলা ক্ৰীড়া সংস্থা আৰু মৰাণহাট ক্ৰীড়া সংস্থাৰ যৌথ তত্ত্বাবধান

বাকীখিনি পৃষ্ঠা ১০ত

বৃহত্তৰ বিহালী যুৱ মঞ্চৰ উদ্যোগত গাংমৌথানত চাৰিদিনীয়া ভাওনা সমাৰোহ; আজি সংবাদমেল সম্মেলন

অসম বার্তা, জিগিয়া, ৪ নৱেম্বৰ ঃ গুৱজাৰ আদৰ্শক নতুন প্ৰজন্মৰ মাজত প্ৰচাৰ আৰু বিহালীৰ বাইজৰ সহযোগত এই বৃহৎ আয়োজনৰ সফল কৰি তোলাৰ বাবে আমি প্ৰস্তুত।" ১২ নৱেম্বৰৰ বাঁশবাৰী সত্ৰৰ ডেকা সত্ৰাধিকাৰ ৰূপম গোস্বামীয়ে শুৰু আসন প্ৰতিষ্ঠা কৰিব। ১৩ নৱেম্বৰৰ পৰা ৭ বজাত সোণাৰীপাৰ সত্ৰৰ সত্ৰাধিকাৰ হৰেন গোস্বামীয়ে ধৰ্ম ধ্বজা উত্তোলন কৰিব। আৰু পুবা ৮ বজাত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিয়াই বিষ্ণুনাথ জিলাৰ আৰক্ষী অধীক্ষকে শুভাৰম্ভ কৰিব। ১৪ নৱেম্বৰৰ প্ৰথম নিশা "মৎসা অবতাৰ" ভাওনা প্ৰদৰ্শনী। ভাওনাৰ শুভ উদ্বোধন কৰিব শোণিত পুৰৰ সাংসদ বঞ্জিত দত্ত ই। ১৫ নৱেম্বৰৰ দ্বিতীয় নিশা "কৰ্ণ পৰ্ব" ভাওনা প্ৰদৰ্শন। উদ্বোধন কৰিব বিশ্বনাথ জিলাৰ জিলা আযুক্ত। সহযোগত থাকিব বিহালীৰ সমজিলা আযুক্ত। অভ্যৰ্থনা সমিতিৰ সভাপতি বিধায়ক মুনিন্দ্ৰ দাস, কাৰ্যকৰী সভাপতি তপন কটকী উপ-সভাপতি মুকুট ভট্টাচাৰ্য, কোষেশ্বৰ দাস, সংস্থেয় কবা আৰু সহ-সম্পাদক অতনু শই কীয়া, মাধৱ দাস সহ সকলো বিষয়ৰবৰীয়ই বাইজক উপস্থিত থাকি অনুষ্ঠান সফল কৰি তুলিবলৈ আহ্বান জনাইছে। আয়োজকসকলে কয় যে, এই সমাৰোহৰ জৰিয়তে বিহালীৰ সামাজিক ঐক্য আৰু সাংস্কৃতিক পৰম্পৰা আৰু শক্তিশালী হ'ব।

চামগুৰিত সুৰাসক্ত চালক-হেণ্ডিমেনৰ সন্ত্ৰাস

অসম বার্তা, পুৰণিগুদাম, ৪ নৱেম্বৰ ঃ নগাঁও জিলাৰ চামগুৰিত সুৰাসক্ত ট্ৰাক চালক আৰু হেণ্ডিমেনে সন্ত্ৰাস চলোৱাৰ অভিযোগ উঠিছে। সুৰাসক্ত চালক আৰু হেণ্ডিমেনে কৰ্ত ব্যবত আৰক্ষীৰ ওপৰত আক্ৰমণ কৰাৰ অভিযোগ উঠিছে। জানিব পৰা মতে, যোৰা নিশা চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত সোণাৰিবলি অঞ্চলত এ-এছ- ০২-চি-চি-৩২৪৬ নম্বৰৰ এখন ক্ষতবেগী ট্ৰাকে এখন চাৰিচকীয়া বাহনক প্ৰচণ্ড জোৰেৰে খুন্দা মাৰি পলাই যাবলৈ চেষ্টা কৰে। উক্ত ট্ৰাকখন কিছু দূৰ যোৱাৰ পিছত পথত নিয়ন্ত্ৰণ হেৰুৱাই এখন পথাৰত বাগৰি পৰে। দুৰ্ঘটনাৰ পিছতে স্থানীয় একাংশ বাইজে ট্ৰাকখনৰ চালক আৰু হেণ্ডিমেন দুয়োকে সুৰাসক্ত অৱস্থাত প্ৰত্যক্ষ কৰি দুয়োকে কবাত্তড় কৰি চামগুৰি আৰক্ষীক চমজাই দিয়ে। উক্ত সুৰাসক্ত চালক আৰু হেণ্ডিমেনে পৰবৰ্তী সময়ত কৰ্ত ব্যবত আৰক্ষীৰ ওচৰত উদণ্ড ৰূপ ধাৰণ কৰেবলৈ অভিযোগ উঠিছে। উক্ত ঘটনা সম্পৰ্কত চামগুৰি আৰক্ষীয়ে নিজাবীয়াকৈ দুই চালক-হেণ্ডিমেনৰ বিৰুদ্ধে এক গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

ডিব্ৰুগড়ৰ উপাসনা কলাকেন্দ্ৰত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা গীতৰ আধাৰত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা সম্পন্ন

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৪ নৱেম্বৰ ঃ ডিব্ৰুগড়ৰ অগ্ৰণী সাংস্কৃতিক উপাসনা কলাকেন্দ্ৰত ডিব্ৰুগড় জিলাৰ সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতিৰ উদ্যোগত আৰু বাণীপুৰ স্বৰ্ণ শাখা সাহিত্য সভাৰ সহযোগত ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সঙ্গতি ৰাখি তেখেতৰ গীতৰ আধাৰত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা দেওবাৰে দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা অনুষ্ঠানত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ অন্তৰ্গত শাখাসমূহে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ মুখ আহুৰিকা ৰাখী শইকীয়াই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি অতিথিসকলক আদৰণি জনায়। ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি বদন গগৈ, উপ-সভাপতি প্ৰশান্ত দেওগ, সম্পাদক অজিত বুঢ়াগোহাঁইকে ধৰি জিলাখনৰ শাখাসমূহৰ বিষয়বৰীয়া আৰু বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। পুৰা পতাকা উত্তোলন কৰে টেঙাখাত মহাবিদ্যালয় অধ্যক্ষ যতীন্দ্ৰ নাথে আৰু বৰীণ প্ৰস্তুলনেৰে কাৰ্যৰ শুভাৰম্ভ কৰে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সহঃসম্পাদক অজিত বুঢ়াগোহাঁই। স্থানীয় ভকতবৃন্দ আৰু আয়তীসকলৰ প্ৰাৰ্থনাৰে মঞ্চ মুকলি কৰা পিচতে সৃষ্টিশীল নৃত্য প্ৰতিযোগিতাত ড° ৰূপলেখা বৰবৰা, ড° নয়নমণি ফুকন বিচাৰকৰূপে উপস্থিত থাকে। দৰ্শক বিচাৰক ৰূপে ৰাজকুমাৰ আগৰবালা, অজিত বুঢ়াগোহাঁই আৰু ৰীণা ধৰুৱা উপস্থিত থাকে। প্ৰতিযোগিতাৰ অন্তত বঁটা বিতৰণ কৰা হয়। প্ৰতিযোগিতাত ছয়টা পুৰস্কাৰ প্ৰদান কৰা হয়। প্ৰথম স্থান লাভ কৰে চাবুৰা শাখা সাহিত্য সভাৰ বৃষ্টি ফুকনে, দ্বিতীয় পুৰস্কাৰ লাভ কৰে পূব ডিব্ৰুগড় শাখা সাহিত্য সভাৰ অভিকা গগৈয়ে, তৃতীয় পুৰস্কাৰ লাভ কৰে ডিব্ৰুগড় শাখা সাহিত্য সভাৰ নাফিজা অজুমানে, চতুৰ্থ পুৰস্কাৰ লাভ কৰে নাওভলীয়া শাখা সাহিত্য সভাৰ অদিতি মেছ, পঞ্চম পুৰস্কাৰ লাভ কৰে লাহোলাল শাখা সাহিত্য সভাৰ স্মৃতি বৰুৱাই আৰু বিচাৰকমণ্ডলীৰ পৰা বিশেষ বঁটা লাভ কৰে চাবুৰা শাখা সাহিত্যৰ ধৰিত্ৰী দিহিঙীয়াই। অনুষ্ঠানৰ শেষলৈ অনুষ্ঠানৰ সভাপতি ড° জীবন কলিতা, সম্পাদক মনোজ কুমাৰ গগৈ, সাংগঠনিক সম্পাদক দিলীপ শইকীয়া, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক মনোজ পাহে, সহ-সম্পাদক পনোজ দত্ত, আটছু শিবসাগৰ জিলা সমিতিৰ সভাপতি অখিল আহোম, আমগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল হাজৰিকাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি, সাহিত্যিক, সমাজকৰ্মী আৰু স্থানীয় বাইজ উপস্থিত থাকে। প্ৰাঞ্জল ফুকনৰ পৰিচালনাত আৰু পল্লৱ শইকীয়া তথা সহযোগীসকলৰ দোহাৰ পৰিচালনাত মঞ্চস্থ হোৱা শিশু নাট "একলব্যৰ গুৰুদক্ষিণা"ই উপস্থিত দৰ্শকৰ মাজত বিশেষ সমাদৰ লাভ কৰে। ব্যতিক্ৰমী এই অনুষ্ঠানটোৰ সফল সামৰণিত উদ্যোক্তাসকলে সহযোগিতা আগবঢ়োৱা সকলোলৈ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।

দোতমাত ২৮ সংখ্যক দাওহাৰু মুংখলংট্ৰফীৰ চূড়ান্ত খেলত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী

অসম বার্তা, কোকৰাঝাৰ, ৪ নৱেম্বৰ ঃ কোকৰাঝাৰ জিলাৰ দোতমাত অনুষ্ঠিত ২৮ সংখ্যক দাওহাৰু মুংখলংট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ছেমি-ফাইনেলৰ প্ৰথমখন খেলখন ২ নৱেম্বৰতে আৰম্ভ হৈছে। প্ৰতিযোগিতাখনৰ চূড়ান্ত খেলখন অহা ৫ নৱেম্বৰতে অনুষ্ঠিত হ'ব। উক্ত চূড়ান্ত খেলখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী। ইফালে, ৩ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া খেলখন আৰম্ভ হোৱাৰ পূৰ্বে জিলা আযুক্তৰ উপস্থিতিত ড্ৰাগছ বিৰোধী সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। এই কাৰ্যসূচীৰ জৰিয়তে যুৱ প্ৰজন্মক ড্ৰাগছৰ ভয়াবহতাৰ বিষয়ে সজাগ কৰাৰ লগতে এখন ড্ৰাগছমুক্ত সমাজ গঢ়াৰ বাৰ্তা প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিয়ে আহুয়াক সমিতিৰ সম্পাদক সৌগমমণি মুহাৰীয়ে। উল্লেখযোগ্য যে, ১৯৯৭ চনত দাওহাৰু মুংখলং টুফী ফুটবল প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰা হৈছিল। বডোলেণ্ড আন্দোলনৰ শ্ৰদ্ধেয় সকলৰ স্মৃতিত প্ৰতি শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে দোতমা অঞ্চলৰ স্থানীয় বৌদ্ধিক মহল আৰু নেতৃবৰ্গৰ উদ্যোগত এই প্ৰতিযোগিতাৰ আৰম্ভণি হৈছিল। প্ৰথম অৱস্থাত স্থানীয় ফুটবল দলসমূহৰ মাজতে সীমাবদ্ধ থকা প্ৰতিযোগিতাখনে ২০০১ চনত সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ সৈতে সম্পৰ্ক স্থাপনৰ পিছত বাষ্টীয় পৰ্যায়ত বিশেষ পৰিচিতি লাভ কৰে। পৰবৰ্তী সময়ত দেশৰ বিভিন্ন প্ৰান্তৰ আগশাৰীৰ ফুটবল দলৰ অংশগ্ৰহণেৰে প্ৰতিযোগিতাখনে ক্ৰীড়াপ্ৰেমীৰ মাজত বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। দাওহাৰু মুংখলং টুফী কেৱল এখন ফুটবল প্ৰতিযোগিতাই নহয়, বৰঞ্চ ই বড়োলেণ্ড আন্দোলনৰ শ্ৰদ্ধেয় সকলৰ ত্যাগ আৰু আত্মবলিদানক স্মৰণ কৰাৰ এক বিশেষ মাধ্যম হিচাপেও পৰিচিত। এইবাৰৰ প্ৰতিযোগিতাত মুঠ ১২টা দলে অংশগ্ৰহণ কৰিছে বুলি আয়োজক সমিতিয়ে জানিবলৈ দিছে। প্ৰতিযোগিতাখন সুকলমে সম্পন্ন কৰাৰ বাবে ইতিমধ্যে আয়োজক সমিতিয়ে যাবতীয় প্ৰস্তুতি গ্ৰহণ কৰিছে। এতিয়া অহা ৫ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া চূড়ান্ত খেলখনক লৈ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছে অঞ্চলটোৰ লগতে ৰাজ্যৰ ফুটবলপ্ৰেমী বাইজে।

নামতিৰ খেজুৰিতলত শিশু নাট "একলব্যৰ গুৰুদক্ষিণা"ৰ সফল প্ৰদৰ্শন

অসম বার্তা, আমগুৰি, ৪ নৱেম্বৰ ঃ শিশুসকলৰ মাজত নাটচর্চা আৰু সাহিত্য-সংস্কৃতিৰ প্ৰতি আগ্ৰহবৃদ্ধিৰ লগতে অসমীয়া সাংস্কৃতিক পৰম্পৰা জীয়াই ৰাখিবলৈ শিবসাগৰ জিলাৰ নামতিৰ খেজুৰিতলত দেওবাৰে দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায় "একলব্যৰ গুৰুদক্ষিণা" শীৰ্ষক শিশু নাট প্ৰদৰ্শনী। নামতি পিয়লি ফুকন শাখা সাহিত্য সভা আৰু জ্ঞানজ্যোতি স্মাৰ্ট স্কুলৰ উদ্যোগত আৰু স্থানীয় বাইজৰ সহযোগত খেজুৰিতলিস্থত জ্ঞানজ্যোতি স্মাৰ্ট স্কুলৰ প্ৰেক্ষাগৃহত অনুষ্ঠানটো অনুষ্ঠিত হয়। পুৰা উদ্‌যাপন সমিতিৰ সভাপতি অমিয়া মহন্তই সমিতিৰ পতাকা আৰু জ্ঞানজ্যোতি স্মাৰ্ট স্কুলৰ সঞ্চালিকা দেবযানী শইকীয়া গগৈয়ে স্কুলৰ পতাকা উত্তোলন কৰে। তাৰ পিছতে সমাজকৰ্মী সদানন্দ গগৈয়ে গছপুলি বোপণ কৰে আৰু পৰুৱা গগৈয়ে বস্তি প্ৰজুলন কৰে। সন্ধিয়া নীলাক্ষি মেমৰিয়েলে একাডেমীৰ অধ্যক্ষ ৰঞ্জিত গগৈয়ে বস্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ আৰম্ভণি কৰে। ইয়াৰ পাছত নামাচাৰ্য গিৰিধৰ গগৈয়ে ভাগৰত প্ৰতিষ্ঠা কৰে আৰু নামাচার্য হৰিপ্ৰসাদ গগৈয়ে নাম-প্ৰসংগ পৰিবেশন কৰে। জ্যোতিৰ্বলেণ টিপমীয়া গাঁও বকানমঘৰ মহিলা সমাজে দিহানাম পৰিবেশন কৰাৰ পাছত জ্ঞানজ্যোতি স্মাৰ্ট স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে ৰাসৰ নৃত্য আৰু জনপ্ৰিয় কণ্ঠশিল্পী শিৰবাজ অসমে লোকগীত পৰিবেশন কৰে। লগতে আন বিভিন্ন কাৰ্যসূচীও ৰূপায়ণ কৰা হয়। সন্ধিয়া অনুষ্ঠিত শিশু নাটখন নামতি শ্ৰদ্ধেয় পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুবজ্যোতি নাথে উন্মোচন কৰে। পিয়লি ফুকন শাখা সাহিত্য সভাৰ সম্পাদক মনিষা শইকীয়াই আঁত ধৰা আৰু সঞ্চালিকা দেবযানী শইকীয়া গগৈয়ে শলাগ জ্ঞাপন কৰা অনুষ্ঠানত শিবসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগেশ ফিৰিঙ্গা ফুকন, উপ-সভাপতি ড° জীবন কলিতা, সম্পাদক মনোজ কুমাৰ গগৈ, সাংগঠনিক সম্পাদক দিলীপ শইকীয়া, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক মনোজ পাহে, সহ-সম্পাদক পনোজ দত্ত, আটছু শিবসাগৰ জিলা সমিতিৰ সভাপতি অখিল আহোম, আমগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল হাজৰিকাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি, সাহিত্যিক, সমাজকৰ্মী আৰু স্থানীয় বাইজ উপস্থিত থাকে। প্ৰাঞ্জল ফুকনৰ পৰিচালনাত আৰু পল্লৱ শইকীয়া তথা সহযোগীসকলৰ দোহাৰ পৰিচালনাত মঞ্চস্থ হোৱা শিশু নাট "একলব্যৰ গুৰুদক্ষিণা"ই উপস্থিত দৰ্শকৰ মাজত বিশেষ সমাদৰ লাভ কৰে। ব্যতিক্ৰমী এই অনুষ্ঠানটোৰ সফল সামৰণিত উদ্যোক্তাসকলে সহযোগিতা আগবঢ়োৱা সকলোলৈ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।

সাংস্কৃতিক পৰম্পৰাৰ প্ৰতি শিশুক আকৰ্ষণ

৩৯ বছৰীয়া শিক্ষকতা জীৱনৰ সামৰণি কৃতী শিক্ষক জাকিৰ হুছেইনক বিদায় সম্বৰ্ধনা

অসম বার্তা, মাঙলদৈ, ৩ নৱেম্বৰ ঃ দৰং জিলাৰ কলাইগাঁও শিক্ষা খণ্ডৰ অন্তৰ্গত বাঘপৰি মণ্ডল-সমল কেন্দ্ৰৰ আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়, বাদিয়াৰ কৃতী শিক্ষক জাকিৰ হুছেইনে সুদীৰ্ঘ ৩৯ বছৰ শিক্ষকতা জীৱনৰ সামৰণি মাৰি শনিবাৰে ৩১ অক্টোবৰত চকাবী নিয়ম অনুসৰি অৱসৰ গ্ৰহণ কৰে। তেওঁৰ অৱসৰ উপলক্ষে বিদ্যালয়খনত এখন বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত কৰা হয়। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হানিফুদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ সহকাৰী শিক্ষক ওবাজিদুল ইছলামে। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে কলাইগাঁও শিক্ষা খণ্ডৰ গাণনিক চাহাবুদ্দিন আহমেদ, বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক বাদশাহ আলী, বাদিয়া হাইস্কুলৰ প্ৰধান শিক্ষক বিপ্লাল হক, মণ্ডল-সমল কেন্দ্ৰৰ সমন্বয়ক ছাহজমাল হক, বাদিয়া পঞ্চায়তৰ সভাপতি বিশ্বজুন্নিসা আহমেদ আৰু বিদায়ী পৰিচালনা সমিতিৰ সভাপতি আমজাদ আলী আহমেদকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। সভাত বক্তাসকলে অবসৰপ্ৰাপ্ত শিক্ষক জাকিৰ হুছেইনৰ সুদীৰ্ঘ শিক্ষকতা জীৱনৰ অবদানৰ কথা স্মৰণ কৰি তেওঁৰ কৰ্মনিষ্ঠা, নিষ্ঠা আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা দায়বদ্ধতাৰ প্ৰশংসা কৰে। তেওঁৰ অবসৰে বিদ্যালয়খনৰ লগতে বৃহত্তৰ অঞ্চলটোৰ শৈক্ষিক ক্ষেত্ৰখনত এক শূন্যতাৰ সৃষ্টি কৰিব বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতি, শিক্ষক-শিক্ষয়িত্ৰী, প্ৰাক্তন আৰু বৰ্তমান ছাত্ৰ-ছাত্ৰী তথা স্থানীয় বাইজৰ তৰফৰ পৰা জাকিৰ হুছেইনক শাৰী, চেলেং, জাপি, গামোচা, সম্বৰ্ধনা-পত্ৰ, কোৰান পুথি, কলম, ছাতি আদি বিভিন্ন উপহাৰেৰে উষ্ণ সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য ৪৯ বছৰ শিক্ষকতা জীৱনৰ জৰিয়তে তেখেতে বহু ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ় দিয়াৰ লগতে অঞ্চলটোৰ শৈক্ষিক বিকাশত ওৰুত্বপূৰ্ণ অবদান আগবঢ়াই আছিল।

গহপুৰ নগৰত নথি-পত্ৰবিহীন ই-ৰিক্সাৰ দৌৰাত্ম্য

বহু চালকৰ নাই অনুজ্ঞাপত্ৰ, কম বয়সীয়া যুৱকেও চলাইছে ই-ৰিক্সা

য'তে-ত'তে অবৈধ পার্কিঙে সৃষ্টি কৰিছে যান-জটৰ সমস্যা

অসম বার্তা, গহপুৰ, ৩ নৱেম্বৰ ঃ গহপুৰ নগৰত দিনক দিনে বৃদ্ধি পাইছে ই-ৰিক্সাৰ সংখ্যা। কিন্তু নগৰখনত চলাচল কৰা একাংশ ই-ৰিক্সাৰ বৈধ নথি-পত্ৰ আৰু চালকৰ অনুজ্ঞাপত্ৰক লৈ উত্থাপন হৈছে গুৰুতৰ প্ৰশ্ন। অভিযোগ অনুসৰি, গহপুৰ নগৰত চলাচল কৰা বহু ই-ৰিক্সাৰ চালকৰ হাতত নাই বৈধ চালকৰ অনুজ্ঞাপত্ৰ। আনকি কম বয়সীয়া একাংশ যুৱকেও ৰাজপথত ই-ৰিক্সা চলাই থকাৰ অভিযোগ উঠিছে। কেৱল সেয়াই নহয়, নগৰখনৰ বিভিন্ন স্থানত একাংশ ই-ৰিক্সা চালকে য'তে-ত'তে জধে-মধে বাহন ৰখাই থোৱাৰ ফলত সৃষ্টি হৈছে যান-জটৰ সমস্যা। নিৰ্দিষ্ট পার্কিং ব্যবস্থা নথকাৰ সুযোগ লৈ ৰাজপথৰ দাঁতিত আৰু ব্যস্ত সমহসমূহত ই-ৰিক্সা ৰখাই থোৱাৰ ফলত সাধাৰণ পথচাৰী আৰু আন যান-বাহনৰ চালকসকলেও যথেষ্ট অসুবিধাৰ সম্মুখীন হ'বলগীয়া হৈছে। ইফালে, একাংশ ই-ৰিক্সাৰ বোজ টেক্সু, বীমা (ইন্সুৰেন্স), প্ৰদূষণ সম্পৰ্কীয় প্ৰমাণ-পত্ৰ তথা অন্যান্য প্ৰয়োজনীয় নথি-পত্ৰৰ বৈধতাক লৈও সন্দেহ প্ৰকাশ কৰিছে সচেতন মহলে। আনকি ম্যাদ উকলি যোৱা একাংশ ই-ৰিক্সাও এটিয়াভাৰে ৰাজপথত চলাচল কৰি থকাৰ অভিযোগ উত্থাপন হৈছে। এনে পৰিস্থিতিত গহপুৰ নগৰত চলাচল কৰা সকলো ই-ৰিক্সাৰ বৈধ নথি-পত্ৰ, পঞ্জীয়ন, প্ৰয়োজ্য কৰ, বীমা আৰু চালকৰ অনুজ্ঞাপত্ৰ পৰীক্ষা কৰাৰ লগতে নাবালক বা অনুপযুক্ত বয়সৰ যুৱকে বাহন চলাইছে নেকি সেয়া নিশ্চিত কৰিবলৈ আৱশ্যকীয় আৰু পৰিবহণ বিভাগৰ ওচৰত দাবী জনাইছে সচেতন মহলে। লগতে, য'তে-ত'তে ই-ৰিক্সা পার্কিং কৰাৰ ক্ষেত্ৰত নিয়ন্ত্ৰণ আৰোপ কৰি নিৰ্দিষ্ট পার্কিং স্থানৰ ব্যবস্থা কৰাৰো দাবী উত্থাপন হৈছে। গহপুৰ নগৰৰ পথ সুৰক্ষা, যান-জট নিয়ন্ত্ৰণ আৰু সাধাৰণ ৰাইজৰ নিৰাপত্তাত যাতায়াতৰ স্বাৰ্থত আৱশ্যকীয় আৰু পৰিবহণ বিভাগে শীঘ্ৰে এক বিশেষ অভিযান চলাবনে, সেয়া এতিয়া লক্ষণীয় হৈ পৰিছে।

কিশোৰীক অপকৰ্মৰ চেষ্টা কৰা দুই লম্পটক আটক

অসম বার্তা, মাকুম, ৪ নৱেম্বৰ ঃ আজি মাকুম আৰক্ষী থানাৰ অন্তৰ্গত লছোৱাল অঞ্চলৰ এগৰাকী কিশোৰীক অপকৰ্মৰ চেষ্টা কৰা দুই লম্পটক আটক কৰে মাকুম আৰক্ষীয়ে। তথ্যপ্ৰাপ্ত অনুসৰি জনৈক গোৱালা (৫১) আৰু জনৈক মাঝি (২১) নামৰ দুই লম্পটে কিশোৰী গৰাকীক অপকৰ্মৰ চেষ্টা চলাইছিল। মাকুম আৰক্ষী থানাৰ উপ-পৰিদৰ্শক প্ৰিয়াংকা বৰাৰ নেতৃত্বত দুই লম্পটক আটক কৰাৰ লগতে যৌন অপৰাধৰ পৰা শিশুক সুৰক্ষা বি এন এচ ৰ ৬৪(২)(ম), ৬৫(১), ২৩৮(এ) আৰু৫(৫) গোচৰ ৰুজু কৰি তিনিচুকীয়া ন্যায়ালয়লৈ প্ৰেৰণ কৰে।

টংলাত ওদালগুৰি জিলা লোকশিল্পী বিকাশ পৰিষদৰ সভা

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৪ নৱেম্বৰ ঃ অবিভক্ত দৰং জিলাৰ ঐতিহ্যমণ্ডিত লোক কৃষ্টিসমূহৰ লোকশিল্পী সকলৰ উন্নেহতীয়া সাংস্কৃতিক সংগঠন ওদালগুৰি জিলা লোকশিল্পী বিকাশ পৰিষদৰ সভাখন অহা ১৫ নৱেম্বৰত অনুষ্ঠিত হব। টংলাস্থিত ছটিগাড়ী শিৱ মন্দিৰ প্ৰাংগনত অনুষ্ঠিত হ'ব লগা অনুষ্ঠানত ৰাতিপুৱাৰ ভাগত পৰিবেশ নিকাকৰণ পৰিচালনা কৰিব ব্যাস সংগীতৰ শিল্পী ব্ৰজেন ডেকাই, বন্তি প্ৰস্তুলন কৰিব সমাজ সেবক অঞ্জনা দাস ব্ৰহ্মই, দিনৰ ৯ বজাত প্ৰদৰ্শনীমূলক ব্যাস আৰু সুকন্যানী ওজাপালি পৰিবেশন উদ্বোধন কৰিব খালিদুবাৰ পৰিষদীয় সম্ভিৰ পাৰিষদ অৰ্জুন দেমাৰীয়ে, দিনৰ ১১ বজাত বিশিষ্ট পুৰোহিত গোপাল দেৱ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা সাধাৰণ সভা উদ্বোধন কৰিব টংলা বিধানসভা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকাই। উদ্যোগতাই দলৰ শিল্পী সকলৰ উপস্থিতি কামনা কৰিছে।

অসম বার্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৱহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited | Website : www.asombarta.in | Facebook : \asombarta | Instagram : \asom_barta
● সম্পাদক ঃ তনয় বৰা | ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন